# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1971

( BUDGET SESSION )

Vol. 1, No. 30

**The 6th May, 1971**

## CONTENTS

Pages


| | | | |
|---|---|---|---|
| 1. | Further Supplementaries to Starred Question No. 254 replied on 5th May 1971 **Re :** Appointment of Polling Agents. | ... | 1 |
| 2. | Starred Question and Answers | ... | 4 |
| 3. | Unstarred Questions And Answers | ... | 29 |
| 4. | Short Notice Questions And Answers | ... | 32 |
| 5. | Voting on Demands for Grants—Demand No. 17 | ... | 34 |
| 6. | Calling Attention To A Matter of Urgent Public Importance—Irregularity in Employment Exchange | ... | 83 |
| 7. | Adjournment | ... | 88 |



REFERENCE
Not for Issue
... Library

# Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled After the Fourth General Elections Under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Shillong at 10 A. M. on Thursday, the 6th May 1971.

## PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Thirteen Ministers, Six Ministers of State, Two Deputy Ministers and Forty-Six Members.

### Further Supplementaries to Starred Question No. 254 replied on 5th May, 1971

### Re : Appointment of Polling Agents

শ্ৰীফণী বৰা—এইটোত মই এটা Supplementary কৰিছিলো। ১৩ নং লোকসভা সমষ্টিত ২০ নং Polling Centre reject কৰা কাগজখন পাইছো। কাগজখনে মুখ্যমন্ত্ৰীক বিপথগামী কৰিছে লগে লগে আমাকো। এই কাগজখন যেতিয়া দাখিল কৰা হয় তেতিয়া তাত Presiding অফিচাৰে লিখিছে—

Now it is 12 A.M. I cannot accept this appointment.

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী ( মুখ্যমন্ত্ৰী )- সেইটো Question। Supplementary এইটো নহয়।

শ্ৰীফণী বৰা—তেনেহ'লে Privilege অনাৰ বাহিৰে উপায় নাই।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মোৰ আপত্তি নাই।

শ্ৰীফণী বৰা—তেখেতৰ চহীটো মোৰ হাতত আছে। তাত লিখিছে—As Polling Agent attending Polling Station No. 12.

Candidate জনৰ Signature-ও ইয়াত আছে, মই ধৰিব পৰা নাই। Now it is 12 A. M.. I cannot accept this appointment—Returning Officer.

গতিকে দেখা যায় যে দেৰীকৈ অহাৰ কাৰণে তেওঁক Polling Agent হিচাবে গ্ৰহণ কৰা নহয়। অন্য কাৰণেহে তাৰ Reply বিচাৰিছিল। দেৰী হোৱাৰ কাৰণে সোমাবলৈ নিদিয়াটো নহয়। ২৫৪ নং প্ৰশ্নত কোৱা হৈছে যে ভোগেশ্বৰ দত্তৰ তৰফৰ পৰা জীৱ গগৈক কিয় Polling Agent হিচাবে Appointment দিয়া নহ'ল? তাৰ লিখিত ভাৱে জবাব বিচৰাত অফিচাৰ গৰাকীয়ে এইদৰে লিখি দিছে শ্ৰীনামেশ্বৰ পেগুক ইলেকচন এজেণ্ট হিচাবে শ্ৰীভোগেশ্বৰ দত্তই নিযুক্তি দিয়াৰ কোনো খবৰ এতিয়ালৈকে মই পোৱা নাই। গতিকে তাৰ প্ৰমাণপত্ৰ দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল। কথাটো এইটো নহয় যে কোনো খবৰ নোপোৱা কাৰণে নামেশ্বৰ পেগুক Agent নিযুক্তি কৰা নাই। কালি মুখ্যমন্ত্ৰীয়ে কৈছিল যে ইয়াৰ কাৰণে Returning অফিচাৰ জন দায়ী, তেওঁ Election Centre-ত জনাই দিব লাগে এওঁলোক, এওঁলোক Agent বুলি। সেইটো Presiding অফিচাৰৰ দায়ীত্ব নহয়। Returning অফিচাৰে ভোটৰ কেন্দ্ৰ বিলাকত জনাই দিয়া নাই। গতিকে ইয়াৰ কাৰণে Returning অফিচৰ দায়ী হয়নে নহয়?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—কাগত পোৱা মতে, যদি দিয়া নাই তেনেহ'লে Returning অফিচাৰৰ ভুল হৈছে সেইটো মই অনুসন্ধান কৰি চাম। মোক Asstt. Presiding অফিচাৰে এইদৰে লিখিছে—

We have no knowledge whether Shri Bhogeswar Dutta has appointed an election agent, and as such, the question of intimating the Presiding Officer did not arise......The Election Officer, North Lakhimpur; and Assistant Returning Officer, that is the S.D.O—they have given me in writing that they did not know whether Shri Nameswar Pegu was appointed as an election agent......

Shri Phani Bora—Whether Nameswar Pegu was appointed as an election agent of the candidate Bhogeswar Dutta could have been known only from the original source, that is the Returning Officer at Dibrugarh. There was no point in asking for a reply from the S.D.O. North Lakhimpur. If he was appointed at Dibrugarh and if it was not intimated to the S.D.O. who was the Assistant Returning Officer, then the fault is with the Returning Officer. For this lapse on the part of the Returning Officer the candidate has suffered, the party has suffered, I can bring to your notice how they have suffered. There is one voter who has given a written complaint.

ভোট লোৱাত ৬ নং কেন্দ্ৰৰ গন্দগোলৰ আবেদন—

মহোদয়.

অধীনৰ বিনীত নিবেদন এই যে, ৩৬ নং কেন্দ্ৰ ৰাওঁনাপুৰ এল, পি স্কুলত Presiding অফিচাৰে নিজে বহী থকাৰ পৰা উঠি গৈ প্ৰত্যেক ভোটাৰক এই চিনত মাৰক বুলি দেখুৱাই থাকে ( মানে গাই দামুৰীৰ ছবিত ) মই এইটো কৰিব নেপাই বুলি কোৱাত বহুত গন্দগোলৰ সৃষ্টি হয় আৰু ভোট লোৱা মানুহক সুধিলো আপোনালোকে ক'ত ভোট দিলে, তেওঁলোকে কৈছে অফিচাৰে য'ত মাৰিবলৈ কৈছে তাতে মাৰিছো। ক'ত মাৰিবলৈ কৈছে পাল্লাত মাৰিবলৈ দেখাই দিছে আৰু মই নিজ কানেৰে শুনিছো আৰু দেখিছো আৰু তেখেতক লিখিত ভাবে জনাইছো। মোৰ

দৰ্খাস্ত নামঞ্জুৰ কৰিছে। এইটো এটা Written Complaint। এই বিষয়ে অনুসন্ধান কৰি যদি তাৰ কাৰণে Asstt. Returning Officer বা Returning Officer দায়ী তেওঁলোকক শাস্তি দিয়াৰ কাৰণে চৰকাৰ আগবাঢ়িবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সাধাৰণতে এনে ধৰণৰ অভিযোগ বিলাকৰ বিচাৰ কৰা হয়। কিন্তু আমি এতিয়ালৈকে এনে ধৰণৰ নিৰ্বাচনী সম্পৰ্কৰ কোনো কেচ পোৱা নাই। সেই কাৰণে এইটো বিচাৰ কৰিব পৰা নহ'ব। কিন্তু তদন্ত কৰি চাম। এই সম্পৰ্কত যদি কোনোবা বিষয়াক দোষী পোৱা যায় তেনেহ'লে তেখেত সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হব।

## STARRED QUESTIONS AND ANSWERS
( To which oral replies were given )

### নাহৰকটীয়া কলেজৰ পৰিচালনা সমিতি

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে :

*২৬০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ডিব্ৰুগড় মহকুমাৰ নাহৰকটীয়া কলেজৰ পৰিচালনা সমিতিখন ( G. B. ) কেতিয়া গঠন কৰা হ'ল ?

(খ) উক্ত পৰিচালনা সমিতিৰ নাম আৰু ঠিকনা ?

(গ) গঠন হোৱা দিনৰে পৰা প্ৰশ্ন কৰা দিনলৈকে উক্ত সমিতিৰ বৈঠক কেইবাৰ বহিছিল ?

(ঘ) যদি নাই বহা, তাৰ বিশেষ কাৰণ কি ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

২৬০। (ক) নাহৰকটীয়া কলেজৰ পৰিচালনা সমিতিখন ১৭।২।৭১ তাৰিখে গঠন কৰা হৈছিল।

(খ) – উক্ত সমিতিখনৰ নাম "নাহৰকটীয়া কলেজ পৰিচালনা সমিতি", পোঃ আঃ—নাহৰকটীয়া, ডিব্ৰুগড় মহকুমা।

(গ)—এবাৰ বহিছিল।

(ঘ)—প্ৰশ্ন নুঠে।

### Re : Police Outpost at Narayanpur

Shri Premadhor Bora asked—

*261 Will the Chief Minister be pleased to state—

(a) Whether representation has been received by the Government of Assam ( Home Department ) for opening a Police Outpost at Narayanpur under Bihpuria police station in North Lakhimpur Subdivision ?

(b) Whether it is a fact that an enquiry was made by the said Department regarding the necessity of a police Outpost ?

(c) If so, what are the findings ?

(d) Whether representation had also been submitted to the Chief Minister at a public meeting held at Narayanpur in this regard ?

(e) If so, whether Government propose to open a Police Outpost at Narayanpur ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

261. (a)—No such representation appears to have been received by Government in the Home Department. But a representation was received by Superintendent of Police, Lakhimpur.

(b)—On receipt of a representation the Superintendent of Police, Lakhimpur, ordered the Subdivisional Police Officer, North Lakhimpur for an enquiry.

(c)—The enquiry has not yet been completed.

(d)—Yes, a representation was submitted by the Principal, Madhab Deb College, Narayanpur on 10th February 1971, Among other demands, the demand for a Police Outpost was also mentioned there.

(e)—Formal proposal from the local Officers is awaited. On receipt of the formal proposal the question of establishment of the Outpost may be considered.

শ্ৰীপ্ৰেমধৰ বৰা—এইটো কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হব ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—আশা কৰা যায় সোনকালে হব।

**Re : Memorandum from the non-deficit High School Teachers**

Shri Maneswar Boro asked:

*262. Will the Minister-in-charge of Education be pleased to state—

(a) Whether the Chief Minister has received a Memorandum from a deputation of non deficit High School Teache s of Assam on the 23rd December 1970 at Silchar ?

(b) If so, what are the demands contained in the Memoradum ?

(c) What action has been taken by the Government ?

(d) Whether it is a fact that the Chief Minister had given an assurance to the deputationists that a good number of Schools would be taken up under deficit system of grants and adhoc grants and school teachers would enjoy the benefit of service confirmation after completion of probationary period ?

(e) If so, what is the outcome of the assurance of the Chief Minister ?

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

262. (a)—The Chief Minister received a memorandum from the Secretary, District Aided High and Higher Secondary School Teachers' Association, Silchar.

(b)—(1) Distribution of money from Teacher's Welfare Fund.

(2) To release the amount under deferred payment scheme to the teachers—retired, deceased and resigned.

(3) Implementation of deferred Payment Scheme of Ad hoc and Das Commission D. A. for the period 1st December 1964 to 31st December 1968,

(4) Fixation of pay scale for 4th Grade employees.

(5) Making temporary posts of Higher Secondary School teachers teaching elective subjects permanent.

(6) Cash payment of Das Commission for the period from 1st September 1967 to 31st March 1968,

(7) Das Commission D. A. to the employees of schools derecognised. before 1st April 1967.

(8) Payment of ad-hoc D. A. to the office Assistants of Schools from 1st April 1967 to 28th February 1968.

(9) Withdrawal the policy of derecognition.

(10) Provincialisation of schools in the State of Assam.

(c)—The demand Nos. 2 to 8 and 10 are under consideration of the Government. As regards the demand No.1, financial assistance is generally provided to eligible teachers from the Notional Foundation for Teachers Welfare on the recommendation of the State Working Committee. The demand No 9 is a matter for the Board of Secondary Education to consider.

(d) The Chief Minister gave an assurance that the question of inclusion of more schools under the deficit system of grant in aid would be considered by the Government,

(e)—The matter is still under consideration.

শ্ৰীমনেশ্বৰ বৰো—এইটো Consider কৰোতে আৰু কিমান দিন লাগিব?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—কালি মই সদনত এই বিষয়ে বিবৃতি দিছিলো। আৰু কি ব্যৱস্থা গ্ৰহণ কৰা হব এই বিষয়ে মই সকলো কৈছোয়েই।

শ্ৰীমনেশ্বৰ বৰো—যিবিলাক স্কুল Deficit System-ত লোৱা হব সেই বিলাকৰ ভিতৰত Tribal Area বিলাকৰ কথা বিশেষ ভাবে বিবেচনা কৰিবনে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—গোস্বামী প্ৰতিবেদন মতে কিছুমান জিলাত এনে ধৰণৰ Deficit System-ৰ স্কুল আছে। তাৰ ভিতৰত কামৰূপত ১৯ খন বেচি আছে। আৰু কিছুমান জিলাত কম আছে আৰু কিছুমান জিলাত বেচি আছে। এই বেচি বিলাক কম কৰা আৰু কম বিলাক বেচি কৰাৰ কথা গোস্বামী প্ৰতিবেদন মতে বিবেচনা কৰি থকা হৈছে।

শ্ৰীমনেশ্বৰ বৰো—গোস্বামী প্ৰতিবেদনৰ কামৰূপত বেচি আছে বুলি কৈছে। আৰু Town এৰিয়াত নিশ্চয় বেচি আছে। কিন্তু মোৰ সমষ্টিত তামুলপুৰ অঞ্চলত যোৱা ২৪ বছৰৰ ভিতৰত মাত্ৰ দুখনহে হৈছে। এই কথা চৰকাৰে জানে নে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—আমি এই বিষয়ে কিছুমান বেলেগ আঁচনি লৈছো আৰু সেই আঁচনি Planning Commission-লৈ পঠোৱা হৈছে যে যি বিলাক Regionally Imbalanced Area আছে সেই বিলাকৰ উন্নতি কৰিব লাগে। আৰু যদি Planning Commission-এ clearance দিয়ে তেতিয়া হ'লে বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীমনেশ্বৰ বৰো—এধক গ্ৰাণ্ট পোৱা স্কুল আৰু Deficit System-ৰ স্কুল বিলাক ভেনচাৰ স্কুল নেকি?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—এধক গ্ৰান্তৰ স্কুল বিলাক ভেনচাৰ স্কুল।

শ্ৰীহীৰালাল পাটোৱাৰী—মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে গোস্বামী আয়োগে Report দাখিল কৰিছে। এই Report-ত যিবিলাক কামৰূপৰ Deficit System-ৰ স্কুলৰ কথা কৈছে সেইবিলাকৰ সৰহ ভাগেই গুৱাহাটী টাউনত পৰে। গতিকে আববান আৰু ৰুৰেল এৰিয়া এই দুটা বেলেগে বিবেচনা কৰি ক'ত ক'ত আছে আৰু ক'ত ক'ত নাই এই চৰকাৰে চাবনে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যিবিলাক অনগ্ৰসৰ অঞ্চল সেই বিলাকৰ কথা Planning Commission-এ আমাৰ আঁচনি অনুমোদন কৰিলে বিবেচনা কৰা হ'ব।

শ্ৰীমতিলাল কানু—স্যাৰ, আমাৰ পাথাৰকন্দি এলাকাও একটাও Deficit Grant পাওয়া High School নাই। এই সম্বন্ধে মুখ্যমন্ত্ৰী মহোদয় বিবেচনা কৰবেন কি?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—কাচাৰ জিলাত যিমান হ'ব লাগে তাতকৈ বেচি আছে। কিন্তু কোনো কোনো অঞ্চল যদি অনগ্ৰসৰ হয় তেতিয়া হ'লে সেইটো বিবেচনা কৰিব পৰা যায়—যদি Planning Commission-এ Clearance দিয়ে।

শ্ৰীমতিলাল কানু—স্যাৰ, অনগ্ৰসৰেৰ কথা নয়। আমাৰ পাথাৰকন্দিতে একটাও Deficit Grant পাওয়া High School নাই।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—কেৱল পাথাৰকন্দিতেই নহয় এনেকুৱা বহুতো ঠাই আছে য'ত এনেকুৱা হৈ আছে। চিদলী অঞ্চলটো এনেকুৱা হৈছে

### Re : New Court Building in Sibsagar

Shri Promode Chandra Gogoi asked :

*263. Will the Minister-in-charge of Revenue be pleased to state—

(a) Whether it is a fact that the Chief Minister of Assam gave and assurance in the House that provision for construction of a new Court Building in Sibsagar will be made in the Budget for the year 1971-72 ?

(b) If so, steps taken by the Government to implement the said assurance ?

Shri Biswadev Sarma (Minister, Revenue) replied—

263. (a)—Yes.

(b)—A sum of Rs. 5 lakhs has been provided during the current financial year for the purpose. Necessary action in being taken to implement the scheme.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—মন্ত্ৰী মহোদয়ে কৈছে যে এইবছৰ ৫ লাখ টকা কাম আৰম্ভণীৰ কাৰণে ধৰা হৈছে। মই জানিব খুজিছো এইকেইটি বিলডিং নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ হ'ব।

শ্ৰীবিশ্বদেব শৰ্মা—P. W. D.-ক টকা দিয়া হৈছে। গতিকে P. W. D.-এ সোনকালে এই বছৰতে কাম আৰম্ভ কৰিব।

### Re : Murder of a Woman at Lawngtlai

Shri Lalchunga Chinzah asked :

*264. Will the Chief Minister be pleased to state—

(a) Whether it is fact that in March, 1970 a woman was murdered at the out-skirts of Lawngtli group centre under deplorable circumstances ?

(b) Whether it is a fact that the murderer has not been traced out so far ?

(c) Whether suspected persons indentified by the aggrieved were released without due enquiry and regular process of law ?

(d) Whether it is a fact that a general public disappointment was caused because of failure on the part of the Police to apprehend the murderer ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

264. (a)—On 9th March 1970 afternoon, the dead body of Shrimati Lengtluaii was found at a distance of one and a half mile from Lawangtlai on Lawngtlai-Saiha Road. It was suspected to be a case of murder.

(b) (&) (c)—Three persons has been arrested on mere suspicion from the statements given by the different witnesses. They have subsequently been released on bail as no sufficient evidence could be found against them.

(d)—Vigorous open and confidential enquiry by Police are still going on and no question of failure of Police in investigation, therefore, arises.

Shri Lalchunga Chinza—Sir, this was suspected to be a case of rape with murder. As there was no Police force there, the young men of the locality organised themselves to identify and apprehend the murderer. The three suspected persons include one who actually was in company with the girl on that particular morning, Therefore, was it not a fact that after they were released on bail, no active enquiry was taken up by the Police ?

Shri Mahendra Mohan Choudhury,—Sir, proper action was taken to investigate into the case and it was taken up by Saiha Police and also supervised by the D. S. P. The Security force have also conducted enquiry and the Armed Police have also been engaged for detection of the culprits ; but no proof could be found out. Regarding allegation of rape, from the Police report we found no evidence about it.

Shri Dulal Chandra Barua—Sir, regarding such serious cases many times there were complaints from that area. So, will the Government consider it proper to institute enquiry by the High Officials

to investigate into such cases submit report to the Government ?

Shri Mahendra Mohan Choudhury—Sir, that can be done.

Shri Lalchunga Chinza—Sir is it a fact that the aggrieved party have been given a chance to prove their ground of suspicion ?

Shri Mahendra Mohan Choudhury.—Sir, this is under investigation and investigation is progressing and witnesses to give evidence, I think, they will be called in.

Shri Lalchunga Chinzah—Sri, how can they be released on bail by the authority on mere reconmendation by certain local political leaders without hearing the aggrieved party ?

Shri Mahendra Mohan Choudhury,—Sir, I have already replied that no sufficient evidence could be found against these persons and on that ground the Magistrate released the persons on bail, but still they are under investigation.

## Re : Hire of Bedford Truck

M. Shamsul Huda asked :

*265. Will the Minister-in charge of Public Works Department ( Roads and Buildings ) be pleased to State—

(a) Whether it is a fact that the P. W. D. ( R. and B. ), Nowgong East hired old Bedford No. ASW-1606 from the Shri Maijul Haque Mazumder of Doboka, Nowgong under the accepted quotation No. 3669 of 17th July 1970 ?

(b) If so, the hire charge of the vehicle per day paid to the owner ?

(c) The total amount of rent paid to the owner of the vehicle ?

(d) Total mileage covered by the vehicle during that period ?

Shri Altaf Hossain Mazumder [ Minister, Public Works Department ( Roads and Buildings ) ] replied :

265. (a)—A Truck ( Bed Ford ) No. ASW-1606 owned by one Shri

Moniul Haque Mazumder of Doboka, Nowgong District was hired by the S. D. O., P. W. D. ( R. and B. ), Nowgong East Subdivison on the basis of the quotation accepted by him on competitive basis.

(b)—The hire charge of the vehicle per day was fixed at Rs. 145·00 only ( without fuel ).

(c)—No payment has been made for hiring of the truck as yet.

(d)—The truck was hired from 27th October 1970 to 29th October 1970 and from 2nd November 1970 to 11th November 1970 ( excluding 8th November 1970 ). Total distance covered by the vehicle during these 12 days of hire is 1,304 kilometres.

M. Shamsul Huda—অধ্যক্ষ মহোদয়, এই যে, নগাওঁ জিলাত ডিজেল আৰু পেট্ৰলৰ ভাল গাড়ী থকা স্বত্বেও কিয় পুৰণা Bed-Ford গাড়ীখন টেণ্ডাৰ কল কৰি অনা হৈছিল ?

Shri Altaf Hossain Mazumdar—Sir, what I find from the information with me is that this has been done on the basis of competition because we want quotations.

M. Shamsul Huda—Sir, what is the number of trucks that have been received by the S. D. O. ?

Shri Altaf Hossain Mazumdar—Those details are not available with me at present.

M. Shamsul Huda—P. W. D.-ৰ চিডিউল মতে P. W. D.-ৰ এখন ট্ৰাকত কিমান টকা দিব পাৰে ?

As the Minister has told that the trucks were taken on the basis of quotation on competitive basis, may I know whether it is a fact that this as per schedule of the P. W. D. ?

Shri Altaf Hossain Mazumder—Sir, that I cannot say as the details are not available with me.

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয়, এই ট্ৰাকৰ মালিকজনে যি বছৰত এই ট্ৰাক আনিছিল সেই বছৰত 'মটৰ ভেহিকল'ৰ যি Tax দিব লাগে সেই Tax আদায় কৰাৰ Certificate আদায় কৰিছে নেকি ?

Shri Altaf Hossain Mazumder—Those particulars are not with me. However, that will be looked into.

M. Shamsul Huda—যিখন পুৰণা Bed-Ford গাড়ী আনিছিল সেইখন বোলে দিনৰ ১১ বজালৈ প্ৰত্যেক দিনে ঠেলিব লাগে এইটো কথা সঁচানে ?

Shri Altaf Hossain Mazumder—I cannot say. It it on the basis of certain information that has been furnished that I found that the trucks run 1430 K. M.

M. Shamsul Huda—এই বিলখনৰ Payment-ৰ কাৰণে Held-up হৈ থকাটো সঁচানে ? যদি Held-up হৈ আছিল কি কাৰণে আছিল ?

Shri Altaf Hossain Mazumder—Sir, this is already held-up ; but it appears from the information we have received, payment has not been made.

M. Giasuddin Ahmed—প্ৰশ্ন কৰ্তাই এটা কথা কৈছে যে ১১ বজালৈকে গাড়ী ঠেলি থাকিব লাগে। মন্ত্ৰী মহোদয়ে জনাবনে যে এই ঠেলা-ঠেলি কৰোতে কিমান টকা খৰচ কৰিছে ?

Shri Altaf Hossain Mazumder—Sir, as I have already said it is not possible for me to say on this at present.

## কলিয়াবৰৰ মাৰ্কেটিং চছাইটিৰ হিচাব পৰীক্ষা

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*২৬৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অলপতে কলিয়াবৰৰ মাৰ্কেটিং চছাইটিৰ হিচাব-পত্ৰ চৰকাৰী

হিচাব পৰীক্ষকে পৰীক্ষা কৰাটো সত্য নে আৰু যদিহে সঁচা, উক্ত অডিট ৰিপোৰ্ট সদনৰ মেজত ৰখা হ'ব নে?

(খ) এই কথা সঁচা নে যে উক্ত কলিয়াবৰ মাৰ্কেটিং চছাইটিৰ সভাপতিজনে নিজা গাড়ী নথকাকৈয়ে গাড়ীৰ নম্বৰ দি চেণ্ট্ৰেল ক'অপাৰেটিভ বেংকৰ পৰা ভ্ৰমণ-বানচ আদায় কৰে?

(গ) এই কথা সঁচা নে, উক্ত মাৰ্কেটিং চছাইটিৰ সভাপতিজন কলিযাবৰ আঞ্চলিক পঞ্চায়তৰো সভাপতি আৰু একেদিনতে তেওঁ দুটা'ক ভ্ৰমণ-বানচ আদায় কৰে?

(ঘ) এই বিষয়ে এটি তদন্ত কৰি তদন্তৰ ফলাফল সদনত জনোৱা হ'ব নে?

সমবায় বিভাগৰ উপমন্ত্ৰী শ্ৰীগোলোক চন্দ্ৰ পাটগিৰিয়ে উত্তৰ দিছে :

২৬৬। (ক)—হ'ব, ১৯৬৯-৭০ চনৰ কলিয়াবৰ মাৰ্কেটিং চছাইটিৰ বছৰেকীয়া হিচাব পৰীক্ষাৰ কাম হাতত লোৱা হ'ব। কিন্তু হিচাব পৰীক্ষা চলি আছে সেই হেতুকে অডিট ৰিপোৰ্ট চূড়ান্তভাবে তৈয়াৰ কৰিব পৰা নাই। গতিকে সদনত দিব পৰা নগ'ল।

(খ)—এই কথা সঁচা নহয়।

(গ —এই কথা সঁচা যে, উক্ত কলিয়াবৰ মাৰ্কেটিঙৰ সভাপতিজন কলিয়াবৰ আঞ্চলিক পঞ্চায়তৰো সভাপতি। কিন্তু একে দিনতে দুটা ভ্ৰমণ-বানচ লোৱাটো আমাৰ জনা মতে সঁচা নহয়।

(ঘ)—এই কথা নুঠে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে Audit শেষ হোৱা নাই বুলি কৈছে কিন্তু Audit Report দাখিল কৰাৰ পাছত শ্ৰীপুষ্প কান্ত খাউণ্ড আৰু শ্ৰীপ্ৰকাশ বৰদলৈক কলিয়াবৰ মাৰ্কেটিং চছাইটিৰ মিটিঙত Audit Report পৰীক্ষা কৰিবৰ কাৰণে নিয়োগ কৰা কথাটো সঁচানে?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—১৯৬৮-৬৯ চনৰ Audit Report-ৰ Balance Sheet-ত আসোঁৱাহ থকা বাবে এইটো তৈয়াৰ কৰিব পৰা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—আমি জনাত Audit Report দাখিল কৰিছে আৰু কলিয়াবৰৰ মাৰ্কেটিং চছাইটিৰ সাধাৰণ সভাত শ্ৰীপুষ্প কান্ত দাস

আৰু শ্ৰীপ্ৰকাশ ববদলৈক Audit Report পৰীক্ষা কৰিবৰ কাৰণে নিয়োগ কৰা কথাটো সঁচা হয়নে নহয় ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—সেই সম্পৰ্কত যে শ্ৰীপ্ৰকাশ ববদলৈ আৰু শ্ৰীপুষ্প কান্ত দাসে হিচাব কৰাৰ কোনো Report নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—এই কলিয়াবৰ মাৰ্কেটিং চছাইটিৰ যিখন Report ইতিমধ্যে দাখিল হৈছে তাত বহুতো বেমেজালী আছে। ইয়াৰোপৰি কলিয়াবৰৰ মাৰ্কেটিং চছাইটিৰ সভাপতি জনক ৰক্ষা কৰিবৰ কাৰণেই পুষ্পকান্ত দাস আৰু প্ৰকাশ ববদলৈক Report পৰীক্ষা কৰিবলৈ দিয়া হৈছে। এই কথা মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিবনে ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—এই বিষয়ে কিবা সন্দেহ থাকিলে অনুসন্ধান কৰা হ'ব।

ডাঃ সুৰেন্দ্ৰ নাথ দাস—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'খ'ৰ উত্তৰত কৈছে যে, সঁচা নহয়—গাড়ী নথকাটো সঁচা নহয়, নে বানচ লোৱাটো সঁচা নহয় ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—দুয়োটা সঁচা নহয়।

ডাঃ সুৰেন্দ্ৰ নাথ দাস—গাড়ী নথকাটো সঁচা নহয় নে, ভ্ৰমণ বানচ লোৱাটো সঁচা নহয় ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—ভ্ৰমণ বানচ লোৱাটোও সঁচা নহয়, গাড়ীৰ নম্বৰ বেলেগকৈ দিয়াটোও সঁচা নহয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—Central Co-operative Bank-ৰ পৰা যি অভিযোগ আহিছে যে মানুহজনে নিজৰ গাড়ী বুলি ভ্ৰমণ বানচ লৈছে—সেইটো চৰকাৰে অনুসন্ধান কৰিব নে ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—এই সম্পৰ্কত যিটো আমি দেখিছো Central Bank-ৰ Member হিচাবে D. T. O. বিভাগৰ অফিচাৰে যি বানচ পাই সেই হিচাবে তেখেতে ভ্ৰমণ বানচ গ্ৰহণ কৰিছে। তেখেতে কোনো গাড়ী বা Taxi-ৰ No বদলি কৰি আদায় কৰা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী বানচ লৈছে বুলি Central Bank-ৰ পৰা Detect কৰিছে আৰু দৰমহাৰ পৰা T. A.-ৰ টকা কাটিছে সেইটো চৰকাৰে জানেনে ?

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি—সেই বিষয়ে নাজানো তদন্ত কৰি চাম ।

**Re : Change of the River Bed at the Kaladan**

Shri Lalchunga Chinzah asked :

*267 Will the Minister-in-charge of Power ( Electricity ) be pleased to State—

(a) Whether Government is aware that at a point east of Vawmbuk village, the river Kaladan reversed its course for some time in January this year owing to a dangerous upheaval of the ground below the water bed preceded by an undergrouud sound.

(b)—If so, whether Government propose to investigate for any possible danger of a volcanic eruption in the region ?

Shri Biswadev Sarma [ Minister, Power ( Electricity ), etc. ] replied :

267. (a) & (b)—Local enquiry was made into the matter and no such incident was reported by anyone.

Shri Lalchunga Chinzah—Sir the purpose of this question was to ascertain if there was any imminent danger to the people living there. Vaumbuk is a village sitting only three miles from the Burmese border. A party of jhumbers including Mr. Thairhaia from this village were cutting jhums on the river side. Suddenly they heard a great underground sound rumbling away and when they turned they saw the river water foaming and swelling so much so that the upper portion was reversing its course flowing up while the lower portion was in its natural course. These people were so afraid that they had to abandon their jhums. Although the river subsided after some time, the occurence could not be caused by any movement of silting in the river bed and the river is such big enough

to allow such a movement. Therefore, the only possible cause seems to be a near explotion. Will the Government be pleased to investigate to see if such a danger exists ?

Shri Biswadev Sarma,—Sir, we have requested the Geological Survey of India to enquire into the matter immediately.

## তিনিচুকীয়া শিক্ষা বোৰ্ড

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*২৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) তিনিচুকীয়া শিক্ষা বোৰ্ডখন গঠন কৰিলে নে ?

(খ) যদি কৰিলে, তাৰ সভ্যসকলৰ নাম ও ঠিকনা দিব ?

(গ) গঠন কৰিবৰ দিনৰে পৰা এই বোৰ্ডৰ কেইখন অধিবেশন বহিলে জনাব ?

ৰাজ্যিক শিক্ষামন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ গোস্বামীয়ে উত্তৰ দিছে :

২৬৮। (ক)—হয়, কৰা হৈছে।

(খ)—সভ্যসকলৰ নাম ও ঠিকনা তলত দিয়া হ'ল—

(১) শ্ৰীযদুনাথ ভূঞা, বিধান সভাৰ সদস্য, তিনিচুকীয়া—সভাপতি।

(২) ডেপুটী স্কুল পৰিদৰ্শক, তিনিচুকীয়া—সচিব ( Ex-officio )।

(৩) জ্যেষ্ঠ স্কুল নিম্ন পৰিদৰ্শকৰ, তিনিচুকীয়া—যুটীয়া সচিব (Ex-officio)।

(৪) শ্ৰীভদ্ৰকান্ত গগৈ, বিধান সভাৰ সদস্য, জয়পুৰ - সভ্য।

(৫) শ্ৰীৰাজ্যমল ডেকা, সভাপতি, কাকপথাৰ আঞ্চলিক পঞ্চায়ত (শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকাৰ মনোনীত সদস্য)—সভ্য।

(৬) শ্ৰীমলিয়া তান্তি, বিধান সভাৰ সদস্য—সভ্য।

(৭) শ্ৰীকমলেশ্বৰ দত্ত, Head Pandit, Model Primary School, Tinsukia ( শ্ৰীপৰমানন্দ গগৈৰ মনোনীত সদস্য)—সভ্য।

(৮) শ্ৰীউপেন্দ্ৰ নাথ সনাতন, বিধান সভাৰ সদস্য—সভ্য।

(৯) শ্ৰীমাণিক চন্দ্ৰ দাস, বিধান সভাৰ সদস্য—সভ্য।

(১০) শ্রীদেবেন্দ্র নাথ বৰুৱা, প্ৰেচিডেণ্ট, সদিয়া আঞ্চলিক পঞ্চায়ত, চপাখোৱা—সভ্য।

(১১) শ্রীমহেশ্বৰ নেওগ, President, হাপজান আঞ্চলিক পঞ্চায়ত, মাকুম জং—সভ্য।

(১২) শ্রীগিৰীশ মৰাণ, H. M., Doom Dooma High School, Doom Dooma—সভ্য।

(১৩) শ্রীচন্দ্রেশ্বৰ বুঢ়াগোহাঁই, সদিয়া—সভ্য।

(১৪) শ্রীকৃষ্ণানন্দ গোস্বামী, মাৰ্ঘেৰিটা—সভ্য।

(১৫) শ্রীমতী নিৰ্ম্মলা বৰুৱা, President, Mahila Samity, Tinsukia—সভ্য।

(১৬) শ্রীবি, দাসগুপ্ত, Member, Tinsukia Municipality—সভ্য।

(গ)—গঠন কৰাৰ পৰা এই বোৰ্ডৰ দুখন অধিবেশন বহিছে।

শ্রীভদ্রেশ্বৰ গগৈ—অধ্যক্ষ মহোদয় যি সকল M. L. A.-ক এই Board-ৰ সভ্য নিযুক্ত কৰা হ'ল তেখেত সকলক কি ভিত্তিত নিযুক্ত কৰিলে?

শ্রীশৰৎ চন্দ্র গোস্বামী—M. L. A. সকল তেওঁলোকৰ Constituency-ৰ Board-ৰ Member হ'ব পাৰে।

শ্রীঅতুল চন্দ্র গোস্বামী—তেনেহ'লে মাননীয় সদস্য ভদ্ৰকান্ত গগৈ আৰু মাননীয়া সদস্যা লিলি সেনগুপ্তক কিয় বাদ দিয়া হ'ল?

শ্রীশৰৎ চন্দ্র গোস্বামী—ভুলক্ৰমে বাদ পৰি যাব পাৰে।

শ্রীভদ্ৰকান্ত গগৈ—বাদ পৰাৰ কাৰণ কি?

( No Reply )

শ্রীভদ্ৰকান্ত গগৈ—কেৱল দুজন M. L. A. বাদ পৰাৰ কাৰণ কি?

শ্রীশৰৎ চন্দ্র গোস্বামী—ভুলক্ৰমে বাদ পৰি যাব পাৰে।

শ্রীঅতুল চন্দ্র গোস্বামী—এজন M. L. A.-ৰ Contituencyৰ অংশ মৰিগাওঁ আৰু নগাওঁ দুয়ো ঠাইতে থাকিব পাৰে। সেই মতে তেওঁ দুয়োখন ঠাইৰে সভ্য হ'ব লাগে। এনে ক্ষেত্ৰত এই দুগৰাকী সদস্য কিয় বাদ পৰিল?

আৰু যিহেতু এওঁলোক দুজন সদস্য নাই—এতেকে সেই সভাৰ হৈ যোৱা বৈঠক দুখনৰ সিদ্ধান্ত Irregular আৰু বে-আইনী বুলি ঘোষণা কৰিব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী—সভ্য দুজন নোহোৱা বাবে সভাখন বে-আইনী হ'ব নোৱাৰে। নাম নোহোৱা কথাটো চাম।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—এই সভ্য দুজনৰ অনুপস্থিতিত সেই সভাত যি সিদ্ধান্ত লোৱা হৈছিল সেই সিদ্ধান্তত সভ্য দুজনে মাত মাতিব পৰা নাছিল। গতিকে সেই সিদ্ধান্ত বিলাক কাৰ্য্যকৰী কৰিব নোৱাৰে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—চাৰ, দুজন সদস্যক সভ্য পদত লোৱা নহ'ল বাবে সেই সভাৰ সিদ্ধান্ত বিলাক কাৰ্য্যকৰী নোহোৱাকৈ থাকিব নোৱাৰে। আমাৰ ৰাজ্যিক মন্ত্ৰীয়ে কৈছে যে ভুলক্ৰমে থাকি যাব পাৰে গতিকে সেইটো শুধৰাই লব। সদস্য দুগৰাকীৰ নামো সোমাই লোৱা হ'ব। তাৰ বাবে আজিৰ সভাৰ সিদ্ধান্ত কাৰ্য্যকৰী নোহোৱাকৈ থাকিব নোৱাৰে।

শ্ৰীহীৰালাল পাটোৱাৰী—শিক্ষামন্ত্ৰী ডাঙৰীয়াই ভুলক্ৰমে বাদ পৰিছে বুলি কৈছে। কিন্তু অসম Elementary Education আইনত আছে স্পষ্টভাৱে যে M.L.A. will be the Member. M. L. A. হৈ থকা সময়লৈকে তেওঁৰ Membership থাকিব। যদি এই ক্ষেত্ৰত কোনো সদস্যই High Cuort কৰে তেনেহ'লে কি কৰিব? গতিকে এতিয়া এই দুয়োগৰাকী সদস্যক লৈ বোৰ্ডখন নতুনকৈ Regularise কৰিবনে?

Shri Joy Bhadra Hagjer—Sir, may I speak? M.L.As cannot be left out, they must be somewhere but the difficulty was where in they fall in; that was the difficulty. They cannot be left out.

Shri Dulal Chandra Barua—If they cannot be left out as per provision of the Act then those decisions which have been taken by the Board cannot be valid on legal grounds. Therefore, this Act itself has said that all

the M. L. As by virtue of their officer are Members of the regianal biord. All these members baord were left out and the validity of that Board cannot stand.

Shri Mahendra Mohan Choudhury ( Chief Minister )—This is a legal question. Therefore, the legality will be examined by our L/R.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—অধ্যক্ষ মহোদয়, এতিয়া মুখ্যমন্ত্ৰীয়ে কৈছে L. R.-এ বিবেচনা কৰিব। পিছে সেইটো নহয়। এই বিধান সভাতে Elementry Education Act পাচ কৰা হ'ল আৰু সেই আইন মতে সকলো বিধান সভাৰ সদস্য Regional Board-ৰ মেম্বাৰ। কিন্তু বৰ্ডখন গঠন কৰোতে সেই আইনৰ ধাৰাকে চৰকাৰে ভঙ্গ কৰিছে আৰু দুজন সদস্যক বাদদি গৈছে। সেইটো কিয় হ'ল? বা হ'বলৈ পালে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যি কোনো কাৰণতেই দুজন সদস্য বাদ পৰিল। তেওঁলোক নোহোৱাকৈ যিবিলাক সিদ্ধান্ত লোৱা হ'ল সেইবিলাক আইনসিদ্ধ হয়নে নহয় L. R.-এ পৰীক্ষা কৰি চাব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—মুখ্যমন্ত্ৰীৰ কথা গ্ৰহণ কৰিব নোৱাৰি। আইন মতেই বিধান সভাৰ সকলো সদস্য বৰ্ডৰ মেম্বাৰ হ'ব। যেতিয়া দুজন সদস্য বাদ পৰি গ'ল। তেনেহ'লে সেই বৰ্ডৰ সিদ্ধান্ত কেনেকৈ আইনসিদ্ধ হ'ব। তাক L. R.-এ Verify কৰাৰ কোনো আৱশ্যক নাই বা কিয় কৰিব?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যি কোনো কাৰণতেই দুজন সদস্যৰ নাম বাদ পৰি গ'ল। কিন্তু বৰ্ডখন যে গঠন হ'ল সেইটো Fail accompli। সেই দুজন সদস্য নোহোৱাকৈ যিবিলাক সিদ্ধান্ত লোৱা হ'ল সেই বিলাক L.R-এ পৰীক্ষা কৰিব আৰু যদি নাকচ কৰিব লাগে তেনেহ'লে কৰিম।

শ্ৰীমতী লিলি সেনগুপ্ত—তিনিচুকীয়া বৰ্ডৰ পৰা যি দুজন সদস্য বাদ পৰিল তাৰ ভিতৰত ময়ো এজন। ৰাইজৰ প্ৰতিনিধি হিচাপে মোৰ সমষ্টিৰ যি দুটা মৌজা তাৰ এটাৰ কাম তিনিচুকীয়াৰ পৰা হয়। কিন্তু ৰহমৰীয়া মৌজাৰ কামবোৰ ডিব্ৰুগড়ৰ পৰা কৰা হয়। সেই মৌজাৰ Grant আদি তিনিচুকীয়ালৈ গ'লে D. I.-এ দিবলৈ অসুবিধা হয়। কিন্তু বৰ্ডৰ মেম্বাৰ নোহোৱাত মোৰ কোনো আপত্তি নাই।

( চিঞৰ-বাখৰ )

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—আমাৰ প্ৰশ্ন হৈছে এই বিধান সভায় পাচ কৰা Elementary Education Act মতে তিনিচুকীয়া বৰ্ডখন গঠন হোৱা নাই। দুজন M. L. A. সদস্য নোহোৱাকৈয়ে সভাপতি আৰু সম্পাদক নিৰ্বাচন হৈ গ'ল। এতিয়া সেই বৰ্ড নতুনকৈ গঠন কৰি সদস্য দুজনক কব লাগিব আকৌ নতুনকৈ সিদ্ধান্ত লব লাগিব।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সদস্য দুজন নিশ্চয় লোৱা হ'ব আৰু সিদ্ধান্ত বিলাকো যদি লব লাগে লোৱা হ'ব।

**Re: Science Classes in Abhayapuri College**

Shri Kandarpa Narayan Banikya asked :

*269. Will the Chief Minister be pleased to state—

(a) Whether Government is aware that there is necessity for opening Science Classes in the Abhayapuri College due to growing demand for such classes ?

(b) If so, when it will be started ?

(c) If not, why ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied:

269. (a)—Government would welcome starting a Science College but Government cannot take initiative. It is for the people of Abhayapuri to take the initiative.

(b) & (c)—Does not arise in view of the reply above

**Re: Members of the Assam Finance Service**

Md. Matlebuddin asked.

*270. Will the Minister-in-charge of Finance be pleased to state—

(a) Whether the members of the Assam Finance Service are transferable ?

(b) Whether it is a fact that some members have not been transferred since their appointment ?

(c) Whether it is a fact that some of the senior members have been posted to work under their juniors ?

(d) Whether it is a fact that some under-qualified members who have not been approved by the Assam Public Service Commission have been posted in District Treasuries whereas senior qualified members have been posted in a Sub-Treasury and Subdivisional Treasury ?

Shri Kamakhya Prasad Tripathi (Minister, Finance) replied-

270. (a)—Yes.

(b)—Only one member has been retained in his original appointment since 1961 in the interest of public service.

(c)—No.

(d)—At present there are two officers appointed under Regulation 4(d) of the Assam Public Service Commission (Limitation of Functions) Regulations, 1951 who are working as Treasury Officers.

### গেৰগেৰী আৰু খৰখৰী ৰাস্তা

শ্ৰীমহীধৰ পেগুৱে সুধিছে :

*২৭১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মাজুলীৰ কমলাবাৰী আৰু শালমাৰা মৌজাৰ দ্বিতীয় কিন্তু আংশিক (মাত্ৰ কমলাবাৰীৰ পৰা শালমাৰালৈ) সংযোগ-পথ মাজুলী ৰাস্তাৰ গেৰগেৰী আৰু খৰখৰী নামৰ ছিগা দুটা কিমান দিনৰ পৰা নতুনকৈ অথবা দলং নোহোৱাকৈ আছে ?

(খ) এই বিষয়ে চৰকাৰ অৱগত নে যে উল্লেখিত ছিগা দুটা খোলা থকাৰ বাবে কমলাবাৰীত থকা মাজুলীৰ একমাত্ৰ কলেজ তাত থকা হাইস্কুল, থানা, চাৰ্কোল অফিচ, খণ্ড উন্নয়ন আৰু আঞ্চলিক পঞ্চায়ত অফিচ,

বান-নিয়ন্ত্রণ বিভাগৰ উপ-সংমণ্ডল, মাজুলী আঞ্চলিক প্ৰাথমিক শিক্ষা পৰিষদ আদিলৈ দৈনন্দিন অহা-যোৱা কৰি থকা শালমাৰা আৰু কমলাবাৰী মৌজাৰ অসংখ্য নৰ-নাৰীয়ে ৯ মাহ কাল যাতায়তত জীয়াতু ভোগিছে ?

(গ) যদি সেয়ে হয় তেন্তে অত বছৰে এই ছিগা দুটা নবন্ধুৱা বা দলং সাজি যাতায়াতৰ সুবিধা নকৰাৰ কাৰণ কি ?

গড়কাপ্তানি বিভাগৰ মন্ত্ৰী শ্ৰীআলতাফ হুছেইন মজুমদাৰে উত্তৰ দিছে :

২৭১। (ক)—গেৰগেৰী ছিগা—১৯৬৫ চনৰ পৰা। খৰখৰী ছিগা—১৯৬২ চনৰ পৰা।

(খ)—এই ছিগা দুটাত বাৰিষাকালত পাৰাপাৰৰ সুবিধাৰ বাবে প্ৰয়োজনীয়তা অনুসৰি গুটিয়া আৰু মাৰ নাওঁৰ ব্যৱস্থা কৰা হয়।

(গ)—এই ছিগা দুটা একেঠাইতে বাৰে বাৰে ভগা কাৰণে বানপানীৰ আচৰণ পৰীক্ষা কৰাৰ কাৰণে ৰখা হৈছিল। সম্প্ৰতি পৰীক্ষামূলকভাবে দুয়োটা ছিগাতেই Cause-way দিয়াৰ বাবে প্ৰস্তাৱ হাতত লোৱা হৈছে। Cause-way-ৰ যোজনা আৰু প্ৰশ্নখন পৰীক্ষাধীন হৈ আছে।

শ্ৰীমহীধৰ পেগু—এই সংযোগ পথটোত ছিগা দুটা থকাৰ কাৰণে প্ৰায় ৪০০ বৰ্গ মাইলৰ ভিতৰত থকা একমাত্ৰ কলেজখনলৈ অহা-যোৱা কৰা, হাইস্কুল, থানা, চাৰ্কোল অফিচ, খণ্ড উন্নয়ন আৰু বান নিয়ন্ত্ৰণ অফিচ আৰু আঞ্চলিক পঞ্চায়ত অফিচলৈ অহা-যোৱা কৰোতে মানুহবিলাক এতিয়া নতুন পিয়ল মতে ডেৰলাখ মানুহ জীয়াতু ভোগা নাইনে ? তাৰ উপযুক্ত সমিধান কি ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—প্ৰতি বছৰে ছিগি থকাৰ কাৰণে তাত পানীৰ গতি-বেগ পৰীক্ষা কৰা হৈছে আৰু সম্ভৱ হ'লে Submerged sub-way দিয়া হ'ব।

শ্ৰীমহীধৰ পেগু—যোৱা কেইবছৰে আমাৰ মাৰনাও বিলাক কেৱল September মাহতহে দিয়া হৈছে অথচ গোটেই বাৰিষা কালটোৱেই মানুহ কষ্টত জুৰুলা হয়। এই বিলাক পৰিদৰ্শন কৰিবলৈ যিবিলাক বিষয়া যায় তেওঁলোকে সুকীয়া মাৰনাওঁ লৈ যাবলগীয়া হয় এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—এতিয়ালৈকে কৰা হোৱা নাই, মাননীয় সদস্যই যেতিয়া কৈছে এই বিষয়ে চাম।

শ্ৰীমহীধৰ পেগু—কিন্তু কাঠৰ সৰু দলং নিৰ্মাণ কৰাতনো কি অসুবিধা থাকিব পাৰে।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—ইয়াত এতিয়ালৈকে দেখা গৈছে পানীৰ গতিবেগ সঘনে পৰিবৰ্ত্তন হৈ থকাৰ কাৰণে পৰীক্ষা কৰি থকা হৈছে আৰু ইতিমধ্যে Sub-merged Sub-way দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—গতিবেগ পৰিবৰ্তন হৈ থকাৰ কাৰণে অসুবিধা হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো অসুবিধা হৈ থকাৰ পিছতো পৰীক্ষা কৰি থাকোতে আৰু কিমান দিননো লাগিব? আৰু এইবিলাক কৰি থাকোতে চৰকাৰৰ বহুত টকা-পইচা খৰচ হৈছে।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—এইবিলাক কথা বিবেচনা কৰিয়েই Sub-merged Sub-way দিয়াৰ ব্যৱস্থা কৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—Repairing work বাৰিষাৰ সময়ত কৰাৰ বাবে দলং বিলাক মাটিত লেপেট খাই নধৰাৰ ফলত যেনেতেনিয়ে ভাঙি-চিঙি টকা-পইচা অযথা খৰচ হয়।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—তেনে খৰচ মই পোৱা নাই।

শ্ৰীমহীধৰ পেগু—১৯৫৮ চনতে গেৰগেৰী দলংখনৰ Construction হৈ গ'ল কিন্তু Payment হোৱাৰ পাছ দিনাই দলংখন ভাঙি গ'ল এই কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ—মই মাননীয় সদস্যজনৰ কথাটো মানি লবলৈ টান পাইছো।

## কাঠৰ মহল

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে:

*২৭২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে--

(ক) ডিগবৈ বন-সংমণ্ডলৰ অধীনত কাঠৰ মহল (coupe) কেইটা আছে?

(খ) উক্ত বন-সংমণ্ডৰ সেই কাঠৰ মহলবোৰ ১৯৭০-৭১ চনৰ বাবে কাৰ নামত বন্দবস্তি দিয়া হ'ল, তেওঁলোকৰ নাম-ঠিকনা সহ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰীয়ে উত্তৰ দিছে ঃ

২৭২। (ক)—ডিগবৈ বন-সংমণ্ডলৰ অধীনত ১৪৭ টা কাঠৰ মহল ১৯৭০-৭১ চনৰ কাৰণে বন্দৱস্তি দিয়া হৈছে।

(খ)—উপৰোক্ত কাঠৰ মহলবোৰ ১৯৭০-৭১ চনৰ বাবে যিবিলাক লোকৰ নামত বন্দৱস্তি দিয়া হৈছে তেওঁলোকৰ নাম আৰু ঠিকনা সদনৰ মেজত ৰখা হৈছে।

### Re: Dergaon Veterinary Hospital

Shri Narendra Nath Sarma asked:

*273. Will the Minister-in-charge of Veterinary be pleased to state—

(a) Whether the Government received a representation from the Dergaon Public and Anchalik Panchayat to up-grade the Dergaon Veterinary Hospital ?

(b) Whether it is a fact that this Veterinary Hospital served several Mouzas specially the northern region of Golaghat Subdivision and the floodaffected area of Dergaon and Missamora Mouza inhabited by scheduled caste and scheduled tribe people ?

(c) Whether the Government propose to take immediate steps to up-grade the hospital ?

Shri Prabin Kumar Choudhury (Minister, Veterinary) replied:

273. (a)—Yes. A letter was received from Shri Naren Sarma, M. L. A., to up-grade the Dergaon Veterinary Dispensary.

(b)—Yes.

(c)—No such proposal at present.

### ৱাক্স লাইচেন্স

শ্ৰীলক্ষ্যধৰ চৌধুৰীয়ে সুধিছে ঃ

*২৭৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ১৯৭০ চনৰ ডিচেম্বৰৰ পৰা ১৯৭১ চনৰ মাৰ্চলৈকে ৱাক্স (Wax) লাইচেন্স কিমান দিয়া হৈছে?

(খ) সেইবোৰ ফাৰ্মৰ নাম কি আৰু তাৰ মালিকসকলৰ নাম কি কি?

(গ) এইবোৰ ওৱাক্সৰ ব্যৱহাৰ সম্পৰ্কে চৰকাৰে কিবা জানে নে?

উদ্যোগ বিভাগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই উত্তৰ দিছে :

২৭৪। (ক)—উক্ত সময়ছোৱাত মুঠ ১১৬ টা গোটক বিভিন্ন পৰিমাণৰ ওৱাক্স লাইচেন্স দিয়া হৈছে।

(খ) এখ তালিকা সদনৰ মেজত থোৱা হৈছে।

(গ)—হয়, জানে। লাইচেন্স দিয়াৰ লগে লগে গোটবোৰে লোৱা ওৱাক্স প্ৰকৃত ব্যৱহাৰ কৰে নে নকৰে তাৰ প্ৰতি নজৰ ৰাখিবলৈ জিলা উদ্যোগ বিষয়াক নিৰ্দেশ দিয়া আছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, মই 'খ'ৰ প্ৰশ্নৰ উত্তৰত আৰু এটা উত্তৰত প্ৰশ্ন কৰিব বিচাৰিছো যে কিছুমান Farm-ত কিছুমান লোকে Licence পাইছে তেওঁলোকৰ কোনো কাৰখানাও নাই অথচ তেওঁলোকে Wax বিলাক ব্যৱহাৰ কৰা নাই। অথচ যি List দিছে তাত এই সকলৰ নাম আছে। এইবিলাক মানুহক দিয়াৰ কাৰণে যিসকলে প্ৰকৃততে Wax-খিনি কামত লগাব পাৰে সেই সকল বঞ্চিত হৈছে।

শ্ৰীবিশ্বদেৱ শৰ্মা—Wax Controlled Commodity নহয় গতিকে আগতে যি সকলে AOC-ৰ লগত ব্যৱসায় কৰিছিল সেই সকলক পোনতে Licence দিয়া হৈছে তাৰ পাচত নতুনকৈ Register হোৱা Farm-ক Licence দিয়া হ'ব, কিন্তু যিবিলাকে এই Wax ব্যৱহাৰ কৰা নাই সেই সকলক Black Listed কৰা হ'ব, সেই সকলক Licence দিয়া নহ'ব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—Wax Licence লৈয়েই বহুতে টকাৰ আদান-প্ৰদান কৰিছে। এই ধৰণৰ Licence পোৱা মানুহে Licence বিক্ৰী কৰি টকা কৰিছে, এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীবিশ্বদেৱ শৰ্মা—আজি সদস্য গৰাকীয়ে যেতিয়া ক'লে নিশ্চয় অনুসন্ধান কৰা হ'ব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—১৯৭১ চনৰ February আৰু মাৰ্চ মাহৰ ভিতৰত কেইখন Permit দিয়া হৈছিল আৰু তেওঁলোকৰ নাম কি কি?

শ্ৰীবিশ্বদেৱ শৰ্মা—ইয়াৰ সম্পূৰ্ণ List Table-ত দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—মমৰ কি Licence দিয়া হয় আৰু তাৰ লগতে সূতাৰো Lisence দিয়া হয় নেকি ?

শ্ৰীবিশ্বদেৱ শৰ্মা—নহয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—এনেকুৱা সূতা বাহিৰৰ পৰা আহে নেকি ?

শ্ৰীবিশ্বদেৱ শৰ্মা—নানে।

শ্ৰীফণী বৰা—মমৰ কাৰবাৰ কৰা যিসকলে Quota পাই আৰু সেই Quota শতকৰা ৫।১০ ভাগহে ব্যৱহাৰ কৰে আৰু বাকী অংশৰ চোৰাং কাৰবাৰ কৰে। চৰকাৰে ইয়াৰ খবৰ পাইছেনে ?

শ্ৰীবিশ্বদেৱ শৰ্মা - সেই খবৰ পোৱাৰ কাৰণে জিলাৰ কৰ্ত্তৃপক্ষক জনাই দিয়া হৈছে যে মম ব্যৱহাৰ নকৰা Farm বিলাকক Black Listed কৰিব লাগে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—Verification নকৰাকৈয়ে Industry বিলাকক Licence দিয়া হৈছে। ইয়াৰ ফলত বৰা ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ থলুৱা লোকসকলে যি এই কাৰবাৰ কৰিব খোজে সেই সকল বিতাৰিত হৈছে। এই কথা চৰকাৰে জানেনে ?

শ্ৰীবিশ্বদেৱ. শৰ্মা—আগৰে পৰা যি কাৰবাৰ কৰি আছে সেই সকলক Licence দিয়া হৈছে। তাৰ ভিতৰত কোনোবাই ব্যৱহাৰ কৰা নাই তেওঁবিলাকক Black Listed কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত দেখা যায় যেতিয়া মমৰ দাম বাঢ়ে তেতিয়া হাজাৰ হাজাৰ দৰ্খাস্ত আহে আৰু যেতিয়া দাম কমে তেতিয়াই দৰ্খাস্ত নাহে।

AOC-য়েও কিছুমানক পোনপতিয়াকৈ বেচে, আমিও এতিয়ালৈকে কোনোবা আহিলেও Permit দিব পৰা নাই কিন্তু সেইটো আমি বিবেচনা কৰি চাম।

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী—এই Licence কেৱল মম কৰিবৰ কাৰণে দিয়েনে অন্যান্য বস্তু কৰিবলৈ দিয়া হয় ?

শ্ৰীবিশ্বদেৱ শৰ্মা—Candle কৰাৰ বাহিৰেও Tarpoline Tent ইত্যাদি তৈয়াৰ কৰা হয়।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—অধ্যক্ষ মহোদয়, এই List খন ভালকৈ পঢ়িব পৰা নাই। গতিকে Pending ৰাখিব লাগে।

Mr. Speaker—This question is kept pending.

## সাহিত্যিকলৈ বৃত্তি

শ্ৰীমহীধৰ পেগুৱে সুধিছে :

*২৭৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসমৰ কেইজনমান সাহিত্যিকক চৰকাৰে বৃত্তি দিছে নেকি?

(খ) যদি দিছে, কেইজনক দিছে আৰু তেখেতসকলৰ নাম আৰু মাহে কিমান টকাকৈ দিছে জনাব?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

২৭৫। (ক)—হয়, দিয়া হৈছে।

(খ)—বৰ্তমান ১২ জন সাহিত্যিকক উক্ত বৃত্তি দিয়া হৈছে। তেখেত-সকলৰ নাম আৰু পৰিমাণৰ তালিকা এখন সদনৰ টেবুলত ৰখা হৈছে।

## Re: Play ground in Lungleh

Shri Lalchunga Chinzah asked :

*276. Will the Chief Minister be pleased to state—

(a) Whether the Government is aware that Lungleh which is one of the oldest Subdivisional Town of Assam is today without a proper play ground ?

(b) If not, whether Government propose to construct a standard play ground for Lungleh ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied:

276. (a)—Yes, Government is aware that the existing play grounds at Lungleh, the Subdivisional Town are not up to the standard.

(b)—It is to be developed by the people, Government may help occasionally.

এ, পি, এচ, চিৰ দ্বাৰা চাকৰিত নিয়োগ

শ্ৰীমতিলাল নায়কে সুধিছে :

*২৭৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) এ, পি, এচ, চিয়ে কিমান টকাৰ ওপৰৰ চাকৰি জাননী দি পৰীক্ষা কৰি নিৰ্বাচন কৰে?

(খ) কম টকাৰ দৰমহাৰ চাকৰীৰ প্ৰাৰ্থী এ, পি, এচ, চিৰ দ্বাৰা বাচনি কৰিব কিয় নোৱাৰি?

(গ) সকলোবিলাক চাকৰিৰ প্ৰাৰ্থী এ, পি, এচ, চিৰ দ্বাৰা বাচনি কৰিলে কি অসুবিধা হব?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

২৭৭। (ক)—যিবোৰ চাকৰিৰ দৰমহাৰ উৰ্দ্ধতম মাহিলি নিৰিখ ৫০১ বা ততোধিক টকা, কেৱল সেই ক্ষেত্ৰতহে লোকসেৱা আয়োগে জাননী দি কৰ্মচাৰী নিৰ্বাচন কৰে।

(খ) আৰু (গ)—লোকসেৱা আয়োগৰ কামৰ সুবিধাৰ কাৰণে চৰকাৰে উপৰোক্ত প্ৰশ্নৰ উত্তৰৰ মৰ্মে এটা নিৰিখ বান্ধি দিছে। আটাইবোৰ চাকৰিৰ প্ৰাৰ্থী আয়োগে নিৰ্বাচন কৰি দিয়া সম্ভব নহয়।

AGP (LA) 243/71—150—5-5-1971.

## QUESTIONS AND ANSWERS

( To which answers were laid on the table )

Re : ২য় তেল শোধানাগাৰ

শ্ৰীএ, এন, আকৰাম হুছেইনে সুধিছে :

৫০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ২য় তেল শোধনাগাৰ অসমৰ বঙাইগাৱঁত প্ৰতিষ্ঠা হোৱাৰ সিদ্ধান্ত ভাৰত চৰকাৰে গ্ৰহণ কৰাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে, সেই সিদ্ধান্তৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক জনাইছেনে?

(গ) বঙাইগাৱঁত দ্বিতীয় তেল শোধনাগাৰ প্ৰতিষ্ঠা হ'ব নেলাগে

বুলি অসমৰ মন্ত্ৰী সভাৰ এজন মন্ত্ৰীয়ে ২য় তেল শোধনাগাৰৰ স্থান বাচনি কমিটিক হেঁচা দি থকা সঁচানে?

(ঘ) উক্ত কমিটিয়ে স্থান ঘোষণাৰ নিৰ্দ্ধাৰিত সময় পাৰহৈ যোৱা স্বত্বেও ভাৰত চৰকাৰৰ ওচৰত স্থান নিৰ্দ্ধাৰণৰ প্ৰতিবেদন দাখিল নকৰাৰ বিষয়ে চৰকাৰে জানেনে?

(ঙ) উক্ত প্ৰতিবেদন দাখিল নকৰাৰ কাৰণে অসম চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীবিশ্বদেৱ শৰ্মা ( উদ্যোগ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

৫০। (ক)—হয়।

(খ)—হয়।

(গ) – নহয়।

(ঘ)—স্থান বাছনি কমিটিটো ভাৰতীয় তেল নিগমেহে গঠন কৰিছে, ভাৰত চৰকাৰে নহয়। আৰু এই কমিটিক প্ৰতিবেদন দাখিল কৰাৰ কোনো নিৰ্দ্ধাৰিত দিন বান্ধি দিয়া নাই।

(ঙ)—ঘ প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

### Re: Bridge over Bhilingi River

Shri Jalaluddin Ahmed asked:

51. Will the Minister, P. W. D. (R. and B.) be pleased to state--

(a) Whether the Government consider the necessity of the construction of the bridge over the Bhilingi river ?

(b) If so, the reason for delay in the same ?

Shri Altaf Hossain Mazumder [Minister, P. W. D. (R. and B.)] replied :

52. (a) & (b)—Government considered the necessity of the construction of the said bridge and accordingly it was included in the approved list of the major bridges for construction during 4th five year plan. Due to paucity of funds this could not be sanctioned yet. But again this project is being processed for sanction for taking up during the 4th Plan and Planning

and Development Department has been moved accordingly for raising the expanded limit to a certain extent to accommodate the scheme.

## Re: Sub-transmission Scheme

Shri Mathura Mohan Sinha asked:

52. Will the Minister, Power (Electricity) etc., be pleased to state—

(a) Whether Government is aware that there were the following proposals among others under the "Sub-transmission Scheme for the Year 1970-71" submitted by the Bongaigaon Electrical Division ?

(i) Eleven Kv. Line from Dhaligaon to Boitamari upto Salbari, etc., for Electrification of Boitamari Development Block, etc.

(ii) Eleven Kv. Line from Abhayapuri to Jogighopa.

(b) If so, what were the estimated cost of those Projects ?

(c) Whether the above Schemes have been sanctioned ?

(d) If so, when the works will be started ?

(e) If not, whether Government propose to take action in the matter early ?

Shri Biswadev Sarma [Minister-in-Charge, Power (Electricity), etc.] replied:

52, (a)—(i) Yes.

(ii) Yes,

(b)—(i) Rupees 4.04 lakhs.

(ii) Rupees 3.40 lakhs.

(c)—The work could not be taken up during 1970-71 due to pausity of funds.

(d)—Proposed to be taken up within this financial years.

(c)—Yes. Both these lines have been included in the current years' Programme for implementation.

### Re: Formation of Town Committee

Shri Narendra Nath Sarma asked:

53. Will the Minister, Municipal Administration be pleased to state—

(a) Whether it is a fact that the Public of Sarupathar and Bokakhat of Golaghat Subdivision submitted representation for formation of Town Committee there ?

(b) If so, whether it is fact that Government directed the local authorities to examine proposal and to send the report to Government ?

(c) If so, whether a report had been received by Government in the meantime ?

(d) Whether Government propose to take early steps to constitute an ad-hoc Town Committee at Sarupathar and Borpathar ?

Shri Chatragopal Karmakar (Minister of State, Municipal Administration) replied :

53. (a)—Yes

(b)—Yes.

(c)—Yes.

(d)—Constitution of Town Committees at Sarupathar and Bokakhat is not found economically feasible at present.

The question of a constitution of a Town Committee at Borpathar under consideration of Government.

AGP (LA) 240/71—300+210–5-5-71

## SHORT NOTICE

## QUESTIONS AND ANSWERS

### গোলাঘাটত ডকাইতি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত কমাৰবন্ধাৰ ওচৰৰ ছুতিয়াগাঁৱৰ

শ্ৰীকন ওজা নামৰ লোকজনৰ ঘৰত যোৱা ২১ মাৰ্চ তাৰিখে দুপৰ ৰাতি অস্ত্ৰে-শস্ত্ৰে সজ্জিত এদল ডকাইতে ঘৰৰ সকলো লোকক বান্ধি-মাৰি-কিলাই ডকাইতি কৰিলে ?

(খ) এই লোকজনৰ ঘৰ কমাৰবন্ধা আউট পুলিচ প'ষ্টৰ পৰা কিমান দূৰত ?

(গ) এই লোকজনৰ ঘৰৰ পৰা ডকাইত দলটোৱে কি কি সম্পদ আৰু অন্ততঃ কিমান মূল্যৰ সম্পদ ডকাইতি কৰিলে ?

(ঘ এই সংক্ৰান্তত কোনো লোকক গ্ৰেপ্তাৰ কৰা হৈছিল নে আৰু গোচৰটো কি অৱস্থাত আছে ?

(ঙ এই কমাৰবন্ধা অঞ্চলত আৰু ছুতিয়াগাঁৱত দুবছৰত কিমানটা ডকাইতি হৈছে ?

(চ) এই সম্পৰ্কত যোৱা ৩১ মাৰ্চ তাৰিখৰ 'জনমভূমি' কাকতত নৱম পৃষ্ঠাত প্ৰকাশিত 'কমাৰবন্ধা ডকাইতি—ৰাইজৰ আতঙ্ক' শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছিল নে ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে ঃ

৪। (ক)—কমাৰবন্ধাৰ ওচৰৰ ছুতিয়াগাঁৱৰ শ্ৰীকন ওজা নামৰ লোকৰ ঘৰত ২১ মাৰ্চ তাৰিখে কোনো ডকাইতি হোৱা নাছিল। সেই তাৰিখে শ্ৰীযোগৰাম বৰাৰ ঘৰতহে ডকাইতি হৈছিল।

(খ—প্ৰায় আঢ়ৈ মাইল দূৰত শ্ৰীযোগৰাম বৰাৰ ঘৰ অৱস্থিত।

(গ)—৫০০ মান টকাৰ কাপোৰ, বাচন আৰু অলঙ্কাৰ।

(ঘ)—সন্দেহক্ৰমে দুজন লোকক ধৰা হৈছে আৰু পুলিচৰ তদন্ত চলি আছে।

(ঙ)—কমাৰবন্ধা অঞ্চল আৰু চুতীয়াগাঁৱত যোৱা দুবছৰত আৰু কোনো ডকাইতি হোৱা নাই। অৱশ্যে কমাৰবন্ধাৰ ৫ মাইল দূৰৰ দলাখৰীয়া নামৰ গাঁৱত ১৯৬৯ চনৰ নবেম্বৰ মাহত এটা ডকাইতি হোৱাৰ গোচৰ পোৱা হৈছিল। গোচৰটো এতিয়া বিচাৰাধীন হৈ আছে।

(চ)—হয়। কিন্তু বাতৰিত কোনো ধৰণে ৰাইজৰ আতঙ্ক আৰু কেবাটাও এনে ধৰণৰ ডকাইতি হোৱা কথাটো সঁচা নহয়।

Voting on Demands for Grants : Demand No. 17

Mr. Speaker—We may come to item No. 2 Mr. Choudhury, you may move it.

Shri Mahendra Mohan Choudhury ( Chief Minister )—১৭ নং মঞ্জুৰিটো সদনৰ আগত দাঙি ধৰিলো।

*Shri Phani Borah—কৰ্ত্তন প্ৰস্তাৱ কেইটা উত্থাপন কৰা হৈছে এতিয়া ১৭ নম্বৰৰ মঞ্জুৰিটোত। অধ্যক্ষ মহোদয়, পুলিচ বিভাগ সম্পৰ্কে এই সদনত বহুবাৰ আলোচনা কৰা হৈছে আৰু বহুত পৰামৰ্শও আগবঢ়োৱা হৈছে। চৰকাৰৰ ফালৰ পৰাও কমিশ্যন এটা গঠন কৰি এই পুলিচ বিভাগটো পুনৰগঠন কৰাৰ কাৰণে প্ৰচেষ্টা চলোৱা হৈছে। কিন্তু ফলত আমি কোনো পৰিবৰ্তন দেখিবলৈ পোৱা নাই। মই আজি এই মঞ্জুৰিৰ ক্ষেত্ৰত কিছুমান বিশেষ বিষয়ৰ ওপৰত অভিযোগ উত্থাপন কৰিবলৈ আগবাঢ়িছো। চৰকাৰ আৰু চৰকাৰৰ পুলিচ বিভাগটোৰ ওপৰত অভিযোগ উত্থাপন কৰিবলৈ মই আগবাঢ়িছো। নীতিৰ সম্পৰ্কত বহুবাৰ কোৱা হৈছে কিন্তু তাৰ পৰিবৰ্ত্তন আমি দেখিবলৈ পোৱা নাই। প্ৰকৃতপক্ষে কবলৈ গ'লে আমাৰ পুলিচ বিভাগৰ কোনো পৰিবৰ্তন দেখিবলৈ পোৱা নাই। পুলিচ বিভাগৰ দৃষ্টিভঙ্গীৰ কোনো পৰিবৰ্তন হোৱা নাই। আমি পুলিচ বিভাগটো এটা দমন-যন্ত্ৰ হিচাবে ব্যৱহাৰ কৰিব নেলাগে। পুলিচ বিভাগটো জনসাধাৰণৰ ওপৰত দমন-যন্ত্ৰ হিচাবে ব্যৱহাৰ কৰা বিষয়টো কোনো প্ৰগতিশীল ৰাষ্ট্ৰৰ লক্ষৰ লগত সামঞ্জস্যপূৰ্ণ নহয়। ই কেৱল ঔপনিবেশিক ৰাষ্ট্ৰতহে প্ৰচলিত। বিভিন্ন দেশত এনেকৈ যি পুলিচ ব্যৱস্থা আছে সি কেৱল দেশৰ জনসাধাৰণৰ ৰক্ষণা-বেক্ষণৰ কাৰণে। জনসাধাৰণক সহায় কৰাৰ কাৰণে আৰু দেশৰ শান্তি-শৃঙ্খলা ৰক্ষাৰ কাৰণেহে বিবেচনা হয়। এইটো আমি বিভিন্ন দেশত দেখিছো আৰু বিভিন্ন দেশৰ পুলিচ ব্যৱস্থাও লক্ষ্য কৰিছো। কিন্তু আমাৰ দেশৰ পুলিচ ব্যৱস্থা আৰু সেইবিলাক দেশৰ পুলিচ ব্যৱস্থাৰ লগত বহুত প্ৰাৰ্থক্য আছে—আমি দেখা পাইছো। মই মুঠতে এই কথা কওঁ যে—বৰ্তমান সময়ত প্ৰকৃতপক্ষে মুখেৰে যি কথা কোৱা যায় সেই কথা অন্তৰেদি

*Speech not Corrected

যদি আমি বিশ্বাস কৰো তেতিয়া হ'লে আমি আমাৰ কামৰ মাজেৰে তাক প্ৰমাণ কৰিব লাগিব। যদি যিসকলে Welfare-State অৰ্থাৎ জনকল্যাণ-কামী ৰাষ্ট্ৰ বুলি ঘোষণা কৰে তেখেত সকলে বিশ্বাস কৰে যে পুলিচ বিভাগটো কেৱল সমাজৰ উন্নতিৰ কাৰণেই ব্যৱহাৰ হ'ব লাগে। কিন্তু আমি সেইটো হোৱা নাই। আনহাতে আইন-শৃঙ্খলা বজাই ৰখাৰ ক্ষেত্ৰত পুলিচ বিভাগৰ যিটো তৎপৰতা বা Efficiency প্ৰদৰ্শন কৰাৰ প্ৰয়োজন সেইটো আমি দেখা নাই।

মই প্ৰথমেই কব খুজিছো যে আমাৰ লামডিঙৰ যিটো ঘটনা, এটা সাধাৰণ ঘটনা, দুটামান হয়তো তেওঁলোক গুণ্ডা হ'ব পাৰে সমাজৰ বিৰোধী মানুহো হ'ব পাৰে, বা Agent Provocator-ও হ'ব পাৰে— কিন্তু তেওঁলোকে যিটো ঘটনা ঘটালে তাৰ প্ৰতিক্ৰিয়া হিচাবে অসমৰ বিভিন্ন জেগাত এটা অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'বলৈ পালে। লাগিলে সেই সময়ত তাত Railway Local Police-য়েই হওঁক, আমাৰ ৰাজ্য চৰকাৰৰ পুলিচেই হওঁক বা C. I. D. Police-য়েই হওঁক-- তেওঁলোকৰ কৰ্তব্য আছিল যে সেই মানুহ কেইটাক তৎক্ষণাত গ্ৰেপ্তাৰ কৰিব লাগিছিল আৰু Criminal হিচাবে তেওঁলোকক চৰকাৰৰ কাঠগড়াত খাৰা কৰিব লাগিছিল। য'ত শ শ, হাজাৰ হাজাৰ মানুহ অহা-যোৱা কৰে তাত যে কোনো C. I. D. নাছিল সেইটো আমি বিশ্বাস কৰিব নোৱাৰো। তেওঁলোকে লক্ষ্য কৰি কিয় সেই মানুহ কেইজনক Arrest কৰিব নোৱাৰিলে? লামডিঙৰ নিচিনা এটা ডাঙৰ Railway Stations-ত য'ত হাজাৰ হাজাৰ মানুহৰ সমাগম হয় তাত নিশ্চয় পুলিচ আছিল—G.R.P. বা Control Police-য়েই হওঁক। কিন্তু তৎস্বত্তেও যেতিয়া এই ঘটনা ঘটিল তেতিয়াই ই প্ৰমাণ কৰিলে যে সকলো সময়তে তেওঁলোকৰ দায়িত্ব পালন কৰিবলৈ প্ৰস্তুত থকাৰ কৰ্তব্যৰ পৰা বিচলিত হৈছে। যদি তাত পুলিচ আছিলেই তেন্তে এই Criminal কেইজনক গ্ৰেপ্তাৰ নকৰিলে কেলেই? ঘটনা হৈ যোৱাৰ পিছতহে ৩ জনক গ্ৰেপ্তাৰ কৰা হ'ল—সেই কথা প্ৰচাৰো কৰি দিয়া হৈছে। অসমত কিছুমান ধ্বংসৰ প্ৰকৃতিৰ লেখকে এই ধৰণৰ এটা অশান্তিৰ পৰিবেশ সৃষ্টি কৰাৰ কাৰণে কৰা চেষ্টাতো আৰম্ভণিতেই বন্ধ কৰিব পাৰিলেহেঁতেন। এইটো এটা ঘটনাই প্ৰমাণ কৰি দিলে যে পুলিচে শান্তি-শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত ব্যৰ্থ হৈ পৰিছে। অসমৰ বিভিন্ন

জেগাৰ পৰা বহুত সময়ত বহুত ঘটনাৰ খবৰ আহে। সকলোবোৰ মোৰ মনত নাই। কিন্তু এটা কথাৰ পৰাই এই বিলাক কৰিবলৈ পায়—সেইটো হৈছে সকলো সময়তে দায়িত্ব পালন কৰিবলৈ প্ৰস্তুত থকাৰ দায়িত্বৰ পৰা আতৰি থাকে। কোনো কোনো সময়ত আকৌ ইচ্ছাকৃতভাৱেই দায়িত্ব পালন নকৰি বিৰুদ্ধেহে কাম কৰে। মই আজি ভূৰাগাঁৱৰ এটা কথা কব খুজিছো। ভূৰাগাঁৱত কাঞ্চন সিং নামৰ এজন ভদ্ৰলোক আছে। আমাৰ কংগ্ৰেছী চৰকাৰে জানেনে নেজানে কব নোৱাৰোঁ। কিন্তু তেওঁ কংগ্ৰেছী লোক। এতিয়া আমাৰ শ্ৰীহাজৰিকা মিনিষ্টাৰৰ সোঁহাত। এই মানুহজন ক'ৰ পৰা আহিছিল, কি Case-ত আহিছিল সেইটো জানিবৰ প্ৰয়োজন নাছিল। মাত্ৰ সময়ত কামত ব্যৱহাৰ কৰিবলৈ পালেই যথেষ্ট। কিন্তু তেওঁৰ ইতিবৃত্তি ইমান ভাল নহয়। এতিয়া কি হৈছে? দিন-দুপৰতে মানুহ ধৰে। হিন্দু-মুছলমান বহুত গুন্দা পুহি ৰাখে। চাহ খাই থকা এজন মানুহক দিনটো বন্ধ কৰি ৰাখি বাচত ভৰালে। মানুহজনে হোটেলৰ মালিকৰ ঘৈণীয়েকৰ ভৰিত ধৰিও ৰক্ষা নেপালে। ড্ৰাইভাৰ, Conductor সকলো আছিল। মানুহজনক বাচত ভৰাই লৈ আতৰলৈ নি হত্যা কৰিলে। আজি দুবছৰ হ'ল—কিন্তু আজিলৈকে তাৰ বিচাৰ নহ'ল।

মানুহজনক বাচ এখনত তুলি লৈ গ'ল—তাৰ পাচত সেই মানুহজনক হত্যা কৰিলে। সেই বাচখনত বাচৰ ড্ৰাইভাৰ ও কণ্ডাক্টৰো আছিল।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—এইটো কেতিয়াৰ ঘটনা?

শ্ৰীফণী বৰা—বৰ বেচি দিনৰ ঘটনা নহয়। মাত্ৰ ২।৩ বছৰ মানৰ ঘটনা। মানুহজনক গাড়ীত তুলি লৈ গৈ মূৰটো কাটি গা চোৱা পেলাই থৈ যায়। এইটো কথা আজিও বিচাৰ নহ'ল।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মানুহজনৰ নাম কি আছিল?

শ্ৰীফণী বৰা—মানুহজনৰ নামটো মোৰ মনত নাই। কিন্তু ঘটনাটো হ'ল এনেকুৱা যে মানুহৰ নিৰাপত্তা নাইকিয়া হৈছে। ভূৰাগাঁৱৰ Police O.C. জনে এই বিষয়ত বিচাৰ নকৰিলে। যিটো হোটেলৰ পৰা মানুহজন লৈ গৈছে তাতো খবৰ কৰিব পাৰিলেহেঁতেন। অৱশ্যে মাইকী মানুহ জনীয়ে সাক্ষী দিবলৈ ভয় কৰিব—কাৰণ যিহে গুণ্ডাৰ পাৰ্টি লগোৱা হৈছে মাইকী মানুহ

জনীকো কাটি পেলাব পাৰে। যিখন বাচত লৈ গৈছিল সেই বাচৰ ড্ৰাইভাৰ বা কণ্ডাক্টৰকো পুলিচে সোধা নাই। তেওঁলোকে হয়তো মানুহটো ক'ত কাটিলে সেইটো কব নোৱাৰিব পাৰে—কিন্তু মানুহটো যে তালৈ গৈছিল সেই কথা কব পাৰিলেহেঁতেন। Circumstancial Evidence একেবাৰেই পৰিষ্কাৰ আৰু তাৰ লগত জড়িত সকলক গ্ৰেপ্তাৰ কৰা নাই। আৰু এটা মানুহ প্ৰায় মাৰিয়েই পেলাইছিল—তাৰ নাম ৰামজী চৌহান। কিন্তু মানুহে দেখাত কোনো ৰকমে সাৰিলে। সেইটোও ভুৰাগাঁৱৰে ঘটনা। কিন্তু তাৰ O.C. জন গুণ্ডাৰ চৰদাৰৰ লগত বহি থাকে। এই গুণ্ডাৰ চৰদাৰ জনক মই ভদ্ৰলোক বুলিয়েই কৈছো। কাৰণ তেখেত এজন কংগ্ৰেছৰ লিডাৰ। তেওঁ ইমান প্ৰভাৱশালী যে কেচ দিলেও কেচ নলয়—আনকি হাজৰিকা দেৱে দিলেও বোধকৰো কেচ নলব। আৰু এজন চামগুৰি থানাৰ O.C.। যি গৰাকী O.C.-এ চাহ বাগানৰ মেনেজাৰে যেতিয়াই পুলিচ লাগে বুলি খবৰ দিয়ে তেতিয়াই পুলিচ হাজিৰ হয়হি। চিলিংৰ ওপৰিও মাটি খিলঞ্জীয়া কছাৰী, লালুং, মিকিৰ মানুহক দিয়াৰ নীতি থকা স্বত্বেও তেওঁলোকক বঞ্চিত কৰাৰ যি চক্ৰান্ত সেই বিলাকত পুলিচে যোগ দিয়ে। ইয়াৰ কাৰণ কি? বৰ্তমানৰ পৰিৱৰ্তিত অৱস্থাৰ লগত তেওঁলোকে খাপখুৱাব পৰা নাই। বঙ্গাইগাওঁ চাহ বাগিচাৰ মালিক আৰু মজদুৰৰ মাজত যিটো সংঘৰ্ষ চলিছিল তাত মানুহক গ্ৰেপ্তাৰ কৰা হৈছিল তাৰ মেনেজাৰ আৰু পুলিচৰ কু-চক্ৰান্তত, সেই মানুহ বিলাকক জামিনত নিবলৈ জামিনদাৰ আহিছিল যদিও মেনেজাৰে সেই বিলাকক জামিনদাৰ হ'বলৈ নিদিলে আৰু সেই জামিন ল'বলৈ যোৱা তৰণী ৰায় আৰু অমৃত ৰায় নামৰ মানুহ দুজনক জেল দিয়ালে। তাৰ পাচত জেলৰ পৰা অমৃত ৰায় উলাই অহাৰ পিচতো অমৃত ৰায়ৰ ওপৰত পুনৰ ওৱাৰেণ্ট আছে।

যোৱা জানুৱাৰী মাহৰ ১ তাৰিখে এজন আৰু ২৩ তাৰিখে ৬ জন মানুহক মাৰ্কেজান পাইবাপাৰাৰ পুলিচে গ্ৰেপ্তাৰ কৰিছে। এইবিলাক কমিউনিষ্ট পাৰ্টিৰ মানুহ বুলি জানে আৰু তেওঁলোকে কিবা এটা অভিযান চলালেই নক্সালাইত বুলি গ্ৰেপ্তাৰ কৰে। এনেকুৱা ধৰণৰ ঘটনা গৰীব খেতিয়ক আৰু ধনী মালিক সকলৰ হ'বই। তাত যদি পুলিচে জনসাধাৰণৰ অভাৱ অভিযোগৰ ওপৰত প্ৰতিস্থিত দাবী আৰু কাৰ্য্যৰ বিপৰীতে ধনী

সকলক ভয় কৰে তেতিয়া হ'লে ৰাইজৰ আৰু দেশৰ মঙ্গল নহ'ব। মাটিৰ অভাৱত যদি বে-আইনী কৰি গৰীব খেতিয়ক সকলে কষ্ট কৰি কৰা খেতি ধনী মালিক সকলে কাঢ়ি লৈ যায় তেতিয়াহ'লে এই ধৰণৰ ঘটনা ঘটিবই। এই গৰীব সকলক ৰক্ষা কৰাৰ দায়িত্ব সম্পৰ্কে পুলিচ বিভাগক পৰিবৰ্ত্তন কৰিব লাগে। এই পৰিবৰ্তন আনিব নোৱাৰিলে সমাজৰ উন্নতি নহ'ব আৰু সমাজ উন্নয়নৰ ব্যৱস্থা বাস্তৱত পৰিণত নহ'ব। অলপতে নগাৱঁৰ যমুনামুখ থানাত ৪।৩।৭১ তাৰিখে হঠাৎ নগগ্ৰাপামৰ শ্ৰীসোমনাথ শইকীয়াৰ দুজন ল'ৰা শ্ৰীডিম্বেশ্বৰ শইকীয়া আৰু শ্ৰীধৰ্মকান্ত শইকীয়াক গ্ৰেপ্তাৰ কৰি নিছে। গোটেই গাৱঁৰ ৰাইজে ক'লে—যেতিয়াই লাগে ল'ৰা দুজনক আমি হাজিৰ কৰি দিম, জামিনত দিয়ক, ৰেলৱেত কাম কৰা দুখীয়া মানুহৰ ল'ৰা জামিনত দিয়ক। গোটেই ৰাইজে ক'লে যদি বিচাৰত দোষী হয়, তেন্তে শাস্তি দিব। কোনো এজাহাৰত তেওঁলোকৰ নাম উল্লেখ কৰা নাই। কিবা কাৰণত পুলিচৰ আখেজ আছিল। তেওঁলোকক থানাৰ পৰা Lock-up-লৈ লৈ গ'ল, ৬।৭ শ টকা খৰছ হ'ল, কিন্তু জামিনত নিদিলে। কোনো এজন ডাঙৰ মানুহৰ কিবা এটা কামত যদি অভিযোগ থাকে তেন্তে গ্ৰেপ্তাৰ নকৰে, ঘৰতে জামিনত দি থুচি আছে আৰু কয়—এৰেষ্ট কৰিছো ঘৰত থাকক। এইদৰে Discrimination কৰিলে গৰীব শ্ৰেণীৰ মানুহে কেনেকৈ বুজিব যে—শাসন যন্ত্ৰটো তেওঁলোকৰ পক্ষে। মই আৰু এটা কথা উল্লেখ কৰিব খোজো যে J Ahmed, Executive Engineer তেখেত চিলচৰত থাকে আৰু তেখেতক গ্ৰেপ্তাৰ কৰা হৈছিল। পুলিচ Department-ৰ অনুমতি নোলোৱাকৈ প্ৰস্তাৱ কৰিছিল। কেচটো গৈ Supreme Court পালে, সকলো ক্ষেত্ৰতে তেখেত নিৰ্দ্দোষী বুলি প্ৰমাণিত হ'ল। ১৯৭০ চনত ৰাইটো উলাইছে আৰু কেচটো আছিল ১৯৬৪ চনৰ। এই মানুহজনক এটা অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেখেত E & D বিভাগৰ মানুহ আছিল। E & D বিভাগৰ অনুমতি নোলোৱাকৈ তেখেতক গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰ কৰাৰ পিছত পুলিচ বিলাকে তেখেতক গ্ৰেপ্তাৰী প্ৰমাণিত কৰিবৰ কাৰণে সকলো ফালে যুজ কৰিলে কিন্তু শেষত Supreme Court-ত খালাচ হ'ল। ইয়াৰ বাবে যি পুলিচ বিষয়া দায়ী তেওঁলোকৰ ওপৰত কি ব্যৱস্থা হাতত লৈছে? যদি ব্যৱস্থা হাতত নলয়

তেন্তে প্ৰকৃতপক্ষে সাধাৰণ নাগৰিকৰ যি অধিকাৰ সেই অধিকাৰ খৰ্ব্ব কৰিছে আৰু আমোলাতান্ত্ৰিক শাসন ব্যৱস্থা চলি থাকিব, কেতিয়াও Welfare State হ'ব নোৱাৰে। এইবিলাক যি ঘটনা ঘটিছে তাৰ প্ৰতি চকু দিব লাগিব ওপৰৰ পৰা। ওপৰত যদি ঘুণে ধৰে তেন্তে কেনেকৈ হ'ব? মই কবলৈ বাধ্য হৈছো যে আমাৰ ওপৰত I. G. P. আছে আৰু তেখেতৰ দ্বাৰা যদি কামৰ সুবিধা নহয় তেন্তে তলৰ পৰা কেনেকৈ কাম হ'ব? পুলিচ বিষয়াক দোষ দি কি কৰিব? ডিব্ৰুগড়ৰ S. P. চক্ৰবৰ্ত্তীৰ বিৰুদ্ধে অভিযোগ আহিছে যে নিৰ্মালী ছোৱালী হাইস্কুলৰ কাঠ লৈ কেবা হাজাৰ C. F. T. কাঠ ফলাইছে মাকুম Shaw Mill-ত। এই কাম কৰিছে মাকুমৰ O. C. আৰু তিনিচুকীয়াৰ Inspector-ৰ সহায়ত। আচলতে স্কুলৰ কাৰণে যিখিনি কাঠ ললে, সেই কাঠ স্কুলত নলগাই নিজৰ কামত ব্যৱহাৰ কৰিছে। তাৰ পিছত Copperwire চুৰি চুৰক মাৰ্ঘেৰিটাৰ O. C.-এ ধৰা পেলাইছে, পিছত অলপ পা-পইচা লৈ এৰি দিয়া হৈছে। এইবিলাকত সহায় কৰিছে S. P.-এ। যদি S. P.-কো কিবা এটা দোষত সহায় কৰাৰ ব্যৱস্থা চলি থাকে তেন্তে পুলিচ শাসন ঠিকমতে চলিব বুলি আশা কৰিব নোৱাৰি।

কালি পৰহিলৈ মেঘালয় হওঁ হওঁ হৈছে, এইটো ঘোষণা কৰাৰ আগতে I. G. P. চাহাবে Mawlai-ত Police বেটেলিয়ানৰ কাৰণে ১২ লাখ টকাত কিয় মাটি কিনিছে? অসমৰ যিটো ভৌগোলিক পৰিস্থিতি সেইটো থাকিব নে নাথাকিব ঠিক নাই, অসমৰ বেটেলিয়ান থাকেনে মেঘালয়ৰ বেটেলিয়ান থাকে ঠিক নাই, তেনে অৱস্থাত যোৱা বছৰ মাটি কিনিছে। এই মাটিখিনি হ'ল মোৰ বন্ধু শ্ৰীমহিম সিঙৰ। এতিয়া কথা হ'ল—আৰু মই কবলৈ বাধ্য হলো যে দুৰ্ভাগ্যবশতঃ সেই মাটিখিনি I.G.P. চাহাবৰ Brother-in-law-ৰ মাটি। এই কথাটোৰ সিদ্ধান্তলৈ আহিবলৈ বাধ্য হলো—যিহেতুকে Brother-in-law-ক সহায় কৰাৰ এইটোৱেই সুযোগ। সেইকাৰণে মেঘালয় পূৰ্ণাঙ্গ ৰাজ্যত পৰিণত হ'ব বুলি জানি-শুনি ইমান ততাতৈয়াকৈ সেই কাম কৰা হৈছিল। কেৱল Brother-in-law-ক সহায় কৰাটোৱেই নহয়, সেই মাটিৰ ওচৰত I.G.P. চাহাবৰ

এখন Farm আছে। সেইটো কৰাৰ উদ্দেশ্য হ'ল তাৰ Approch Road-টোৰ স্নবিধা হয়। Farm কৰাত বেয়া নাপাওঁ, কিন্তু Farm কৰাত Politics কমাই দিব লাগিব। কেৱল যদি Farm-তেই লাগি থাকে, তেন্তে অফিচৰ কাম হ'ব কেনেকৈ ? গতিকে এই বিষয়ে মই মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো। তাৰ পিছত Farm পৰিচালনা কৰিবৰ কাৰণে কাঠ নিয়া, জন্তু-জানোৱাৰ আদিক খুৱাবৰ কাৰণে মালপত্র নিয়া ইত্যাদি কামত পুলিচ ব্যৱহাৰ কৰা হয়, এই অধিকাৰ I. G. P. চাহাবৰ নাই। তাৰোপৰি Farm-ৰ কামৰ বাবে পুলিচৰ গাড়ী ব্যৱহাৰ কৰা হয়। Farm-ৰ কাম কৰিবলৈ হ'লে নিজে মানুহ ৰাখিব লাগিব পুলিচ ব্যৱহাৰ কৰাৰ অধিকাৰ নাই। অন্যান্য জিলাতো বহুতো Cattle Farm আছে। ইয়াৰোপৰি খাদ্যবস্তু যোগান ধৰিবলৈ I.G.P.-য়ে পুলিচ বিষয়াক নির্দেশ দিয়ে। যিজনে কাম নকৰে তেওঁৰ ওপৰত ব্যৱস্থা গ্রহণ কৰা হয়। গতিকে আমাৰ দৰে এখন Welfare State-ৰ পুলিচৰ শাসন ব্যৱস্থা ভালদৰে চলাব লাগে। মই কব খুজিছো যে, ওপৰৰ পৰা তললৈ পুলিচৰ শাখাৰ এটা আমোল পৰিবর্তন আনিব লাগে। যদি আমাৰ সমূহীয়া স্বার্থৰ লগত পুলিচৰ কোনো সমূহীয়া সংঘাট দেখিবলৈ পাওঁ, তেতিয়া শাস্তিমূলক ব্যৱস্থা হাতত লব লাগিব। যাৰ দ্বাৰা আমাৰ গোটেই শাসন ব্যৱস্থাত আপুনা-আপুনি পৰিবর্তন আহি পৰে। ইয়াকে কৈ মই কর্তন প্রস্তাৱটো গৃহীত কৰাৰ কাৰণে অনুৰোধ কৰিছো।

* Shri Dulal Chandra Barua—Mr. Speaker, Sir, while supporting the cut motion moved by this side of the House under 'police' Head, I want to make a few observations. Sir, if you examine the entire Budget of the state under different Heads, you will find that highest amount has been allotted for the Police Department, but no attempt has so far been made by the Government to utilise the amount fully or for practical purposes. Now, Sir, I would like to observe that by alloting this big amount for the Police Organisation, the Government is attempti g to convert the state into

*Speech not Corrected

a Police State, Now as I have already stated that this can be very well termed as Police State, we have got no objection if the Government can by utilising such huge amount increase the efficiency of the police Department and reorient it to cope with situation in respect of maintenance of law and order in the State.

Sir, we have found that the Police administration has failed to cope with the law and order situation. We are till today following the old pattern of Police administration. I think, it would be helpful for the House to dscuss if the Police commission report is made available. At preseat the police administration is not viewed as a People's Organisation. People still think that the police administraion is not meant for the welfare of the people, for the protection of the people and that they are meant only to harrass the people. This idea has got to be changed. The problem of our state is multiferious. The nature of crimes has changed and the number is ever on the increase. The criminals have modernised their modus operandi. To cope with most uptodate methods of crime detection, no steps have been taken by the Government or to re-organise the whole department on modern lines. I understand that even the old Police Manual has not been revised. For all these reasons though we find that the number of officers and men have been increased their efficiency has not increased. The Police administration should be so organised that it becomes a democratic administration and the people can take the police as their real friends. Being the custodian of law and order, they are to detect and prevent crimes and corruption in the society. But what good you could expect from the Police Department when they themselves indulge in corruption, favouritism and nepotism. In this connection I would like to give a few concrete instances. Sanction was granted by the Govt. this year for one water tank for the 5th Bn A.P at Gauhati. The amount was Rs. 6500 —.This amount was spent

without calling for tenders. When some of the junior officers objected to such spending in the head office the officer who is in charge of such things did not listen. The things supplied were sub-standard and as a result after two or three months use it went out of order. This matter was reported to the Head Office but no action seems to have been taken, neither against the contractor no against the officer concerned.

Purchases have been made from the same Firm, Steelworth & Co., Gauhati by the D.I.G, (Administration) for the 5th Assam Battalions and four such Tabular Strictures purchased. Sir, very interesting thing is that the sanction for these purchases of Tabular Strictures was given very promptly but no sanction for purchase of materials of C. I. Sheets, bricks, timber etc. was given inspite of proposals sent by the Officers. Sir, so many tabular strictures remained incomplete for want of materials and the price sanctioned was higher. Even today the same firm supplied one tabular stricture on one terms the administration at the top have fixed higher rate than in the previous ones. This has been supplied without calling for tenders and this farm has been given monopoly. While sub-standard things were supplied to the Battalion or to the Police Organisation nobody took care. Now, again along with that tabular stricture the materials have got supplied, the use of tabular stricture has been frusted and remained incomplete and huge wastage of public money has caused. Now, coming to a very important aspect you will see that Rs 51 lakhs have been allotted for constructing houses of Offices. So tenders were invited for supply of building materials. Now only in the month of March orders were given to contractors to supply materials. This was also done at the end of last week of March. As a result the materials could not be supplied within 31st March. But the bills were paid nicely and completion certificate has been given in advance

and the entire 51 lakhs have been paid. Now, the construction remained incomplete, but money has been paid. Now, due to this kind of advance payment of bill, the contractor may refuge to complete the work even, because completion certificate has been issued in his name. In the same way, tarpaulines and other things have been purchased at the instance of the High-Ups without calling for tenders. I am told that purchase materials were not available. Now, another funniest thing is that the supply of timbers for construction of Barracks at Haflong that is 8th Assam Battalion, supply has been accepted at Gauhati, Kahilipara and some interested contractors were given that contract but that was not verified by the Officers; but at one stage everything has been taken and the funniest thing that though there were local contractors available at Nowgong the contracts were given to interested contractors. Police personnel have been used for carrying these articles from Gauhati.

Sir, an unholy alliance has been indulged by the Officials and no proper signature was there. Now, in the same way, all the materials, bricks, bamboos etc. supplied to 5th Battalion were all sub-standard things and this was practically without calling for tenders. Supplies were made for construction of some barracks, completion certificate has been issued and payment has been made without proper works. Now, another very important thing is that a big sum has been sanctioned for construction of quarters and office building at Kahilipara for 5th A. P. Battalion and D. I. G. (Admn.) insisted upon the officers to use bull dodgers and the correspondence is going on. The funniest is that suddenly a gentleman came and without calling for tenders the contract has been issued in his name and he himself took three contractors making his own rate lowest and then he has not done anything and everything has been done by the police personnel and payment has been made to that particular contractor.

Another important thing is that Mr. I. P. Menon is occupying a house belonging to the Education Deptt. and that is Basic Training Institute and the Education Deptt, repeatedly was asking them to vacat the house and an amount has been spent for expansion or reconstruction of the building and payment has already been made. For water supply also amount has been engaged and thus money has been spent at their own instance without care. Now, coming to another very interesting thing the D. I. G. Training has made some alteration and addition to the building which is not belonging to the Police Deptt. Sir, another very serious allegation detected is that 13 nos. of houses of 8th A. P.Btn. at Barampur were actually not constructed but the bills have been paid on the completion certificate; but not a single building has been constructed. Another important thing is that this has been done in collaboration with certain High-ups. Even repairing cost has also been sanctioned and paid. When it has been detected he refused to make payment to one contractor Shri Mohan Ch. Hazarika. He wanted to go to Court. These things have been brought to the notice of the Government through I. G. P. who is responsible for all these things. But as he has some collaboration with some other High-ups in spite of repeated requests nothing has been made. Another very serious thing is that 3,80,000 empty cases of ammunitions have been lost from the store of the 8. A. P. Battallion, Behrampur and one Naga Sepoy was arrested while he was trying to decamp with one case. I have been told that many ammunitions have been taken away by somebody to help the Naga hostiles. This case was detected but no action was taken in this matter. It has been reported to the Government the entire 3,80,000 empty cases of ammunitions have been suspected to be taken away by the Naga hostiles, but no enquiry has been instituted and no action has been taken by the higher authority instead of repeated

requests made by the C. O. there.

Mr. Speaker—Mr. Barua, please try to finish before 12. Please be brief.

Shri Dulal Chandra Barua—Now again in connection with the construction all records relating to supply of stores, building materials have been destroyed. Therefore, there is no room, there is no scope for making any enquiry into the affairs. These are very serious type of allegations specially in respect of supply of materials like tarpauline, building materials etc in connection with the construction of the quarters for the Battalion and no care has been taken by the administration to detect this sort of criminal offence. Therefore, I suggest that to look into the entire anomalies a Committee from this House should be constituted. This committee will also see whether the amount sanctioned to the police head is properly spent or not.

Coming to the corruption indulged in by the police, I want to say that if the higher ups in the Department are themselves corrupt there is no power on earth which can remove the corruption. You cannot blame the junior officers alone for this. I am glad, a police Commission has been instituted and they will recommend certain things for the re-organisation of the Police administration. But to my mind, I must tell you frankly, as I have already said, if the higher officers do not possess a clean slate, then nothing can stop the corruption. Now Government purchased a plot of land for construction of Battalion quarters at Bishnupur from the then Deputy Secretary, Home Shri Senapati. What was the necessity of purchasing this land ? I have no objection to our I. G. P. starting a farm. But why the police personnel are used for cutting trees or cultivation there. Some 2 dozens or 3 dozens of police personnel were found working there. If this is the spirit of the police officer. then I am afraid, the administration cannot function properly.

Now, coming to certain suggestions, I must say that the amount which has been shown for the purpose of construction of buildings or quarter for the police staff in different Thanas, is the minimum. Our Thanas are not at all well equipped with modern equipments. There is no telephone connection, there is no wireless set. Specially the police stations which are situated in the borders should be equipped properly and accommodation has to be provided to the staff, particularly to the lower grade ones. I have found that though we have been demanding that military type of rationing and education fecilities should be provided to these people no step has been taken in this regard. If you examine the expenditure you will find that it is meant only for the high ups. Therefore, I submit that necessary arrangements for accommodation, increase in equipments and sufficient facilities should be provided to the Constables, A.S.I.s and S.I.s and other ranks, and more particularly to the staff of the Intelligence Branch. The efficiency of the Intelligence Branch has deteriorated like anything. In Shillong, these people have to go for renting of houses at high rate. Specially qualifed and trained up people should be appointed for this work and they should be given housing facilities. If you not provide such kind of facilities to these people you cannot expect efficient service from them. Again, as I have said. only graduates should be recruited to these posts Government should stop bringing of C. R.P. for which we have to spend 48.8 lakhs. Instead, we should raise our own battalions and these battalions should be manned by educated youths. I propose that for appointmant as constables matriculation should be qualification. To my mind the posts of A. S. Is are redundant—no recruitment should be made in that cadre ; on the other hand the number of S I posts should be increased and the minimum qualification for posts of S I s should be fixed as graduate. The posts of Court Inspectors

and the like who conduct Court case should be manned to persons with legal knowledge so that thay can be of help while conducting cases.

Now, Sir, I come to the question of security personnel. You know, Security personnel are attached to Ministers but you will be surprised to know their deplorable financial condition. Their T. A, and D. A. is so limited that barring some kind hearted Ministers who stand the food bills of their security personnel, those who have to foot their own bills are put to much distres. They are poor and they move about with torn dress. They serve round the clock but without facilities. Their conditions are to be improved.

Now, Sir, I will refer to another important matter. The State Government is trying to get back the Mizo brothers in our state but the actions they are now taking—I do not want to disclose much here about regrouped villages—the economy of the Mizo people is crushed. The treatment that is mated out to those people by the army is also very deplorable. There are much restriction on the people who are living in the regrouped villages. If these things continue, you cannot bring back the people in our State by force. For this, you require mutual understa nding. Therefore, I submit that the condition of the Mizo people must be improved and that should be done through mutual understanding. I feel, the time for re-thinking has come. In this connection, I submit to our Chief Minister that we should try to discuss the whole matter with the hostile leaders so that normalcy can be restored, If there is none from the Government side to undertake such a task, we volunteer to put our services at the disposal of the Government for this purpose. I personally feel that if we try to contact the hostile leaders in the Mizo Hills we will be able to bring them to home. Therefore, such attempts are to be made and the harrassment that

is made on the people there in the name of law and order should be stopped forthwith. In conclusion, I submit that whatever rules and regulations are there in respect of recruitment of personnel, unless we train them up, they will not be able to give good service to us. The training facilities which at present are available at Dergaon Training Centre are not adequate and not up to the mark. We have suggested that some special arrangement should be made to send some picked up people abroad for studying criminology and also to learn management of police administration. Sir, The Scotland Yard is the best police organisation in the world but only a very few people are sent there for training. Therefore, I submit that highly technically qualified personnel should be sent to foreign countries to take training and they would lay the foundation on their return for training purposes. The Police Department has got two distinct branches one is the C. I. D. and the other is the police force executive. Besides, there is one forensic department but unfortunately in our State no development has taken place in that branch— which is very important. I am told, for want of this particular facility in our State many modern crimes go undetected.

Another matter is that Sir, we should not only give all facilities to the I. P. S. officers alone. Scope for promotion from state Police Service to Indian Police Service is very limited. I would submit that they should be given sufficient scope for promotion so that they can rise to the highest position in the police department. The percentage of promotion should be increased. Another thing is that the gradation list of that department is not being properly maintained ; therefore, favouritism and nepotism can go unchecked in that department. If somebody does not like somebody, though he is efficient, he does not get a chance of promotion. I hope the Chief Minister will look into it so that there is no dissatisfaction in the ranks and the department becomes efficient.

Another point is in regard to traffic control. Adequate training facilities should be given to impart control to the police personnal. I hope the police Commission gives their recommendations in this respect. If these came to our notice, we could hold a fruitful discussion on the recommendations but unfortunately it did not come. In future if it comes for discussion we will take part in it and give our views.

My suggestion is that the service condition of the police personnel should be improved ; it should be reorientated bringing in new systems in place of he old system that are now prevailing in our state With these few observations, Sir, I command my cut motion.

*Shri Promode Chand.a Gogoi—माननीय অধ্যক্ষ ডাঙৰীয়া, পুলিচৰ শিতানত উত্থাপন কৰা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব বিচাৰিছো যে আমাৰ সমাজত পুলিচ বাহিনীৰ কাম-কাজ সম্পৰ্কে পৰ্য্যালোচনা হোৱা নিতান্ত প্ৰয়োজন। সেই উদ্দেশ্যে পুলিচ কমিশ্যন এটা গঠন কৰা হ'ল আৰু সেই পুলিচ কমিশ্যনৰ প্ৰতিবেদন এতিয়া ইয়াত আমি পোৱা নাই। তেওঁলোকে কি পৰামৰ্শ দিলে মই নাজানো কিন্তু এইটো কথা মই বিবেচনা কৰোঁ যে এখন গতিশীল সমাজৰ পুলিচ বাহিনীৰ যি ভূমিকা তাৰ নিতান্ত পৰিবৰ্তন হোৱা প্ৰয়োজন। আগতে যেতিয়া বিদেশী শাসন আছিল তেতিয়া জনসাধাৰণৰ আন্দোলন দমন কৰিবলৈহে পুলিচ বাহিনী ব্যৱহাৰ কৰিছিল। আৰু সেইবাবেই পুলিচ বাহিনী জনসাধাৰণৰ শত্ৰুৰূপে পৰিগণিত হৈছিল। কিন্তু আজি এখন পৰিবৰ্তনশীল সমাজত পুলিচ বাহিনী জনসাধাৰণৰ শত্ৰু হিচাবে জনসাধাৰণৰ আন্দোলন দমন কৰিবলৈ বুলি ৰাখিলেই নহ'ব। যিহেতু সমাজ গঠনৰ ক্ষেত্ৰত পুলিচ বাহিনীৰ ভূমিকা অন্যতম সেইবাবে বৰ্তমান সমাজ গঠন কৰিবলৈ হ'লে পুলিচ বাহিনীৰ পৰিবৰ্তন নিতান্ত আৱশ্যক।

আজি আমাৰ প্ৰদেশত পুলিচ বাহিনীক আইন শৃঙ্খলা ৰক্ষা কৰাৰ

*Speech not Corrected.

নামত আন্দোলন দমন কৰাতহে ব্যৱহাৰ কৰিছে। এই কথা মই কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। পুলিচ বাহিনীক আন্দোলন দমনত ব্যৱহাৰ কৰিবলৈ গৈ তেওঁলোকক জনসাধাৰণৰ শত্ৰু হিচাবে পৰিগণিত কৰাটো নিতান্তই সমীচিন নহয়। আমাৰ প্ৰদেশত যোৱা কেইবছৰ ধৰি যিবিলাক আন্দোলন হৈছিল তাক দমন কৰাৰ কাৰণে পুলিচে গুলীচালনা কৰিলে তাৰ বাবে তদন্ত কমিটি গঠন কৰা হ'ল। গুলীচালনা সঠিক হৈছিল নে নাই তাৰ তদন্ত ৰিপোৰ্ট আজিলৈকে প্ৰকাশ নহ'ল। ১৯৬৬ চনৰ খাদ্য আন্দোলনৰ সময়ত ছিলঙত পুলিচে যি ভাবে অমানুষিক গুলীচালনা কৰিলে আৰু যে ছাত্ৰ-ছাত্ৰী নিহত হ'ল তাৰ তদন্ত ৰিপোৰ্ট প্ৰকাশ হোৱা নাই। ১৯৬৬ চনৰ আগষ্ট মাহত শিৱসাগৰত যি গুলীচালনা হ'ল তাৰ তদন্ত কমিচন কৰা হ'ল কিন্তু তদন্ত ৰিপোৰ্ট আজিলৈকে প্ৰকাশ হোৱা নাই। ইয়াৰ পৰা এই কথা অনুমান কৰিব পাৰি যে যিকোনো আন্দোলনতে চৰকাৰে নিজৰ স্বাৰ্থ ৰক্ষাৰ্থেহে পুলিচ বাহিনী ব্যৱহাৰ কৰে। ৰিপোৰ্টবিলাক প্ৰকাশ নকৰাৰ পৰাও এইটোকে অনুমান কৰিব পাৰি যে হয়তো প্ৰকাশ হ'লে সি চৰকাৰৰ অনুকুলে নাথাকিব। আজি আমি দেখিবলৈ পাইছো যে যিবিলাক শ্ৰমিক আন্দোলন হৈছিল সেই বিলাক দমন কৰিবলৈ পুলিচ বাহিনী ব্যৱহাৰ কৰা হৈছিল। যোৱা এপ্ৰিল মাহৰ ৩ তাৰিখে শিৱসাগৰৰ ONGC কৰ্মচাৰীয়ে ২৪ ঘণ্টাৰ প্ৰতীক ধৰ্মঘট কৰিছিল, তাত প্ৰায় ৫০০০ জন কৰ্মচাৰীয়ে অংশ গ্ৰহণ কৰিছিল আৰু সেই ধৰ্মঘট শান্তিপূৰ্ণ হৈছিল, কোনো বিশৃঙ্খলাই দেখা দিয়া নাছিল। কিন্তু দেখা গ'ল যে সেই শান্তিপূৰ্ণ ধৰ্মঘটকাৰী সকলক দমন কৰাৰ কাৰণে কোনো কাৰণ নোহোৱাকৈয়ে ৮০ জন স্বেচ্ছাসেৱকক পুলিচে গ্ৰেপ্তাৰ কৰিলে। যিহেতু আইন শৃঙ্খলাৰ ব্যতিক্ৰম হোৱা নাছিল গতিকে পুলিচে হস্তক্ষেপ কৰাৰ কোনো প্ৰয়োজন নাছিল। শান্তিপূৰ্ণ বুলি যিহেতু বাতৰি কাকতেও স্বীকাৰ কৰিছে এনে ক্ষেত্ৰত চৰকাৰে শ্ৰমিকৰ বিৰুদ্ধে পুলিচ ব্যৱহাৰ কৰাৰ কোনো প্ৰয়োজন নাছিল। এনেকুৱা দৃষ্টান্ত কেৱল শিৱসাগৰতে নহয় সকলো ঠাইতে দেখিছো। কিছুদিন আগতে গোলাঘাটত এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হ'ল। এজন ব্যক্তিগত মীণ মহলদাৰক ৰক্ষা কৰা কাৰণে আমাৰ জনসাধাৰণক উপেক্ষা কৰি পুলিচৰ দ্বাৰা গুলীচালনা

কৰা হ'ল ফলত বহুতো নিহত হ'ল। গতিকে পুলিচক সমাজৰ আইন শৃঙ্খলা ৰক্ষা কৰাৰ পৰিবৰ্তে নিজৰ স্বাৰ্থ বা ব্যক্তিগত মানুহ এজনৰ স্বাৰ্থ ৰক্ষা কৰিব যোৱাতো দোষণীয় হোৱা নাইনে? তেনেকৈ দেখিবলৈ পাইছো আমাৰ প্ৰদেশৰ বিভিন্ন ঠাইত ভূমিহীন খেতিয়কে মাটি দখল কৰা কাৰণে পুলিচে কি অত্যাচাৰ কৰিছিল সকলোৱে জানে। মানুহ বোৰৰ ঘৰ-দুৱাৰ ভাঙি তিৰোতা সকলৰ ওপৰত অত্যাচাৰ, ঘৰ-দুৱাৰত জুই জ্বলাই দিছিল। ভূমিহীন কৃষকৰ এই আন্দোলন হিংসাত্মক বা অশান্তিপূৰ্ণ নাছিল। গতিকে এই ক্ষেত্ৰত চৰকাৰে পুলিচ বাহিনী ব্যৱহাৰ কৰি তেওঁলোক ৰাইজৰ চকুত বন্ধুত্বৰ পৰিবৰ্তে শত্ৰু বুলি ভাবিবলৈ বাধ্য হৈছে। আনহাতে এইটো পৰিলক্ষিত হৈছে যে জনসাধাৰণৰ আন্দোলনক দমন কৰিবলৈ পুলিচ বাহিনী আইন শৃঙ্খলা ৰক্ষা কৰাৰ কাৰণে নহয়। অধ্যক্ষ মহোদয়, পৰিবৰ্তন-শীল এই দেশখনত পুলিচ বাহিনীৰ ভূমিকা নিতান্তই দৰকাৰ। গতিকে আশকৰো পুলিচ বাহিনীক আন্দোলন দমন কৰাত ব্যৱহাৰ নকৰি আইন শৃঙ্খলা ৰক্ষাত, সমাজ গঠনত ব্যৱহাৰ কৰিব।

অধ্যক্ষ মহোদয় পুলিচ বাহিনীৰ বিভিন্ন দুৰ্নীতি সম্পৰ্কে যিবিলাক আলোচনা হৈছে তাক মই পুনৰ দোহাৰিব নোখোজো। মই মাত্ৰ কব খোজো যে পুলিচ বাহিনীৰ যিসকল নিম্নতম কৰ্মচাৰী তেওঁলোকৰ উন্নতিৰ কাৰণে চৰকাৰে বিশেষ মনোযোগ দিয়া উচিত। আমাৰ চিপাহী তেওঁলোকৰ থকা-মেলাৰ সুবিধাৰ কাৰণে লক্ষ্য ৰখা উচিত আৰু যিবিলাক বাস-ভৱন আছে সেইবিলাক থকাৰ উপযোগী নহয়। বহুতো চিপাহীৰ থকা ঘৰ নাই। ফলত নিম্নতম যি সকল কৰ্মচাৰী ১০০।১৫০ টকা দৰ্মহা পায় তেওঁলোকে ঘৰভাড়া কৰি থাকিব নোৱাৰে গতিকে পুলিচ থকা-মেলাৰ কাৰণে ভাল ব্যৱস্থা কৰি দিব লাগে। অধ্যক্ষ মহোদয় এটা কথা কওঁ যে পুলিচ ASI যিজন, তেওঁৰ সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু চৰকাৰেও জানে। সেই কেচটোৰ বিষয়ে গোটেইখিনি নকওঁ। সেই মানুহজনে কেইবাখনো আবেদন নিবেদন কৰি পত্ৰ লিখিলে কিন্তু তাৰ কোনো ফল নধৰিল। মই কিছুমান কথাৰ পৰা মোৰ অনুমান হৈছে মানুহজন নিৰ্দ্দোষী, উচ্চপদস্থ বিলাকে অন্যায় কৰি বিপদত পেলাইছে। চৰকাৰে অন্যায় বিচাৰ কৰি গোটেই পৰিয়ালটোক তিনি মাহ ধৰি জেলত

ৰাখি দিলে। তেখেতে যিবিলাক নিবেদন দিলে সেই সম্পৰ্কে যি বিবেচনা কৰিছে সেইটো ন্যায় সংগত হোৱা নাই। বৰ্তমান তেওঁ যিখন নিবেদন পত্ৰ দিছে মই আশা কৰিছো চৰকাৰে যেন বিবেচনা কৰি সুবিচাৰ কৰে।

অধ্যক্ষ মহোদয়, এই পুলিচ বাহিনীয়ে যি ভাবে দেশৰ আইন শৃঙ্খলা ৰক্ষা কৰে তাৰ কাৰণে চৰকাৰে আমাৰ পুলিচ বাহিনীক সেই দৰে শিক্ষা দিব লাগে। ইংৰাজৰ দিনত যিদৰে স্বাধীনতাৰ বিৰুদ্ধে যুজিবলৈ শিক্ষা দিছিল, সেই দৰে বৰ্তমান দলীয় স্বাৰ্থৰ কাৰণে পুলিচক নিদি জাতীয় স্বাৰ্থ লৈ আইন শৃঙ্খলাৰ কাৰণে শিক্ষা দিয়া উচিত। কিন্তু সেই শিক্ষা গঠনৰ ক্ষেত্ৰত সাহস কৰিব নোৱাৰে। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া আমাৰ দেশখনৰ বৰ্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত পুলিচ বিভাগটো পৰিষ্কাৰ কৰি পুলিচ কমিচন গঠন কৰা হৈছে। সেই কমিচনটোক পৰামৰ্শ দি যাতে আইন সৃঙ্খলাৰ মাজত আৱদ্ধ থাকি গোটেই পুলিচ বাহিনীটোক যোগ্য বাহিনী হিচাবে সমাজত বিবেচনা কৰিব পাৰে তাবে আশা ৰাখি মই বক্তব্যৰ সামৰণি মাৰিলো।

Shrimati Pranita Talukdar—মাননীয় অধ্যক্ষ মহোদয়, পুলিচৰ শিতানত যি মঞ্জুৰিৰ প্ৰস্তাৱ সদনত দাঙি ধৰা হৈছে ইয়াত মই সমৰ্থন কৰিছো। আজি আমাৰ চৰকাৰৰ সংশ্লিষ্ট বিভাগ আছে। তাৰ ভিতৰত এই পুলিচ বিভাগটো ৰাজ্যৰ আইন শৃঙ্খলাৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অত্যন্ত দৰ্কাৰী। গতিকে এই বিভাগটোত দুৰ্নীতি থাকিব নালাগে আৰু ইয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। আন আন বিভাগৰ শিতানত বছৰি এক বুজন পৰিমাণৰ টকা দিয়া হয়। গতিকে আমাৰ পুলিচ বিভাগৰ ক্ষেত্ৰতো যাতে আইন-শৃঙ্খলাৰ পৰিস্থিতি উন্নত হয় তাৰ কাৰণেও যথেষ্ট টকা দিয়াৰ দৰ্কাৰ। কিন্তু দুখৰ বিষয় যে আমাৰ যিবিলাক থানা আছে, যেনে, উদাহৰণ স্বৰূপে বিজনী, সৰভোগ, নলবাৰী, ৰঙিয়া এই বিলাক থানাৰ অৱস্থা অত্যন্ত দুখলগা। গতিকে মই চৰকাৰক অনুৰোধ কৰো যে চৰকাৰে এই থানাবিলাকৰ উন্নতিকল্পে মনোনিবেশ কৰি, Building আদি ভাল কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে।

মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে আমাৰ সৰভোগৰ

পুলিচ থানাটোৰ বৰ শোচনীয় অৱস্থা। বাৰিষা তাত পানী উঠে, অত্যন্ত অসুবিধা হৈ পৰে। তাৰ ওচৰতে সৰু সৰু ল'ৰা-ছোৱালীৰ এখন প্ৰিঃ প্ৰাইমেৰী নাৰ্চাৰী স্কুল আছে। এই থানাখনৰ পায়খানাৰ অস্বাস্থ্যকৰ পৰিবেশৰ দুৰ্গন্ধত এই স্কুলখনৰ ল'ৰা-ছোৱালী বিলাকে পঢ়া-শুনা কৰিব লগা হয়। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যাতে এই থানাখনৰ Service Latrine উঠাই দি Sanitary Latrine-ৰ ব্যৱস্থা কৰা হয়। পুলিচত কাম কৰা তলৰ খাপৰ কৰ্মচাৰী সকলৰ অৱস্থা একেবাৰেই শোচনীয়। তেওঁলোক থাকিবলৈ বৃটিছৰ যুগৰ নিচিনাই Quarter এটা এটা দিয়া হৈছে। গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে তেওঁলোকে থাকিবলৈ আৰু লগতে পৰিয়াল বৰ্গকো ৰখাৰ সুবিধা কৰিবলৈ চৰকাৰে Quarter বিলাক ভাল কৰিবলৈ যথোচিত ব্যৱস্থা হাতত লব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

## Adjournment

The House then Adjourned for lunch till 2 P.M.

## AFTER LUNCH

(The House met at 2 P.M. with Mr. Speaker in the Chair)

*Shri Lakhyadhar Choudhury—অধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ মঞ্জুৰিৰ বিৰুদ্ধে যিটো কৰ্তন প্ৰস্তাৱ আনিছে মই সেইটো সমৰ্থন কৰি দুআৰমান কব খুজিছো। আমাৰ শ্ৰীগগৈদেৱে কোৱাৰ দৰে পুলিচ কমিচনৰ ৰিপৰ্টটো আমাৰ মাজত ভালকৈ প্ৰচাৰ কৰা হ'লে আমিও কিছু মন্তব্য কৰিব পাৰিলোহেঁতেন। পিচে কিতাপখন দেখিয়েই ভয় লাগিছে আৰু পেটতে হাত-ভৰি লুকাইছে। মোৰ বোধেৰে সেইখন পঢ়ি এটা ৰিপৰ্ট দিবলৈ মুখ্যমন্ত্ৰীয়ে কমিচন এখন পাতি দিয়াই ভাল হ'ব। আমাৰ পুলিচ

*Speech not Corrected.

বিভাগটো বৃটিছ চৰকাৰৰ পদক্ষেপত চলি থকাৰ কাৰণেই পুলিচ আৰু সমাজৰ মাজত কল্যাণকামী ৰাষ্ট্ৰৰ যি সম্বন্ধ হ'ব লাগে এই সম্বন্ধ নোহোৱা হৈছে। মই এজন ইংৰাজ অভিনেতাৰ জীৱনী পঢ়োতে পাইছিলো যে লণ্ডনৰ পুলিচৰ হাতত যদি কোনো ড্ৰাইভাৰে কাৰোবাৰ কোটটো চমজায় দি যায় ঠিক সেই ঠাইতে পায়। কিন্তু আমাৰ ইয়াত চুৰি হ'লে বা হত্যাকাণ্ডৰ দোষীক দেখুৱাই দিলেও ধৰিব নোৱাৰাৰ নমুনা মোৰ হাততে বহুত আছে। পুলিচ বিভাগটো পুনৰ গঠন কৰি পুলিচে সমাজৰ সেৱক হিচাপে কাম কৰিব নোৱাৰিলে পুলিচ সদায় ঘৃণাৰ পাত্ৰ হৈয়ে থাকিব। তদুপৰি চৰকাৰৰ বিভিন্ন বিভাগৰ যি সুবিধা পুলিচৰ সেই সুবিধাও নাই। কমলপুৰ থানাৰ এলেকা ডাঙৰ। তাত এটা ঘটনা ঘটিছিল। এখন গাঁৱত এৰাতি গৰু চোৰ হৈছিল আৰু চোৰটো ধৰি বান্ধি থৈছিল। সেই ৰাতিয়েই আন ফালে এটা ডকাইতিও হ'ল। দুইফালৰ পৰা থানাত খবৰ দিলে পুলিচ যাব লাগে। এতিয়া কোনফালে আগে যাব কোনফালে পিছত যাব সেইটো ঠিবাং কৰোতেই ৰাতি পুৱাল।

তাৰ পিছত এজন গৰু চোৰে গৰু চুৰ কৰি বান্ধি নিয়াত গিৰীহতে থানাত খবৰ দিবলৈ আহিল। থিক সেই সময়তে কমলপুৰ থানাৰ O.C.-এ আৰু এঘৰ মানুহৰ চোৰ হোৱাৰ খবৰ পালে। এফালে তিনি মাইল দূৰ এফালে ডেৰ মাইল দূৰ। O.C. ৰাতি নগ'ল। ৰাতি-পুৱাই গৈ চোৰ হোৱা মানুহ ঘৰত গৈ সোমালগৈ পিছে কি হ'ব "চোৰ গ'লে বুদ্ধি বৰষুণ গ'লে জাপি।" গতিকে কমলপুৰ থানাত মাত্ৰ দুজন পুলিচ, এজন হাবিলদাৰ এজন S. I. থকাৰ কাৰণে সময়ৰ কাম সময়ত হোৱা নাই। গাৰী-ঘোঁৰা একো নাই। সেই কাৰণে মই কৈছো যে পুলিচক আৱশ্যকীয় সুবিধা দিব লাগে। কিন্তু আমাৰ চৰকাৰে সেইখিনি দিব পৰা নাই। B. D. O., S. D. C. এই সকলে সকলো সুবিধা পায়। গতিকে পুলিচৰ Essential Service-অক সকলো ৰকমৰ সুবিধা দিব লাগে। ইয়াৰোপৰি আমাৰ অসমৰ যিবোৰ Armed Police আছে তেওঁলোকৰ পৰিয়ালবৰ্গ থাকিবৰ কাৰণে ঘৰৰ ব্যৱস্থা কৰি দিব লাগে। কাৰণ গুৱাহাটী চহৰতে দেখা গৈছে যে অকণমানি এটা কোঠা তাৰ চালিতে পাকঘৰ আৰু দুশ-তিনিশৰ ভিতৰত এটা Common পায়খানা

আৰু স্নান গৃহ। গতিকে এই সকলোৰে প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পুলিচক যাৱতীয় সুবিধা দিব লাগে। এতিয়া মই পুলিচৰ বেয়া ফালটোৰ কথা কওঁ। কিছুমান ক্ষেত্ৰত দেখিছো যে পুলিচে কেতিয়াবা দোষী বা দাগীৰ পক্ষ লয়। আনফালে দেখা গৈছে আজিকালি হত্যাকাণ্ড কৰা একেবাৰে সাধাৰণ হৈ পৰিছে। অলপদিনৰ আগতে ব্ৰহ্মপুত্ৰ দলঙৰ পৰা ডেৰ মাইল আঁতৰত এজন মানুহ মৃত অৱস্থাত পোৱা হৈছিল। যেতিয়া সেই মানুহজনৰ মৃত দেহ Post Mortem কৰা হ'ল তেতিয়া ডাক্তৰৰ Report মতে জনা গ'ল যে মানুহ জনক ভুকুৱাই মৰা হৈছে। গুৱাহাটীৰ পৰা ডেৰমাইল আঁতৰত দিনৰ বেলাতে এনে ঘটনা হৈছে অথচ পুলিচ যোৱা নাই। গতিকে এনেধৰণৰ ঘটনাই সেই অঞ্চলত থকা জন-জাতীয় মানুহৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইয়াৰোপৰি যোৱা ৩০ মাৰ্চত ডিব্ৰুগড়ত এজন লোকক হত্যা কৰা হয়। তেওঁ এজন বনুৱা কৰ্মী আৰু হিন্দ্ মজদুৰ সভাৰ সাধাৰণ সম্পাদক, তেওঁৰ নাম শ্ৰীবেনু হাজৰিকা। এই বিষয়ে তদন্ত কৰিবৰ কাৰণে দাবী জনোৱা হৈছিল। আমি জনামতে এজন ৰিক্সাৱালাই কোনোবা এটা Out Post-অত খবৰ দিলেহি যে ৰাস্তাতে এজন মানুহ পৰি আছে। পুলিচে মানুহজনক লৈ আনি ডিব্ৰুগড় থানাত চমজাই দিয়ে আৰু থানাই তেওঁক Medical College-লৈ পঠিয়াই দিয়ে। Medical-অত কি হ'ল কব নোৱাৰো। ডাক্তৰে থানালৈ পঠাই দিলে। দোষী হ'লেও আঘাট পোৱা মানুহক Hospital-অত ৰাখিৰ লাগে; তেনেস্থলত সেইজন লোকক কোনো পৰিচৰ্য্যা নকৰি ক'লে যে দোষীক আটক কৰি ৰাখিব লাগে, কিয়নো মানুহজনে মদ খাইছে। তাৰপিছত বেনু হাজৰিকা মৰিল। Post Mortem-ৰ Report-অত পোৱা গ'ল যে মূৰৰ খোলা ভাঙি দিয়া হৈছে কিন্তু Stomach-অত মদ ওলোৱা নাই, গতিকে First Aid দিয়াৰ পিছত তেওঁক কিয় ঘৰত চমজাই নিদি হাজোতত ৰখা হৈছিল আৰু কেনেকৈ তেওঁৰ মূৰ ভাগিবলৈ পালে। গতিকে এইটো কথা সাথবৰ দৰে হৈছে। যি মৰিল মৰিল কিন্তু আমি যিবোৰ মৰা নাই সেইবোৰৰ এটা নিৰাপত্তা লাগে। Labour Union-অৰ নেতাৰে এই দুৰবস্থা। আমাৰ শৰ্মাদেৱে যিবোৰ Industry পাতিছে তাতো দেখা গৈছে কথা কৈ ফুৰাবোৰৰে বিপদ।

পাইখাইটিত, গুৱাহাটীৰ ওচৰত, Hard Board Factory আছে। অধ্যক্ষ মহোদয়, এইটো কথা এই কাৰণেই কৈছোঁ যে গুৱাহাটীত Associated Industry আৰু পানীখাইটিত Haord Board Industry-ও আছে। দূৰৰ নেদেখা কথা কোৱা নাই। দেখাদেখিতে থকা কথাকেই কৈছোঁ।

আমাৰ পুলিচ বিভাগত Library বা কাগজ-পত্ৰৰ কোনো ব্যৱস্থা নাই। যিবিলাকৰ পৰা লোকে মনৰ খোৰাক পাব পাৰে। থিয়েটাৰ আদিতো বিনামূলীয়াকৈ সোমায়। অনেকেই কবিতা লিখে কিন্তু পুলিচ বিভাগত থকা লোকে কবিতা লিখাৰো সুবিধা নাপায়। সাহিত্য চৰ্চা কৰিবলৈও কোনো সুবিধা নাপায়। থিয়েটাৰ আদিও কৰিব নোৱাৰে। নাটক লিখিবও নোৱাৰে যিহেতু নাট্যকাৰে আচল কথাহে লিখিব লাগে আৰু Devil ৰূপায়িত কৰিব লগীয়া হয়। বেয়া কথাখিনি নাটকত এৰি দিব নোৱাৰে। বিৰহ দেখুৱালেও শেষত বেলত হলেও মিলন দেখুৱাব লাগিব। যেনেকৈ অভিজ্ঞান শকুন্তলাত দেখুৱাইছে।

পুলিচ বিভাগৰ সমাজৰ লগত কোনো সম্বন্ধ গঢ়ি নুঠাৰ ফলত কোনো ল'ৰাই দুষ্টামি কৰিলেও তাক ভয় দেখুৱাবলৈ পুলিচৰ কথাহে কয়। গুৱাহাটীত এজন ভদ্ৰলোকৰ ঘৰত দেখিলো যে ঘৰৰ চাকৰ ল'ৰাটোকো ভয় দেখুৱায়, পুলিচত দিব বুলি। নহ'লে সিহঁতে বেছি দৰমহা পালে আন এঠাইলৈ যাবলৈ ওলায়। সেয়ে এটুকুৰা কাগজ লৈ ক'লে যে M. L. A. আহিছে গতিকে Report দি দিম। এনেকুৱাই হ'ল জন-সাধাৰণৰ মাজত পুলিচৰ প্ৰতি মনোভাৱ।

এইখিনি কথাকে কৈ পুলিচ বিভাগৰ ওপৰত অনা কৰ্তন প্ৰস্তাৱটো সৰ্বান্তঃকৰণে সমৰ্থন কৰিছোঁ। আকৌ বিশেষকৈ বেন্থু হাজৰিকাৰ মৃত্যুৰ বিষয়ে পুলিচ বিভাগৰ পৰা এটা নিৰ্ভুল Report আনিবলৈ কৈ থলোঁ। ডিব্ৰুগড়ত হোৱা ৰাজহুৱা সভাৰ সন্মান ৰাখি হ'লেও এইটো তদন্ত কৰক। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Giasuddin Ahmed—Mr. Speaker, Sir, I support the cut motion. The purpose of the Police Department is basically to maintain law and order and internal peace. This purpose is almost similar under all systems of Government, whether it is a democratic

system of Government or it is a monarchy, or it is a dictatorial government. So far as this is concerned, i.e. simply maintaining law and order and internal peace, this is almost the same in all systems of Government. But Sir, along with the development of the concept of welfare State. the aims and objects of the Police Department must be wider and it must be helpful in the development of a welfare State in all spheres of activities of the government and the society. But unfortunately, Sir, as many of my friends have pointed out, our Police Department have failed to keep pace with the developing situation, with the ever changing environment and the society of the country and the world. What we have found ? Sir, let me take their performance in maintaining law and order. The first and foremost duty the Police Department has been entrusted with is to see that law is obeyed, that law is not violated, that the citizens do not act against the law that is in force. But what we find, these so called protectors of law are the greatest breakers of law. That is the greatest paradox in our Police Administration We all know what actually happens in the police stations. As soon as a complaint is received the Police officer ( I do not like to mention any particular officer ) tries to make the case a great source of income, a potential source of exploitation and extortion of money When a complaint is filed regarding a theft or dacoity or say a murder—what the Police officers do ? They will try to find out the well-to-do people living in the neighbourhood. They do not care to detect the real culprit but they will try to find out the well-to-do people living in that area and on baseless or false charges they will try to harrass the people without caring to see whether these people are really connected with the case Sometimes the police officers will go to them threaten them and in certain cases they will arrest them in order to extort money. That is one side of the picture. Sometimes even the complainant is not spared. However

serious the case may be the complainant will have to pay something to make the Police move. When you lodge an ejahar regarding a certain occurence you are an aggrieved party and you go to the Police for remedy, but the Police will make you another victim the second time, untill and unless you can pay something to them, they will not take cognizance of the case although the case might be a cognizable one. So to get redress one will have to pay money to the Police. When he gets money he will try to find the well-to-do people and try to harrass anybody and everybody who may be available, and ultimately even if the real culprit is detected and he is arrested then that becomes another source of income for the Police officer. If the real culprit can pay something to the satisfaction of the Police then the police will take either of the two actions—one is to submit a final report saying that there is no evidence or sufficient evidence to prosecute him, or in certain cases when final report is not possible he will submit a defective chargesheet which cannot stand in a court of law. This is done deliberately and purposefully so that the culprit is ultimately acquitted by the court of law. That happens in 99% of the cases. It is our experience that in 99% of the criminal cases the accused persons are acquitted—sometimes honourably and sometimes under benefit of doubt.

Shri Kamakhya Prasad Tripathi. (Minister, Finance)—This is an exageration.

Shri Giasuddin Ahmed—This is not an exageration.

Shri Kamakhya Prasad Tripathi—This is called argumentum adignarantia.

Shri Giasuddin Ahmed—In almost 90% cases the accused persons are acquitted, and this I can say without the least fear of contradiction. I am sorry that the figures are not readily available with me. This is not my personal assessment. This is the figure supplied by the Government itself. The number of persons

acquitted in criminal cases will in no case be less than 90%. This is the performance of the Police department Again the Police Department has a great role to play in assisting the Judiciary. Democracy which is based on rule of law is based on successful performance of the judiciary, judiciary is again dependent on the Police department to a great extent. Although the police Department is an executive department, in many cases in many circumstances the Police department is rather a right hand of the judiciary. When a complaint in filed before a Magistrate or when a petition u/s 107 Cr. P. C. is filed the magistrate passes an order asking the O. C. of a particular Police Station to make an enquiry and report. When such a petition is sent to the Police this becomes another source of income. Then both the parties will approach the Police officer and he will try to get money from both the sides and he who will be able to pay the highest amount will be the beneficiary nomater whether he is the first party or the second party. This is what is happening. This is not called rule of law, this is called rule of jungles. Therefore suggestions have been given from time to time for a revolutionery change in the police administration. Our Govt. is based on democracy, secularism and socialism. These principles must be accepted sincerely by every group of people—whether they work in the Police Department, whether they work in Industry or whether thay are agriculturists or whether they are engaged in some other sphere of life. Every citizen of the country must be imbued with this spirit. As regards the Police Department they must be more devoted to these principles because it is the Police department which should be our friends, guide and philosopher in the advancement of socialism. I am going to refer to the matter of secularism. Secularism has been accepted as a fundamental principle on the basis of which our country will have to build her future. I am sorry to, say that this Police

Deptt. has communalised itself and thereby has dealt the severest blow to our state policy. Without the least fear of contradiction I should say that recruitment made in the Police Department is being made on communal basis since 1947. Since 1947, I should say, not a single person from the minority has been recruited in the police department.

Shri Kamakhya Prasad Tripathi—May I point out the no. of conviction to be 40.5 per cent in 1968.

Shri Dulal Chandra Barua—I think this has been stated on the basis of recommendation made by the Police Commission. Why this copy has not been circulated to us.

Shri Mahendra Mohan Choudhury, (Chief Minister)—That will be circulated.

Shri Kamakhya Prasad Tripathi,—I am giving the figure as 40.5 percent.

Shri Giasuddin Ahmed—Sir, figures are not readily available with me. My whole contention is this—the Police Department, which is supposed to be the guardian of not only law and order in the country, should also be the guardian of democracy, socialism and secularism. But this Department is poisoned with communalism. If I am proved to be wrong I shall be very much glad. With these few words I support the cut-motion.

Smt. Lily Sengupta—মাননীয় অধ্যক্ষ মহোদয়, এই পুলিচ বিভাগটো আৰু কৰ্ম তৎপৰ হ'লহেতেন আৰু উপযুক্ত সেৱা আগবঢ়াব পাৰিলেহেঁতেন যদি আমাৰ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি একোটা পুলিচ unit চৰকাৰে দিব পাৰিলেহেঁতেন। আজি দেশত যিমান বিলাক গণতান্ত্ৰিক আন্দোলন বা সভা শোভাযাত্ৰা হয় সকলোতে পুলিচক শান্তি শৃঙ্খলা ৰক্ষাৰ ভাৰ দিয়া হয়। সেই অনুপাতে পুলিচৰ সংখ্যা কম। গতিকে দুহেজাৰৰ জনসংখ্যাৰ ওপৰত এটা police unit থাকিব লাগে আৰু সেই পৰিমাণৰ কনিষ্ঠবল থাকিব লাগে। কিন্তু দুখৰ বিষয় আমাৰ একোটা মৌজাতেই পুলিচ ইউনিট নাই। এনে ব্যৱস্থা কৰিলে উদ্ভৱ হোৱা

যি কোনো পৰিস্থিতিয়েই শান্তিপূৰ্ণভাৱে সমাধান কৰিব পাৰিব। এটা বিষয় অৱশ্যে সংশোধৰ হব লাগে। বৰ্তমান ব্যৱস্থাত কোনো এজনে এজনৰ বিৰুদ্ধে Case কৰিলে পুলিচে তদন্ত কৰি অপৰাধ সাব্যস্ত কৰে আৰু Case টো কৰ্টলৈ পঠিয়াই। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে Case টোৰ Merit লৈ ন'গৈ, Case কৰ্টলৈ পঠিয়ালে আৰু তাৰ তাৰিখ হৈয়ে আছে কিন্তু তদন্তৰ report আদি নাহে মানে অপৰাধী সকলে পুলিচ আৰু কছাৰী, যাতায়ত কৰি হায়ৰাণ হয়, বহু খৰচান্ত হয়, অলপ ভালকৈ লক্ষ্য কৰিলে দেখা যায় যে, তেনেধৰণৰ case ৰেজিষ্টাৰ কৰি তদন্তৰ পাছতেই গুণাগুণৰ ওপৰত কম সময়তে ৰিচাৰ পুলিচেই কৰিব পাৰিব লাগিছিল। আমাৰ এই সদনতে বহু সময়ত privilege motion আদি আহে, মাননীয় সদস্যসকলে আনে, কিন্তু Motion আনিলেই গৃহীত হৈ নেযায়, তাৰ গুণাগুণ বিবেচনাৰ পাছত হে গ্ৰহণ কৰা হয়। সেই ধৰণেই Case এটা কৰিলে সাক্ষী আদি বিচৰাৰ আগতে তেনে Case গ্ৰহণযোগ্য হয় নে নহয় পুলিচে অলপ বিবেচনা কৰা প্ৰয়োজন, আৰু সেই ধৰণৰ Case কৰ্টত পঠিওৱাৰ আগতে কোনো এজন পুলিচ বিষয়াই Case টোৰ যোগ্যতা যদি ধাৰ্য্য কৰে ৰাইজৰ হাৰাশাস্তি বহু লাঘৱ হব। মাননীয় সদস্য দুগৰাকী মানে কৈছে যে, পুলিচৰ দ্বাৰা ট্ৰেড ইউনিয়ন আন্দোলন দমন কৰা হয় আৰু পুলিচৰ সহায়ত ট্ৰেড ইউনিয়ন চলোৱা হয়। এই কথাখিনি মই বিৰোধ কৰিব খোজো, ট্ৰেড ইউনিয়ন আন্দোলন দুৰ্ব্বল নহয় ন্যায়িক আন্দোলন, পুলিচক ভয় কৰাৰ কোনো কাৰণ নাই—কিছুমান দুৰ্ব্বল কৰ্তৃপক্ষইহে পুলিচৰ সহায় বা আশ্ৰয় লয়, কাৰণ তেওঁলোকৰ মন দুৰ্ব্বল গতিকে ট্ৰেডইউনিয়নক পুলিচৰ দ্বাৰা দমন কৰিব খোজে, কিন্তু সাধাৰণতে উদ্যোগ সমূহে শুদ্ধ ট্ৰেড ইউনিয়ন আই, এন, টি, ইউ, চিক-বিশ্বাস কৰে, আই, এন, টি, ইউ, চিৰ আন্দোলন ন্যায়িক আন্দোলন শান্তিকামী আন্দোলন এই কথা সকলোৱে জানে। অৱশ্যে ডিব্ৰুগড়ত মেডিকেল কলেজ কৰ্তৃপক্ষই এবাৰ যেতিয়া পুলিচৰ সহায় লৈছিল, সেই সময়ত মই S. P. ক জনাইছিলো, যে পুলিচে যেন ট্ৰেড ইউনিয়ন আন্দোলনত অনাহকত হস্তক্ষেপ নকৰে। S. P. য়ে তদন্ত কৰি তাৰ ব্যৱস্থা লৈছিল। জনাই দিছো যাতে Trade Unionত পুলিচে

ভৱিষ্যতে হস্তক্ষেপ নকৰে। এটা কথাত আমি ভাল পাইছো যে বাজেটত পুলিচৰ মনোৰঞ্জনৰ কাৰণে দুহেজাৰ টকাৰ সাহায্য আগবঢ়াইছে। কাৰণ সদায় অপৰাধ মূলক মানুহৰ Case আদি লৈ তেওঁলোকৰ মন বিলাক বেয়া হৈ থাকে গতিকে মাজে সময়ে মনোৰঞ্জন মূলক ব্যৱস্থাৰ প্ৰয়োজন আছে। গতিকে ভাল পাইছো। ডিব্ৰুগড়ৰ পুলিচৰ সম্পৰ্কত মাননীয় ৰবা ডাঙৰীয়াই যিটো কৈছে সেইটো সত্য নহয়। তেতিয়াৰ শিক্ষা-মন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাদেৱৰ অনুৰোধ ক্ৰমে মাকুমৰ এজন ব্যৱসায়ীৰ দ্বাৰা নিৰ্মালী হাইস্কুলৰ এই ঘৰটো প্ৰায় এক লাখ টকাত সাজি দান দিছে। ইয়াৰ লগত পুলিচৰ কোনো সম্পৰ্ক নাই। তাৰোপৰি সেই সময়ত S. P. চক্ৰৱৰ্ত্তী নাছিল।

Shri Phani Bora—মই কৈছিলো নিৰ্মালী হাইস্কুলৰ নামত S. P. জনে কাঠ মাকুমত ফলাই আন কামত ব্যৱহাৰ কৰিছে।

Smt. Lily Sengupta—S. P. চক্ৰৱৰ্ত্তীৰ লগত এইটোৰ কোনো সম্পৰ্ক নাই। অধ্যক্ষ মহোদয়, ডিব্ৰুগড় থানাটো বহুত দিনৰ আগতে সজা আৰু বৰ্ত্তমানৰ পুলিচৰ সংখ্যা অনুপাতে ঘৰটো সৰু হৈছে আনকি বহিবলৈ ঠাই নাইকীয়া হৈছে। গতিকে এইটোৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। পুলিচে বহুতো সময়ত গোপনে, বা গোপনীয় ব্যৱস্থা লবলগীয়া হয়। কিন্তু ডিব্ৰুগড় থানাত সেই ব্যৱস্থা থকা প্ৰায় অসম্ভব, ব্যস্ত চাৰি আলিৰ ওপৰত থকা থানাত কিবা আন্দোলন আদি হ'লে চাৰিও ফালে মানুহে ভৰি যায়। গতিকে ৰাস্তাৰ ওপৰৰ পৰা এই থানা হয় অন্য ঠাইলৈ স্থানান্তৰ কৰিব লাগে, নহ'লে ভাল ধৰণে কাম কৰিব পৰাকৈ সকলো ব্যৱস্থা দিবলৈ চৰকাৰক অনুৰোধ কৰিলো।

মানকটা মৌজাত এটা ভাল out post ৰ যথেষ্ট প্ৰয়োজন আছে। ৰাইজে তাৰ বাবে বহু আবেদন নিবেদন কৰিছে। গতিকে আশাকৰো এই ব্যৱস্থা পলম নকৰাকৈ কৰা হব।

*Shri Premodhar Bora—চেয়াৰমেন মহোদয়, পুলিচৰ শিতানত অহা প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ গৈ ৰাজ্যিক চৰকাৰ আৰু এই বিভাগৰ

*Speech not corrected

কেইটামান দোষ-ত্রুটী মই আঙুলিয়াই দিবলৈ বিচাৰিছো। প্ৰথমতে আমাৰ বাজেটৰ পৰা ১৫ কোটি টকা পুলিচৰ শিতানত খৰচ কৰা হৈছে। অসমৰ জনসংখ্যা অনুসৰি ১ কোটি ১৮ লাখ মানুহৰ ১৫ কোটি টকা পুলিচ বিভাগৰ শিতানত যে খৰচ কৰা হৈছে এই কথাটো তেওঁলোকে উপলব্ধি কৰিব পাৰিছেনে নাই? আজি যি ১৫ কোটি টকা খৰচ কৰা হৈছে সেই টকা অসমৰ জনসাধাৰণৰ প্ৰত্যেকেই দহ টকাকৈ দিছে সেই কথা উপলব্ধি হৈছেনে নাই। চৰকাৰে চকু দিব লাগে যাতে পুলিচ কৰ্মচাৰী আৰু ৰাইজৰ মাজত এটা সৌহাৰ্দ্যপূৰ্ণ ভাৱ গঢ়ি তুলিব পাৰে। কিয়নো পুলিচ কৰ্মচাৰী সকলে কেতিয়াও ৰাইজক সেৱক হিচাবে নাচায়। তেওঁলোকে ৰাইজৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ চায়। গতিকে ৰাইজে উপলব্ধি কৰিবলৈ টান পায় পায় যে এই বিভাগটোৰ কাৰণে তেওঁলোকে আটায়ে দহটাকৈ হ'লেও দিছে। সেয়ে আজি পুলিচ বিষয়াসকলৰ মনত এনে ভাব গঢ়ি উঠিব লাগিব যাতে ৰাইজৰ শান্তিৰক্ষাৰ কাৰণে তেওঁলোকক নিয়োগ কৰা হৈছে—যাৰ বাবে গৰীৱ ৰাইজে ১০ টকাকৈ দিব লগা হৈছে। পুলিচ আৰু ৰাইজৰ মাজত ভালদৰে বুজা-পৰা নহ'লে দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষা হ'ব নোৱাৰে। অন্যান্য বিভাগৰ দৰে পুলিচ বিভাগটো Liason Officer ৰখা দৰ্কাৰ, যাৰ দ্বাৰা পুলিচ বিভাগ আৰু ৰাইজৰ মাজত সম্পৰ্ক উন্নত হয়, ৰাইজে যাতে উপলব্ধি কৰিব পাৰে পুলিচ বিষয়া সকলে শান্তি ৰক্ষা কৰিবৰ কাৰণেই সেৱক হিচাবে কাম কৰিছে। যি ১৫ কোটি টকা পুলিচ বিভাগৰ শিতানত খৰচ কৰা হৈছে, তাৰ ১০ কোটিমান জিলা অফিচত আৰু ৫ কোটিমান ওপৰৰ মহলাত খৰচ কৰা হৈছে। কিন্তু তলৰ মহল বিলাকত টকাৰ খৰচ আৰু বাঢ়িব লাগে তেতিয়াহে আমি ভাল শাসন আশা কৰিব পাৰো। এজন পুলিচে ১২০ টকা দৰ্মহা পাই এটা পৰিয়াল চলাব লাগে। পুলিচ আৰু ৰাইজৰ মাজত যি সমন্বয় আছিল আজি স্বাধীনতাৰ ২৫ বছৰৰ পাছতো সেই একে অৱস্থাই আছে। আমি তেওঁলোকক বেলেগ ধৰণে চাব পৰা নাই। বৰ্তমান আমাৰ দেশে যিবোৰ সমস্যাৰ সন্মুখীন হৈছে যেনে, চুৰি-ডকাইতি ইত্যাদিবোৰ, সেইবোৰ দমন কৰিবলৈ হ'লে সুসজ্জিত অস্ত্ৰৰ প্ৰয়োজন। কিন্তু তাৰ ঠাইত এখন জিপগাড়ীৰো অভাৱ। গতিকে আধুনিক যুগত

যাতে তেওঁলোক খাপ খাই চলিব পাৰে তাৰ কাৰণে চৰকাৰে বুদ্ধিৰে ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি গাওঁৰক্ষী বাহিনীৰ শিতানত যি ২১ লাখ টকা ধৰা হৈছে সিয়ো অতি কম হৈছে। স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাই কৈছিল যে সমাজত শান্তি শৃঙ্খলা ৰক্ষা কৰিবলৈ হ'লে V.D.P.-ক সকলো ৰকমৰ সা-সুবিধা দিব লাগিব। আৰু তেওঁলোকক Semi Permanent হিচাবে ৰাখিলে ভাল হয়। ইয়াৰ পাচত আমাৰ যি Fire Brigade আছে সি অতি কম হৈছে। Municipality থকা Town বোৰত Fire Brigade ৰাখিব লাগে। সম্ভৱ হ'লে থানাবোৰতো জুই নিৰ্বাপক বাহিনী ৰাখিব লাগে। মই আৰু বেচি নকওঁ। চৰকাৰক ইয়াকে অনুৰোধ কৰো যাতে পুলিচ বিষয়া আৰু ৰাইজৰ সম্পৰ্কতো মধুৰ হয় তাৰ কাৰণে চৰকাৰক দাবী জনাই মই এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

*Shri Narayan Chandra Bhuyan—মাননীয় অধ্যক্ষ মহোদয়, পুলিচৰ শিতানত যি কৰ্তন প্ৰস্তাৱ আনিছে সেইটোৰ মই বিৰোধীতা কৰিছো। পুলিচ বিভাগটো এনে এটা বিভাগ যাৰ ওপৰত ৰাজ্যৰ শান্তি শৃঙ্খলা আৰু নিৰাপত্তা নিৰ্ভৰ কৰে। গতিকে এই বিভাগটো যাতে কাৰ্য্যদক্ষ হয় আৰু ভালভাৱে পৰিচালিত হয় তাৰবাবে ৰাইজ আৰু চৰকাৰ উভয়ৰে দায়িত্ব আছে। ইংৰাজ চৰকাৰৰ দিনত পুলিচক মানুহে ভয় কৰিছিল, পুলিচে ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল আৰু আজি স্বাধীনতাৰ ২৫ বছৰৰ পাছতো পুলিচ আৰু ৰাইজৰ মাজত সম্পৰ্কৰ কোনো পৰিবৰ্তন নহ'ল। এইটো সঁচায়ে দুৰ্ভাগ্যৰ কথা। পুলিচ আহিলে সকলো ৰাইজৰ মাজতে সন্ত্ৰাসৰ সৃষ্টি হয়। ৰাজ্যৰ শান্তি শৃঙ্খলা অটুত ৰাখিবলৈ হ'লে এই বিভাগৰ লগত ৰাইজৰ সম্পূৰ্ণ সহযোগৰ দৰ্কাৰ। এইটো কৰিবৰ কাৰণে চৰকাৰে চিন্তা কৰিব লাগে। এই বিভাগটো যাতে সুদৃঢ় ভাৱে গঢ়ি তুলিব পাৰে তাৰ বাবে চৰকাৰে চকু দিব লাগে। ইয়াৰোপৰি পুলিচৰ দায়িত্ব ভালদৰে পালন কৰিবলৈ হ'লে তেওঁলোককো চৰকাৰে সকলো ৰকমৰ সা-সুবিধা দিব লাগিব। তেওঁলোকৰ কামত যাতে অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।

*Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, পুলিচ প্ৰশাসনৰ বাবে যি কৰ্তন প্ৰস্তাৱ আহিছে তাৰ বিৰোধিতা কৰি মই ডুযাৰমান কৰ খুজিছো। আমাৰ ৰাজ্যখনত আজি আটাইতকৈ প্ৰয়োজনীয় বিভাগটো হ'ল পুলিচ বিভাগ ; ৰাজনৈতিক নিৰাপত্তা আৰু আমাৰ দেশত শান্তি শৃঙ্খলা ৰক্ষা কৰিবলৈ গোটেই খিনিয়েই পুলিচ প্ৰশাসনৰ ওপৰত নিৰ্ভৰ কৰে। এই পুলিচ ৰিভাগটোৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰিবলৈ আৰু ইয়াৰ কাৰ্য্য পৰিচালনা সুচাৰুৰূপে চাবলৈ আমাৰ ৰাইজ আৰু চৰকাৰ উভয়ৰে দায়িত্ব আছে। ইংৰাজৰ দিনত পুলিচ বিভাগটো অতি কঠোৰ আছিল। আমাৰ ৰাইজৰ মাজত পুলিচ বুলিলে বিষম সন্ত্ৰাসৰ সৃষ্টি হয়, তেতিয়া ৰাইজৰ পুলিচৰ লগত বিশেষ যোগাযোগ নাছিল, মানুহৰ মাজত তেতিয়া ভয় হৈছিল কিজানিবা এই পুলিচে আমাক অপকাৰ কৰিবলৈ আহিছে। গতিকে ৰাইজৰ মাজত শান্তি শৃঙ্খলা বজাই ৰাখিবলৈ হ'লে পুলিচ বিভাগটোক অধিক শক্তিশালী কৰি তুলিবলৈ চিন্তা কৰিব বুলি আশা ৰাখিলো।

পুলিচ বিভাগৰ কৰ্মচাৰী সকলৰ দৰ্মহা ইত্যাদি অন্যান্য সা-সুবিধা বিলাক দিব লাগে। পুলিচ বিষয়াৰ কামৰ সুবিধাৰ কাৰণে যান-বাহনৰ সুবিধা দিব লাগে। পুলিচ কৰ্মচাৰীয়ে মাজনিশাও কাম কৰিব লগীয়া হয়, গতিকে চৰকাৰৰ ফালৰ পৰা যদি সা-সুবিধা দিয়া নহয় তেনেহ'লে তেওঁলোকৰ বহুত অসুবিধা হয়। চৰকাৰে এই কথাৰ প্ৰতি মনোযোগ দিব লাগে আৰু বিশেষকৈ ডাঙৰ থানাত Jeep বা আন গাড়ী নাথাকিলে ডাঙৰ ডকাইতি হ'লে ক্ষীপ্ৰ গতিত কামত আগবাঢ়িব নোৱাৰে, গতিকে পুলিচ প্ৰশাসনৰ কামখিনি সম্পূৰ্ণ ভাৱে কৰাত অসুবিধা হয় যদিহে যোগাযোগৰ সুবিধা নাথাকে। পুলিচৰ যি কমিশ্যন নিয়োগ কৰা হ'ল তেওঁলোকে কেনেভাৱে Report দিয়ে তাৰ ওপৰত পুলিচ বিভাগৰ সংস্কাৰ সাধনত সহায় কৰিব পাৰে।

পুলিচ বিভাগত যিবিলাক দুৰ্নীতি সোমাইছে সেইবিলাক দূৰ কৰিব নোৱাৰাটো পুলিচ বিভাগৰ পৰা যিখিনি কাম পাব লাগে সেইখিনি পোৱাটো আশা কৰিব নোৱাৰি। পুলিচ বিভাগত যাতে দুৰ্নীতি হব নোৱাৰে তাত চৰকাৰে বিশেষ মনোযোগ নিদিলে সমাজত শান্তি শৃঙ্খলা

আৰু নিৰাপত্তা আশা কৰিব নোৱাৰে। সেইকাৰণে চৰকাৰে এই বিষয়ৰ প্ৰতি বিশেষ মনোযোগ দিব বুলি আশা ৰাখিলো।

আমাৰ কিছুমান ল'ৰাই ক'তো কামৰ সুবিধা নহ'লে Constable চাকৰিত সোমায় কিন্তু এই Constable সকলৰ স্বভাৱ-চৰিত্ৰ যদি ভাল নহয় তেতিয়াহ'লে এই মানুহবিলাকৰ পৰা ৰাইজে বহুত অসুবিধা ভুগিব লগীয়া হয়, সেই কাৰণে পুলিচ Constable লোৱাৰ সময়ত যাতে ভাল চৰিত্ৰবান মানুহ লোৱা হয় তাৰ বাবে বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলো।

পুলিচ থানাৰ এলেকা বহুত ডাঙৰ, সেই কাৰণে গাওঁৰক্ষী বাহিনীয়ে বহুত সময়ত পুলিচক সহায় কৰে। কিন্তু তেওঁলোকে যিখিনি সুবিধা পাব লাগিছিল সেইখিনি নোপোৱাৰ কাৰণে তেওঁলোকে ভালদৰে কাম কৰিব পৰা নাই। তেওঁলোকে উপযুক্ত সা-সুবিধা পাবৰ কাৰণে চৰকাৰক অনুৰোধ জনালো।

আমাৰ পুলিচ সকলৰ কিছুমানে সময়ত দেখা গৈছে যিবোৰ ডকাইতৰ লগত সংশ্লিষ্ট থাকে আৰু মানুহৰ ওপৰত অনাহকতে জোৰ-জুলুম কৰে—এনেকুৱা যাতে নহয় চৰকাৰে চাব লাগে। সৰ্বশেষত পুলিচ বিভাগৰ পৰা দুৰ্নীতি একেবাৰে দূৰ কৰিব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

*Dr. Surendra Nath Das—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই যিটো কৰ্তন প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো।

Mr. Speaker—Mr. Bora, I think we should finish this today. (Shri Phani Bora—Yes) Then the debate will be closed at 3-30 P. M. and give half an hour for Chief Minister's reply.

(Mr. Speaker left the Chair at 3-09 P.M. and Shri Rathindra Nath Sen, Chairman occupied it)

*Speech not corrected.

Dr. Surendra Nath Das—মই কব বিচাৰিছো ৰাইজৰ বিশেষকৈ গাঁৱলীয়া জনসাধাৰণৰ মনত পুলিচ বুলিলেই Govt. আৰু Govt. বুলিলেই পুলিচ আৰু পুলিচ প্ৰশাসন যদি নিকা নহয় তেনেহ'লে গাঁৱলীয়া ৰাইজৰ মনত চৰকাৰৰ প্ৰতি বিৰোপ মনোভাবৰ সৃষ্টি হ'ব। পুলিচ প্ৰশাসনক নিকা কৰিবলৈ চেষ্টা কৰিব লাগে আৰু তেওঁলোকক সকলো সা-সুবিধা দিব লাগে। মটৰ আৰু 'দ' ঠাইৰ কাৰণে নাও দি সুবিধা দিব লাগে যাতে Well Equipped হয়। পুলিচ Constable-ৰ সংখ্যা বঢ়াব লাগে আৰু তেওঁলোকৰ Training-ৰ ভাল Facility দিব লাগে আৰু Village Defence Party-টোক সংগঠন কৰি লব লাগে।

যদি কিবা এটা অভিযোগৰ বিৰুদ্ধে ৰাইজে এজাহাৰ পুলিচ থানাত দিবলৈ যায়, তেতিয়া ৰাইজক নানা জুলুম কৰে। গতিকে Case Register কৰাৰ কাৰণে আৰু তদন্ত কৰাৰ কাৰণে এটা বেলেগ অফিচ কৰি দিব লাগে আৰু বিষয়া সকলে Civil Dress পিন্ধিব লাগে। কাৰণ বিষয়াসকলে Tight Dress পিন্ধি বাহিৰলৈ গ'লে সাধাৰণ মানুহে ভয় কৰে। তাৰোপৰি কিবা এজাহাৰ পুলিচ থানাত দিবলৈ গ'লে মানুহে ধাৰ কৰি টকা নিব লগীয়া হয়; নহ'লে নিস্তাৰ নাই। সেই কাৰণে Case Register কৰাৰ এটা বেলেগ Unit আগবঢ়াইছোঁ। আৰু এটা কথা আমি দেখিছোঁ যে বৰ্ত্তমান পুলিচ আৰু বৃটিছৰ যুগৰ পুলিচৰ মাজত বহু পাৰ্থক্য আছে। বৃটিছৰ যুগৰ পুলিচে কেৱল দোষীৰ পৰাহে ভেটি খায়; কিন্তু বৰ্ত্তমানৰ পুলিচে দোষী-নিৰ্দোষী দুয়োপক্ষৰ পৰাই ভেটি খায়। বৃটিছৰ যুগৰ পুলিচে Case-টো নষ্ট নকৰে, কিন্তু আজি-কালিৰ পুলিচে ভেটি খাই Case-টো নষ্ট কৰে।

তাৰ পাচত হাউলীৰ Sales Tax বিষয়াৰ অভিযোগৰ তদন্ত কৰি পুলিচে Report-টো Tax Deptt.-ক দিয়া নাই। ফলত বিষয়াজনক Suspend কৰিছে যদিও যিটো শাস্তি দিব লাগিছিল সেইটো দিয়া নাই।

Sales Tax-ৰ সম্পৰ্কত পুলিচ বিষয়াই আচল বহীখন Seize কৰি লৈ গৈছিল কিন্তু ভেটি খাই তাৰ Duplicate Copy এটা দিয়ে। এই ধৰণে পুলিচে দূৰ্নীতি চলাই আছে। আমি বিধানসভাৰ জৰিয়তে

এইবিলাক চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো; কিন্তু কোনো কামত নাহে। গতিকে এই বিষয়ত বিহিত ব্যৱস্থা কৰিব লাগে।

Shri Prabhat Narayan Choudhury—সভাপতি ডাঙৰীয়া, এই আৰক্ষী বিভাগ সম্পৰ্কে সকলো তৰফৰ পৰা সমালোচনা কৰা হৈছে; কিন্তু এই বিভাগটোৰ কি ধৰণে হ'লে উন্নতি হ'ব সেইটো আমি উপলব্ধি কৰিব পৰা নাই। এই সম্পৰ্কত চৰকাৰে এটা আয়ুক্ত নিযুক্ত কৰিছিল; কিন্তু আয়ুক্তৰ পৰামৰ্শাৱলী আমাৰ আগত পৰা নাই। এই পৰামৰ্শাৱলী আমি পোৱা হ'লে কি ধৰণে কৰা উচিত সেই বিষয়ে এটা আলোচনা কৰিব পৰা গ'লহেঁতেন। এই পুলিচ বিভাগটোৰ দুৰ্নীতিৰ কথাৰ সম্পৰ্কতেই যদি আমি আৱদ্ধ হৈ থাকো তেনেহ'লে এটা ডাঙৰ ভুল কৰা হব। কাৰণ স্বাধীনতাৰ আগত যি ধৰণৰ পুলিচৰ ব্যৱস্থা আছিল আজিও সেই একে ধৰণৰ ব্যৱস্থাই চলি আছে। আজি যি সকল নতুনকৈ মকৰল কৰা হৈছে সেইবিলাকৰ Training-ৰ ব্যৱস্থা কৰা প্ৰয়োজন। এই পুলিচ ব্যৱস্থাটোৰ পৰিবৰ্তন সাধন কৰিবৰ কাৰণে আমি সকলো সা-সুবিধা তথা ব্যৱস্থা কৰি দিব পৰা নাই।

পুৰণি যিবিলাক পুলিচ বিষয়া আছিল সেইবিলাকৰ আমি Training-ৰ ব্যৱস্থা কৰি দিব পৰা নাই। অৱশ্যে নতুনকৈ লোৱা বিলাকৰ কাৰণে ডেৰগাৱঁত Training-ৰ ব্যৱস্থা আছে।

এতিয়া যিবিলাক নিয়োগ কৰা হৈছে তেওঁলোকৰ তিনি বছৰৰ পাচত কৰ্তব্য সম্পৰ্কে Refresher Course-ৰ ব্যৱস্থা হ'লে এই বিভাগটোৰ যথেষ্ট উন্নতি সাধন হ'ব।

তাৰ পাচত কামৰূপ জিলাত যিবিলাক পুলিচ বিষয়া তেওঁলোকে গুৱাহাটীৰ এটুকুৰা ঠাইৰ নাম ক'লে সেই ঠাইটুকুৰা কামৰূপৰ ভিতৰত পৰে নে নপৰে তাকে নাজানে। গুৱাহাটীখন কামৰূপ জিলাৰ Head Quarter, গুৱাহাটীৰ S.P. জনে নগাওঁ, নলবাৰী, গোৱালপাৰা আদিলৈকে যাব লাগে। ভিতৰুৱা অঞ্চলত ছাত্ৰৰ লগত যদি কাৰোবাৰ সংঘৰ্ষ হয় তেন্তে সেই অঞ্চল পাবলৈ হ'লে দুই-তিনি দিন লাগে। গতিকে প্ৰশাসন ব্যৱস্থা পৰিবৰ্তন কৰিবলৈ হ'লে গুৱাহাটীত আৰু এজন S. P. দিব লাগে।

তাৰ পাচত দেশৰ ভিতৰত কোনো ঘটনা কেৱল গুৱাহাটীতে আৱদ্ধ

নাথাকে। গতিকে পুলিচ Reserve-ৰ সম্পৰ্কত আৰু অধিক পুলিচ ৰাখিবৰ কাৰণে ঘৰৰ ব্যৱস্থা কৰিব লাগে।

উত্তৰ কামৰূপৰ পুলিচ চকীবিলাক সোনকালে কৰাৰ দিহা কৰিব লাগে।

( সময়ৰ সংকেত )

নলবাৰী থানাখন প্ৰায় ১৪ খন মৌজাৰ ভিতৰত আছে। ইমান কেইখন মৌজাৰ মাজত মাত্ৰ এখন থানা। উত্তৰ পাৰৰ জনসংখ্যা প্ৰায় ৫০ হাজাৰ। অথচ হাফলং আদি ঠাইতো মাথোঁ ৫০।৬০ হাজাৰ মানহে জনসংখ্যা। ১৯৭০ চনৰ বাজেটত Provision আছিল যদিও আজিলৈ নোহোৱাৰ কাৰণ বুজি পোৱা নাই।

( "There is proposal for splitting up of Nalbari Thana and to establish new police stations at Belsor and Mukalmua in addition to Nalbari and also one investigating centre at Ghograpar under Nalbari Police Station").

১৯৭১-৭২ চনত যাতে এইখিনি কাম সম্পূৰ্ণ কৰে তাকে অনুৰোধ কৰিলোঁ।

( সময়ৰ সংকেত )

ৰৰমা থানাত ৩০.৩১ মাইল দূৰৰ পৰা মানুহ আহিৰ লগীয়া হয়।

আকৌ তাতকৈ ডাঙৰ কথা হ'ল Traffic Control-ৰ কথা। আমিন গাওঁৰ পৰা গোসাঁইগাওঁলৈ National High-Way-ত থকা পুলিচ চকীৰ ব্যৱস্থা কৰিব লাগে। Traffic Control-ৰ ব্যৱস্থা কৰিব লাগে। গুৱাহাটীত এজন D. S. P. ৰাখিয়েই ক্ষান্ত নাথাকি শীঘ্ৰে এইটো কাম কৰিব লাগে। মহীশুৰ নাইবা বাংলাদেশৰ দৰে বিজ্ঞানসম্মত ভাৱে নহলেও কিছু পৰিমাণে ব্যৱস্থা লব লাগে। Out-Post-ৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

নাগ্ৰিজুলীত S. P.-ক সোধাত ক'লে যে তেওঁ I. G. P.-ৰ পৰা বাজেটৰ কপি পোৱাই নাই। যদি বাজেটত হোৱা ব্যৱস্থাৰ কোনো খবৰ

S. P. য়ে নাপায় তেনেহ'লে কেনেকৈ কাজ হব। দৰঙা-ভূটান অঞ্চলটো হ'ল সীমান্তবৰ্তী এলেকা। কিন্তু তাতো কোনো পুলিচৰ ব্যৱস্থা নাই। কুমাৰীকাটাটো মাত্ৰ কেইজনমানহে পুলিচ আছে। দাৰোগা আছেনে নাই নাজানো। এই সীমান্ত অঞ্চলত পুলিচৰ ভাল ব্যৱস্থা হ'ব লাগে। এইখিনি পৰামৰ্শ আগবঢ়াই গৃহমন্ত্ৰী ডাঙৰীয়াক পুনৰ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

*Shri A. N. Akram Hussain—চেয়াৰমেন মহোদয়, বৃটিছৰ দিনৰে পৰা আজিলৈ পুলিচি ব্যৱস্থাৰ যি পৰিবৰ্তন হোৱা উচিত আছিল সেই ব্যৱস্থাৰ পৰিবৰ্তন হোৱা নাই। জনসাধাৰণৰ লগত খাপ খোৱাকৈ পুলিচ ব্যৱস্থাৰ পৰিবৰ্তন কৰিব লাগে। কেৱল Law & Order সমাজত ব্যাহত ৰাখিবলৈয়ে পুলিচ ব্যৱস্থা নহয়। আজি অসমৰ পুলিচ বিভাগটো দেখিলে দুখ লাগে। ভাৰতবৰ্ষৰ ভিতৰত অসমৰ পুলিচ ব্যৱস্থাই আটাইতকৈ দুখ লগা। কেৱল শুকান গছৰ ডাল একোটা ললেই পুলিচ ব্যৱস্থা ভাল হব নোৱাৰে। ইয়াৰ দ্বাৰা কোনো কাম নহয়। আনকি পুলিচ বিভাগক দিয়া Teaer Gas ও কোনো কামত নাহে। ফলত অলপমান গোলমাল হ'লেই Firing কৰিব লগাত পৰে আৰু Illegal মোকৰ্দমা হয়। Tear Gas অকেজো হোৱা বাবেই এনেকুৱা Illegal পৰিস্থিতিৰ উদ্ভৱ হয়।

অসমৰ বাহিৰৰ ২০ টা বেটেলিয়ান অসমত ৰাখিছে কিন্তু এই টকা-পইচাৰে অসমৰ দুখীয়া, ডেকা নিবনুৱা সকলক সংস্থান দিব পাৰিলেহেঁতেন। এনেকৈ প্ৰায় ৪ কোটি টকা গৈ আছে। অসমৰ থলুৱা ডেকা ল'বাৰে বেটেলিয়ান কৰা হ'লে নিবনুৱা সমস্যাও সমাধান হ'লহেঁতেন। আকৌ C. R. P. বিলাকে মাদ্ৰাজ আৰু বোম্বাই চৰকাৰৰ ভঙা গাড়ীবিলাক লৈ আহে আৰু আমাৰ অসম চৰকাৰৰ টকাৰে ভাল কৰি লৈ যায়। এইবিলাক কথালৈ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

পুলিচ বিভাগৰ কাৰণে যি কোৱাৰ্টাৰ Allot কৰিছে তাত Family Planning-ৰ হিচাবতো ৫ জন লোকৰ থাকিবলৈ ঠাই নুকুলাব। যি গুৱাহাটীক লৈ আমিও গৌৰৱ কৰোঁ আৰু মুখ্যমন্ত্ৰীয়েও গৌৰৱ কৰে,

*Speech not corrected

সেই গুৱাহাটীতেই পানবজাৰত S. I. এজনৰ খেৰি কোৱাৰ্টাৰ এটা দেখিলোঁ। বৰষুণ দিলে উৰুখে, সেয়ে ৰাতি হ'লে ঘৈণীয়েকে ছাটি ধৰে আৰু গিৰিয়েকে Case ডায়েৰী লিখে। এইবিলাক কথালৈ দৃষ্টি দিব লাগে।

( সময়ৰ সংকেত )

গতিকে এই বিভাগৰ দুৰ্নীতিৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

( সময়ৰ সংকেত )

আজি-কালি আমাৰ দেশত ডকাইতিতো বেছি হৈ হৈছে। গতিকে এইবিলাক যাতে Defend কৰিব পাৰে তাৰ কাৰণে আধুনিক ধৰণৰ অস্ত্ৰ-শস্ত্ৰ লোৱা দৰ্কাৰ।

তাৰ পিচত পশ্চিমবঙ্গত যেনেকৈ পুলিচ বিলাকৰ Risk Insurance আছে আমাৰ অসমতো থকা উচিত। পেঞ্চনৰ যি ব্যৱস্থা সিও পাবৰ কাৰণে ১/২ বছৰ। তেওঁলোকৰ পৰিয়ালে ভিক্ষা কৰিব লাগে এইটো বৰ দুখৰ কথা। এইটো বৰ দুখৰ কথা যে আমাৰ শান্তি ৰক্ষাৰ কাৰণে এজনে জীৱন বিসৰ্জন দিয়ে আৰু বিনিময়ত সেইজনৰ পৰিয়ালে ভিক্ষা কৰি খাব লগীয়া হয়।

( সময়ৰ সংকেত )

আশাকৰো Risk Insurance-ৰ কথাটো চৰকাৰে বিবেচনা কৰিব। পুলিচ বিভাগত আৰু এটা কথা লক্ষ্য কৰা যায় যে এই বিভাগত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহক কম লোৱা হয়। বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীৰ ওপৰত আমাৰ আস্থা আছে। তেখেতে এই কথাটোৰ প্ৰতি দৃষ্টি দিব বুলি আশা কৰিলো।

Shri Upendra Nath Sanatan—মাননীয় চেয়াৰমেন মহোদয়, পুলিচ বিভাগৰ সংক্ৰান্তত যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেই বিষয়ে দুআৰমান কব খুজিছো। পুলিচ বিভাগত যিটো সমালোচনা হৈছে সেইটো দুই-ফালৰ পৰা চাব লাগিব—তেওঁলোকে বৃটিছৰ দিনতে যি সুবিধা পাইছিল আজিও সেইটো পাই আছে। অন্যান্য চাকৰীয়াল সকলৰ যেনে সা-সুবিধা

আছে পুলিচৰ ক্ষেত্ৰত আছে বুলি নাভাবো। থানা বিলাকত ঘৰ-দুৱাৰ নথকাৰ ফলত তেওঁলোক বহুত অসুবিধাত পৰে। তেওঁলাকৰ ল'ৰা-ছোৱালীয়েও খাৰ পিন্ধিব আৰু পঢ়িৰ লাগিৰ। পুলিচৰ ল'ৰা-ছোৱালীয়ে পঢ়িব নোৱাৰা কথাটো ভুল কথা। অন্যান্য চাকৰিয়াল সকলে ৪০০।৫০০ টকা পাইও পৰিয়াল চলাব নোৱাৰে ইফলে পুলিচে ১০০।১৫০ টকা দৰমহাত পৰিয়াল কেনেকৈ চলে? গতিকে তেওঁলোকে দুৰ্নীতি নকৰি কোনে কৰিব? গতিকে তেওঁলোকক বিশেষ সা-সুবিধা দিয়াটো নিতান্ত দৰ্কাৰ।

দ্বিতীয়তে কিছুমান পুলিচৰ বদনাম আছে। অৱশ্যে আমি সকলোকে বেয়া বুলি কব নোৱাৰো। কিন্তু কিছুমান বৰ আচৰণৰ কাৰণে আন বিলাকো বেয়া বুলি পৰিগণিত হয়। পুলিচৰ আচৰণ সম্পৰ্কে মই এটা উদাহৰণ দিছো। তিনিচুকীয়া টাউনৰ পৰা ৩ মাইল দূৰত এটা গন্দগোল লাগিল। এজন স্থানীয় ল'ৰাৰ লগত তাৰে এটা ইটা ভাটাৰ মালিকৰ। ইটাভাটাৰ মালিক আৰু তেওঁৰ ভাটাৰ লোক সকলে মাৰধৰ কৰি ল'ৰাটোক ইটাভাটালৈ চুচৰাই লৈ গ'ল। তেওঁলোকে মাৰধৰ কৰাৰ উপৰিও ভাটাৰ জুইত লো গৰম কৰি ল'ৰাজনৰ শৰীৰৰ কেইবা ঠাইত দাগ দিলে যাৰ ফলত গোটেই গা জ্বলি ঘা হৈ গ'ল। কিছুমান লোকে আহি মোক খবৰ দিলে। তাৰ পিছত ল'ৰাটোক তাৰ পৰা লৈ আনি হস্পিটালত চিকিৎসা আদি কৰি পুলিচ থানাত চমজাই দিলো। তাৰ পিছত D.S.P.-ক খবৰ দিয়া হ'ল। তেওঁ O. C.-ক খবৰ দিলে কিন্তু O. C.-য়ে ইটা-ভাটাৰ মালিক ও তেওঁৰ লগৰীয়া সকলৰ এনে অমানুষিক কাৰ্য্যকলাপৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত নহ'ল। মই নিজে এজন M.L.A. হৈ ৩০।৪০ জন মজদুৰৰ দৰ্খাস্ত মৰ্মে পুলিচক বিশেষভাৱে ব্যৱস্থা লবৰ বাবে কোৱা সত্ত্বেও কোনো ফল নধৰিল। এইটো বৰ দুখৰ কথা। তেনেকুৱা বহুত

( সময়ৰ সংকেট )

Case আছে যাৰ পৰা সাধাৰণ ৰাইজে কোনো সুবিচাৰ নাপায়।

চেয়াৰমেন মহোদয়, মোক আৰু দুই মিনিট সময় দিয়ক,

গাওঁ অঞ্চলত, টাউন অঞ্চলত যেতিয়া পূজা আদি হয়, সেই সময়ত যিবিলাক

হাই-কাজিয়া হয়, মাৰপিট হয়, চোৰ-ডকাইট হয়—সেইবিলাকলৈ পুলিচ যাবলৈ অসমৰ্থ হয়। কাৰণ, পুলিচৰ সংখ্যা কম। গতিকে পুলিচৰ সংখ্যা বঢ়াব লাগে। তাৰ পিছত, চাবুৱা থানাৰ সম্পৰ্কত মই এই কথা ক'ব খুজিছো যে, এই থানা খন এটা ছুটলীয়া ভাৰা ঘৰত আছে আৰু ঘৰটোৰ অৱস্থা শোচনীয়। ভূমিকম্পৰটো কথাই নাই—ডাঙৰ বতাহ-ধুমুহা হ'লেই মানুহ ভিতৰৰ পৰা ওলাই আহিব লাগে। পৰিকল্পনাৰ পিছত পৰিকল্পনা শেষ হৈ গৈছে কিন্তু এই থানা ঘৰটো আৰু নহ'ল। কেতিয়া হ'ব কব পৰা নাই। এই হ'ল থানাৰ ঘৰটোৰ অৱস্থা। এই চাবুৱা এনেকুৱা ঠাই—যে ইয়াৰ ওচৰতে নাহুৱা, দিনজান 'এয়াৰফিল্ড' আছে; M. E. S.-ৰ হেড কোৱাৰ্টাৰ আছে, হেলঠ্ ইউনিট আছে। গতিকে এই থানাৰ মাত্ৰ কেইজনমান পুলিচে চম্ভালিব নোৱাৰে। গতিকে 'ডকাইটি' আৰু অন্যান্য ঘটনা হ'লে টাউনৰ পৰা আতৰত কেনেকৈ কাম কৰিব যদিহে এই থানাত এখন জীপ গাড়ী নিদিয়ে।

( সময়ৰ সংকেত )

Mr. Chairman—আপোনাৰ সময় হৈ গৈছে। আপোনালোকে সহযোগ নকৰিলে আমি কেনেকৈ চলাম?

Shri Upendra Nath Sanaton—মই শেষ কৰিছো। বাগান আদিৰ পৰা কেতিয়াবা ডকাইটি আদি দুৰ্ঘটনাৰ সময়ত ফোন কৰি জনালেও পুলিচ পাওঁতে পাওঁতে দুই তিনিঘণ্টা পাৰ হৈ যায় আৰু ডকাইটি শেষ হৈ যায় এই চাবুৱা থানাত ৺বিমলাপ্ৰসাদ চলিহা মুখ্যমন্ত্ৰী থাকোতে এখন জীপ দিছিল; কিন্তু ৬/৭ মাহ মানৰ পিছত সেইখন লৈ যায়। ডিব্ৰুগড় থানাত জীপ নাথাকিলেও অন্য গাড়ী আদি পোৱা যায় আৰু প্ৰয়োজন হ'লে তাৰে চলি যায়; কিন্তু চাবুৱাত সেই সুবিধা নাই। গতিকে চাবুৱা থানাত পুলিচৰ সংখ্যা বঢ়াব লাগে আৰু এখন জীপ অতি সোনকালে দিব লাগে।

*Shri Kabir Chandra Roy Pradhani—পুলিচ শিতানৰ মঞ্জুৰিটোৰ সম্পৰ্কত যিটো কৰ্তন প্ৰস্তাব সেইটো সমৰ্থন কৰি মই অলপ কব খুজিছো।

---

*Speech not corrected

পুলিচ বাহিনীৰ সম্পৰ্কত, এই সদনত মোৰ আগতে বহুতো সমালোচনা হৈছে আৰু পুলিচৰ কাৰ্য্যকলাপত আজি দেশৰ অগণন জনসাধাৰণ আতঙ্কিত হৈ উঠিছে। পুলিচে সৰ্বসাধাৰণৰ অভিযোগ বিলাক গ্ৰহণ নকৰে; এজাহাৰ নলয়। পুলিচৰ কাৰ্য্যত সহায় কৰিবলৈ V. D. P. যিবিলাক কমিটি আছে সেইবিলাকৰ লগত একেলগে পুলিচে কাম কৰিলে কিছু কাম হ'ব। নহ'লে পুলিচৰ "ডিউটী" ( Duty )-ত মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। যেতিয়া দুৰ্বৃত্তসকলে মানুহক আক্ৰমণ কৰে তেতিয়া তালৈ পুলিচ নাযায়। গতিকে 'ভি, ডি, পি' ( V. D. P. ) সকলৰ লগত পুলিচে 'ডিউটী' কৰাৰ ব্যৱস্থা কৰিব লাগে। আনফালে 'ভি, ডি, পি,'-ৰ মানুহক মাহে ১০ টকাকৈ দিয়া হয়—আৰু এই টকাৰে তেওঁলোকৰ বিড়ি খোৱাৰ খৰচেই নহয়। গতিকে এওঁলোকৰ এই টকাৰ পৰিমাণ বঢ়াই দিব লাগে। তেতিয়াহে তেওঁলোকৰ কাম ভাল হ'ব। পুলিচৰ সংখ্যাও বৰ কম; গতিকে ভাল কাম পাবলৈ পুলিচৰ সংখ্যাও বৃদ্ধি কৰিব লাগে। গোৱালপাৰা জিলাৰ থানাখনৰ অন্তৰ্গত প্ৰায় ১॥ লাখ লোকৰ বসতি। এই থানাৰ কাৰণে মাত্ৰ এটা 'আউট পষ্ট' আৰু তাতো মাত্ৰ ২/৩ জন পুলিচ থাকে। এই পৰিমাণৰ পুলিচ কৰ্মচাৰীয়ে ইমান ডাঙৰ অঞ্চলটো কেনেকৈ চন্তালিব। গতিকে মই এই পৰামৰ্শ দিওঁ যে প্ৰত্যেক আঞ্চলিক পঞ্চায়ত এলেকাত থানা হ'ব লাগে আৰু V. D. P.-ৰ মানুহৰ লগত পুলিচে একেলগে কাম কৰাৰ ব্যৱস্থা কৰি দিব লাগে। গ্ৰাম্যঅঞ্চলৰ শিক্ষিত সকলৰ লক্ষ্য হৈছে চহৰ আৰু চহৰলৈ গুচি যায়। তাৰ ফলত গাওঁবিলাক ধ্বংস হৈ যোৱাৰ উপক্ৰম হৈছে। গাওঁবিলাকেই জাতিটোৰ মেৰুদণ্ড। গতিকে গাওঁ আৰু গাওঁবাসী সকলক এৰি দিলে নহ'ব। গাওঁ অঞ্চলৰ সৰ্বপ্ৰকাৰৰ উন্নতি চৰকাৰে কৰিব লাগিব। যদি গাওঁ আৰু গাওঁবাসীৰ নিৰাপত্তা নাথাকে তেনেহ'লে দেশৰ মঙ্গল হব কেনেকৈ? গতিকে পুলিচ বাহিনীয়ে অতীতৰ মামৰে খোৱা মনোবৃত্তি পৰিহাৰ কৰি পৰিৱৰ্তিত সামাজিক অৱস্থাৰ লগত খাপ খুৱাই কাম চলাব লাগিব। সামাজিক যিবিলাক ক্ৰিয়া চলে যেনে—মহাপুৰুষ সকলৰ তিথি আদি সেইবিলাক থানাত পাতি তালৈ ৰাইজক আহ্বান কৰি জনসাধাৰণৰ লগত পুলিচ সকলে মিলাপ্ৰীতি ভাৱৰ আদান-

প্ৰদান কৰিব লাগে আৰু V. D. P.-ৰ লোক সকলকো তেওঁলোকে আদৰি লব লাগে।

তাৰ পিছত এইকথা মই উল্লেখ কৰিব খুজিছো যে, যিবিলাক পুলিচ বিভাগৰ ওপৰৱালা কৰ্মচাৰী তেওঁলোকে যেন নিম্ন খাপৰ কৰ্মচাৰী যেনে পুলিচ কনিষ্টবল বিলাকক নিজৰ ঘৰুৱা বাচন ধোৱা কাপোৰ ধোৱা, কামত নলগায়। ইয়াৰ ফলত এই নিম্নখাপৰ চাকৰিয়াল বিলাকৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হয় আৰু বহুক্ষেত্ৰত এই কৰ্মচাৰী বিলাকক ওপৰৱালা সকলে কামৰ পৰা খেদাই দিয়ে। এইটো বৰ পৰিতাপৰ বিষয়। আশাকৰো চৰকাৰে এই মৰ্মে নিৰ্দ্দেশ দিব।

তাৰ পিছত চিপাহী নিয়োগৰ ক্ষেত্ৰত, দৰ্খাস্তকাৰীয়ে ৬ টকা দৰ্খাস্ত ফীজ দিব লাগে অথচ "ল'ৱাৰ ডিভিজন" কেৰাণীৰ পদৰ কাৰণে দৰ্খাস্ত ফীজ ৩ টকা। সেই কাৰণে মই কব খুজিছো চৰকাৰে যেন এই ফীজৰ পৰিমাণ কমাই দিয়ে। পুলিচৰ কাৰ্য্যকলাপ আৰু দায়িত্ব পালনৰ ওপৰত সমাজখনৰ উন্নতি আৰু দেশৰ কল্যান নিৰ্ভৰ কৰে। দুষ্টক দমন আৰু শিষ্টক পালন নীতি পুলিচ সকলে সৰ্বান্তঃকৰণেৰে পালন কৰিব লাগিব। তাৰ অন্যথাৰ ফলত আজি ৰাইজ, জনসাধাৰণৰ অৱস্থা দিনক দিনে শোচনীয় হৈ উঠিছে। গতিকে পুলিচ বিভাগৰ সকলো দুৰ্নীতি কলুষতা আৰু পুৰণি-কলীয়া মামৰে খোৱা মনোবৃত্তি পৰিবৰ্তন কৰি আজিৰ পৰিবৰ্তিত সামাজিক অৱস্থাৰ লগত খাপ খুৱাই ৰাইজ তথা দেশৰ মঙ্গলৰ হকে কাম কৰিবলৈ যাতে চৰকাৰৰ পৰা নিৰ্দ্দেশ পাই তালৈ দৃষ্টি দিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই, এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Atul Chandra Goswami—সভাপতি মহোদয়, পুলিচৰ সম্বন্ধ আজি যথেষ্ট আলোচনা-বিলোচনা কৰিছে। কিন্তু স্বাধীনতাৰ আগতে পুলিচ বিভাগটোৰ কৰ্তব্যৰ অৰ্থে যি সকলে দায়িত্ব লৈছিল অৰ্থাৎ আন্দোলনৰ অৰ্থে বৰ্তমান সেইসকলেই লৈছে। সেই সময়ত পুলিচ কৰ্মচাৰীৰ কাৰণে পঞ্চমুখ আছিল। মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব খুজিছো স্বাধীনতাৰ আগতে ১৫ আগষ্টৰ আগদিনা আৰু ১৯৪৭ চনৰ ২৬ জানুৱাৰী তাৰিখৰ

*Speech not corrected.

দিনা যি বিৰোধিতা আচৰণ কৰিলে তাৰ হিচাবত পুলিচৰ অত্যাচাৰ বাঢ়িহে গৈছে। সাধাৰণতে বা পুলিচৰ নিয়ম মতে সূৰ্য্য অস্ত যোৱাৰ পাচত বা আগতে খানাচ-তালাচ কৰিব নোৱাৰে ঘৰলৈ গৈ। কিন্তু কিছুমান গাওঁত যিবিলাক মানুহে একো নেজানে পুলিচৰ নিয়ম-নীতিৰ কথা নেজানে ৰাতি হওঁক আনকি ৰাতিপুৱা হওঁক পুলিচে গৈ অত্যাচাৰ কৰে।

যি নীতি পুলিচৰ শান্তি ৰক্ষাৰ কাৰণে সেই পুলিচেই যদি অত্যাচাৰ কৰে তেনেহ'লে আমাৰ চৰকাৰ থকাৰ কোনো প্ৰয়োজনত অহা নাই। আজি কিছুদিনৰ আগতে কলিয়াবৰ চুল্‌ৰ এটা অঞ্চলত এজন মানুহক মাৰাত তেওঁৰে আত্মীয় এজনে এজাহাৰ দিলে কিন্তু আজি ১০ মাহে কোনো খবৰেই নাই। মই আৰু এটা কথা ক'ব খুজিছো যে তেখেতৰ নাম হৈছে কেৱল ৰাম উপাধ্যান। যথেষ্ট সম্পত্তিবান মানুহ—২।৩ হাজাৰ টকা আদায় কৰিছে চতুদিয়া হালীনি নামৰ মানুহ এজনৰ পৰা। মোৰ নিজৰ সমষ্টিতে কলিয়াবৰ এঠাইত সেই চোৰ হৈছিল কিন্তু আজি ইমান বছৰেও Out-Post নহ'ল।

আমাৰ কাজিৰঙাৰ স্থানীয় অঞ্চলত সোম/মঙ্গলবাৰে তাত এখন বজাৰ বহে আৰু সেই বজাৰলৈ বহুত ঠাইৰ পৰা মানুহ আহে। আমাৰ চকুৰ আগতেই ফতিকা বিক্ৰী হয়। সেই মানুহ জনৰ নাম হৈছে চম্ফাই। সি মোক M. L. A. বুলি গম পাই বস্তু-বাহিনী এৰি লৰ মাৰে। মই Excise Officer-ক গতাই দিলো। কিন্তু কিছুদিন পাচত দেখিলো সেই একে চম্ফাই বুঢ়াপাহাৰত সেই একে বেপাৰেই চলাই আছে। ২১ কিলোমিটাৰ দূৰ—তথাপিও এটা Out Post নাই। মই আশা কৰিছো Out Post হ'ব লাগে। আন এটা কথা কওঁ, এই যে বিহু, দূৰ্গাপূজা আদি আহিলে পুলিচ বিভাগৰ মানুহে গাড়ী Taxi আদি ৰখাই বাটত চান্দা লয়। পুলিচৰ মানুহে যেতিয়া খুজিছে চান্দা দিবৰ বাধ্য। গতিকে এই কথাটো যাতে ভৱিষ্যতে নহয় তাৰে এটা আইন কৰি দিব লাগে।

এই পুলিচ বিভাগটোত যাতে দূৰ্নীতি নাহে তাৰ কাৰণে চৰকাৰে চকু ৰখা উচিত। তেওঁলোকে বিশেষকৈ পুলিচৰ তলৰ কৰ্মচাৰী সকলে বিশেষ অসুবিধাৰ সন্মুখীন হৈ আহি আছে। চিপাহী বিলাকক থাকিবলৈ

দিয়া হৈছে আজিও সেই ইংৰাজৰ দিনৰ বেৰেক এটাত। তেওঁলোকৰ পৰিয়াল আদি ৰাখিবলৈ ভাল ব্যৱস্থা কৰি দিব লাগে। আৰু দূর্নীতি যাতে আহিব নোৱাৰে তাৰ বাবে চকু দিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Bhadreswar Gogoi—মাননীয় সভাপতি মহোদয়, পুলিচ বিভাগৰ শিতানত অনা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ কব বিচাৰিছো। আমাৰ দেশত পুলিচ বিভাগটো এটা প্ৰধান বিভাগ। এই বিভাগৰ ওপৰতে দেশৰ শান্তি শৃঙ্খলা ৰক্ষা নিৰ্ভৰ কৰে। গতিকে এই বিভাগটোত চৰকাৰে বেছি মনোযোগ দিব লাগে। এই বিভাগটোৰ দূর্নীতি দূৰ কৰি নিকা কৰিব লাগে। সেই কাৰণে এই বিভাগটোৰ সংস্কাৰ সাধন কৰাটো চৰকাৰৰ নিতান্ত কৰ্তব্য। এই বিভাগটোত যি দূর্নীতি ব্যাপকভাৱে সোমাইছে, এই সম্পৰ্কে আমাৰ মাননীয় সদস্য সকলে কৈ গৈছে। এই বিভাগটোত যে ভাল মানুহ নাই এনে নহয়। অধিকাংশ লোক দূর্নীতিত লিপ্ত হৈ পৰিছে। এই বিভাগৰ দূর্নীতি সম্পৰ্কে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি, দুটিমান বিষয় উত্থাপন কৰিব বিচাৰিছো। পুলিচ বিভাগে আমাৰ দেশত যিবিলাক প্ৰগতিশীল অনুষ্ঠান আছে, এই অনুষ্ঠান বিলাকক ভাল নাপায়। এই অনুষ্ঠান বিলাকৰ লগত সহযোগ নকৰে যেনে আমাৰ দেশত পঞ্চায়ত শাসন চলাইছে। এই পঞ্চায়ত বিলাকৰ লগত পুলিচৰ যি সহযোগ থাকিব লাগিছিল সেইটো হোৱা নাই। উদাহৰণ স্বৰূপে নামৰূপ থানাৰ O. C. জনে অলপতে দুজন গাওঁপঞ্চায়তৰ সভাপতিক অন্যায় ভাবে এৰেষ্ট কৰিছে। তেওঁলোকৰ দোষ হ'ল এদিন দুজন তামোল বেপাৰী তামোল বেপাৰ কৰিবলৈ তিনিচুকীয়ালৈ গৈছিল। নামৰূপত ৰাস্তাত পাই O. C.-এ সুধিলে তামোল বেপাৰ কৰিবৰ কাৰণে তোমালোকৰ পাৰ্মিট আছেনে নাই? তেতিয়া মানুহ দুজনে ক'লে তামোল বেচিবৰ কাৰণে পাৰ্মিট লব লাগে বুলি নাজানো। এইখিনি কোৱাত O.C. জনে তেওঁবিলাকক থানাত জব্দ কৰে। অৱশেষত এজনৰ পৰা দুশ টকা আৰু আনজনৰ পৰা তামোলৰ বস্তা কেইটা ৰাখি থয়। এই মানুহ দুজনে এই সম্পৰ্কে গাওঁপঞ্চায়ত সভাপতিক জনালে। গাওঁ পঞ্চায়তৰ সভাপতিয়ে

কথাটো জানিবৰ কাৰণে থানালৈ গ'ল আৰু এই অন্যায় কাৰ্য্যৰ প্ৰতিবাদ জনালে। অন্যায় ভাবে টকা লোৱাটো স্বীকাৰ কৰিলে যদিও, এই প্ৰতিবাদত অসন্তুষ্ট হ'ল আৰু তাৰ প্ৰতিশোধ ল'লে। সেইখিনি সময়তে সেই অঞ্চলত এটা ডকাইটি হৈছিল—এই ডকাইটৰ সম্পৰ্কত এজন কানিয়া মানুহক পুলিচে ধৰি নিলে। পুলিচে এই কানিয়া মানুহজনক মাৰপিত কৰি সভাপতিয়ে ডকাইটি কৰিছিল বুলি কবলৈ বাধ্য কৰোৱাই। পুলিচে সভাপতিক এৰেষ্ট কৰি আনি অমানুষিক অত্যাচাৰ কৰিলে। এই বিষয়ে D. C. আৰু S. P.-ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো কিন্তু কোনো ব্যৱস্থা এতিয়ালৈকে লোৱা নাই। সেইবাবে দেখা যায় যে পুলিচ বিভাগৰ পৰা যদি দূৰ্নীতি আতৰাব নোৱাৰে তেন্তে ৰাজ্যত শান্তি শৃঙ্খলা হ'ব নোৱাৰে। তাৰ পাচৰ দিবৈ ৰাগানৰ চৰকাৰৰ অধিগৃহীত মাটিত যি সকল লোকক মাটি দিছিল সেই মাটিৰ ওপৰত বাগানৰ মেনেজাৰে, বাগানৰ লেবাৰৰ হতুৱাই কাজিয়া সৃষ্টি কৰে, আৰু যোৱা ১১ বছৰে এই নিৰীহ খেতিয়ক পৰিয়াল কেইটাক নানান ধৰণৰ মকৰ্দমা দি পুলিচৰ হতুৱাই জুলুম কৰিছিল। কেইবাখনো মোকৰ্দমা আজিলৈকে চলি আছে। এই ধৰণে পুলিচে জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰিছে। এই অত্যাচাৰ বিলাকৰ প্ৰতি চৰকাৰে বিশেষ ভাৱে মনোযোগ নিদিলে আমাৰ কল্যাণ হ'ব নোৱাৰে। গতিকে এই সম্পৰ্কে তদন্ত কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো।

*Shri Maneswar Boro—মাননীয় সভাপতি মহোদয়, দেশৰ বৰ্তমান আইন শৃঙ্খলাৰ পৰিস্থিতি সন্তোষজনক বুলি ৰাজ্যপাল মহোদয়ৰ ভাষণত কোৱা হৈছে। কিন্তু আমি দেখিছো যে, বিশেষকৈ মোৰ সমষ্টিত কেইবা ঠাইতো ১৯৬৭ চনৰ পৰা আজিলৈকে ১৩ টা ডকাইটি হৈ গ'ল। কিন্তু সেই অঞ্চলৰ ৰাইজে কেচ দিয়া নাই—ইয়াৰ কাৰণ হ'ল পুলিচ থানালৈ গ'লে পুলিচে দক্ষিণা নাপালে একো নকৰে। তাৰোপৰি তামোলপুৰত প্ৰকৃততে যিসকলে ডকাইটি কৰিছে তেওঁলোকক নধৰি হোজা মানুহক ধৰি আনি অত্যাচাৰ কৰিছে। মই জনাতে যোৱা বছৰ ঔবাৰী গাঁৱত এটা ডকাইটি হৈছিল—তাত প্ৰকৃততে যি ডকাইটি কৰিছিল পুলিচে তাৰ পৰা এহেজাৰ টকা

*Speech not corrected.

ভেটি খাই নির্দোষী ট্ৰাইবেল মানুহক ধৰি আনি জুলুম কৰিছে। মই জানো ট্ৰাইবেল মানুহ এজনেও ডকাইটি কৰা নাই। গতিকে প্ৰকৃততে যাতে চোৰ ধৰিব তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিছত দৰঙা মেলাত এজন অভিজ্ঞ S. I. দিব লাগে। কাৰণ দৰঙামেলা সীমান্তবৰ্তী অঞ্চললৈ নানা ধৰণৰ মানুহ আহি তাত মদ আদিৰ বেপাৰ কৰে। তাত যিজন S. I. আছে, তেওঁ ভাড়া ঘৰত থাকিব লাগে। গতিকে অতি সোনকালে ঘৰৰ ব্যৱস্থা কৰি দিব লাগে। তাৰ পিছত তাৰ পৰা চোৰে টকা লৈ গৈছে। V. D. P.-এ ধৰিছে; কিন্তু O. C.-এ টকা খাই এৰি দিছে। গতিকে এই বিলাক দূৰ কৰিবৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই। শাসন যন্ত্ৰৰ পৰিবৰ্তন আনিবলৈ হ'লে ইয়াৰ বিহীত ব্যৱস্থা লব লাগে।

মানুহক শাসনৰ পৰিবৰ্তে শোষণ কৰিব নোৱাৰে। কুমাৰকটাত এটা Out Post হ'ব লাগে বুলি কৈছো কিন্তু আজি পৰ্য্যন্ত কি কাৰণে নহ'ল কব পৰা নাই। গোৰেশ্বৰৰ কথাটো ১৯৬৭ চনতে কৈছিলো। চলিহা ডাঙৰীয়াই কৰি দিয়াৰ কথা কৈছিল কিন্তু কৰা হোৱা নাই। নাগৰিজুলিটো Out Post-ৰ বাবে মাটি দিয়া হৈছে, কিন্তু তাতো একো কৰা নাই। বাজেটত টকা ধৰা নাই। গতিকে এই ঠাইবিলাকত যাতে অনতিপলমে Out Post কৰাৰ বাবে চেষ্টা কৰে তাৰ অনুৰোধ কৰিলো। ইয়াকে কৈ মই মোৰ বক্তব্য শেষ কৰিলো।

Jonab Rohimuddin Ahmed—সভাপতি ডাঙৰীয়া, পুলিচৰ বাজেট সম্বন্ধে আমাৰ মাননীয় সদস্য সকলে বিভিন্ন ৰকমে মত প্ৰকাশ কৰিছে। মই আংশিকভাৱে তেখেতসকলৰ লগত একমত। বেচি ক্ষেত্ৰত মই তেখেত-সকলক বিৰোধীতা কৰিছো। এতিয়া কথা হৈছে, চৰকাৰে পুলিচ বিভাগৰ শিতানত যি টকা ধৰিছে সেই টকা দেশৰ আৰ্থিক সমস্যাৰ লগত সামঞ্জস্য ৰাখি চালে বহুতো কম হৈছে। এই টকা বেচি কৰিব লাগে। আজি দেশত খাদ্য সামগ্ৰী আৰু আন আন সামগ্ৰীৰ লগত তুলনা কৰো তেন্তে দেখিম যে যিবিলাক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তেওঁলোকৰ প্ৰতি অন্যায় কৰা হৈছে। কাৰণ এই কৰ্মচাৰী সকলে যি দৰমহা পাই তেওঁলোকে তাৰে এটা পৰিয়াল ভৰণ-পোষণ দিব নোৱাৰে। গতিকে পুলিচ বিভাগত যে দুৰ্নীতি হৈছে এইটো কথা কিছু পৰিমাণে সঁচা।

কিয়নো অভাৱগ্ৰস্ত লোকসকলে বাধ্যত পৰি দুৰ্নীতি কৰিব লগা হয়। এইটো মই স্বীকাৰ কৰো। পুলিচ বিভাগতযে শিথিলতা হৈছে এইটো মই স্বীকাৰ কৰো। ইয়াৰ প্ৰধান কাৰণ তলতীয়া কৰ্মচাৰী সকলে আৱশ্যকীয় সা-সুবিধাৰ পৰা বঞ্চিত। আজি বৈজ্ঞানিক যুগত পলিচক আমি সকলো প্ৰকাৰে সহায় কৰিব লাগে। প্ৰত্যেক পুলিচ ষ্টেচনত একোখনকৈ হ'লেও জীপগাড়ী দিয়াব লাগে। কাৰণ জীপগাড়ীৰ অভাৱত কিছুমান কাম সময়মতে কৰা নহয়। এইটো O. C -ৰ দোষ হব নোৱাৰে আমাৰ চৰকাৰৰে দোষ। পুলিচ সকলো সময়তে সজাগ হৈ থাকিব লাগে। দেশত যাতে শান্তি শৃঙ্খলা ৰক্ষা কৰিব পাৰে তাৰবাবে চোকা নজৰ ৰাখিব লাগে। ইয়াৰোপৰি পুলিচ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক ভাল হব লাগে—এজন মানুহে যেতিয়া এটা কেচ লৈ থানালৈ আহে তেতিয়া তেওঁক ভালভাৱে ব্যৱহাৰ কৰিব লাগে। পুলিচে জনসাধাৰণক আশ্বাস দিব লাগে আৰু এইটো কথা জনসাধাৰণে অনুভৱ কৰিব লাগে। আমাৰ সমাজতো বহুতো ক্ষেত্ৰত বিশৃঙ্খলাৰ সৃষ্টি হয় সেইটো যাতে সোনকালে দমন কৰি শান্তি ৰক্ষা কৰিব পাৰে তাৰ বাবে পুলিচে চকু দিব লাগে। কাৰণ আমাৰ দেশৰ শান্তি ৰক্ষাৰ ভাৰ সম্পূৰ্ণ পুলিচৰ ওপৰত। আমাৰ মাজত এনে বহু মানুহ আছে ( Leader স্তৰৰ ) পুলিচে প্ৰকৃত দোষীক শাস্তি দিবৰ ক্ষেত্ৰত স্বাধীনভাৱে কাম কৰাত নানাভাবে প্ৰভাব বিস্তাৰ কৰি দোষীক অব্যাহতি দিয়াই নিৰ্দোষীক শাস্তি দিবৰ যত্ন কৰে। এইবাবে পুলিচে স্বাধীন চিন্তাৰে কাম কৰাত অসুবিধাত পৰে। সদনত মাননীয় সভ্য সকলে এই কথা চিন্তা কৰা উচিত। পুলিচৰ মাজত বেয়া বিষয়া থাকিব পাৰে কিন্তু এনে বহু বিষয়া আছে তেওঁলোকৰ কাৰ্য্যকলাপ প্ৰশংসা নকৰি নোৱাৰি। মাননীয় সদস্য-সকলে ভাল কৰ্মচাৰীৰ কাৰ্য্যকলাপ প্ৰশংসা কৰি উৎসাহিত কৰা উচিত। পুলিচ বিষয়াৰ বেয়া কামেই আলোচনা কৰিলে নহ'ব। ভাল কামৰ প্ৰশংসা কিয় কৰা নহয়। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

M. Shamsul Huda—মাননীয় সভাপতি মহোদয়, পুলিচৰ শিতানত আজি যি কৰ্তন প্ৰস্তাৱ আনিছো সেই সম্পৰ্কত মই দুআষাৰমান কব খুজিছো।

*Speech not corrected

আজি স্বাধীনতাৰ ২৫ বছৰৰ পাচতো পুলিচ বিভাগৰ কোনো পৰিবৰ্তন হোৱা নাই। আজি পুলিচ বাহিনীয়ে জনসাধাৰণৰ ওপৰত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ইয়াৰ কাৰণ হ'ল যে—তেওঁলোকে জনসাধাৰণৰ ওচৰত শান্তি শৃঙ্খলা বজাই ৰখাৰ বিৰুদ্ধেহে কাম কৰিছে। উদাহৰণ স্বৰূপে যেতিয়া জনসাধাৰণে গণতন্ত্ৰৰ দাবী লৈ কোনো আন্দোলন কৰিবলৈ আহে তেতিয়া ৰাইজে পুলিচৰ ওচৰত মাৰ খাবলগীয়া হয়। যেতিয়া ৰাইজৰ মাজতে গন্দগোল হয় তেতিয়া দেখা যায় পুলিচে হাত সাবটি বহি থাকে। সেই সময়ত শান্তি শৃঙ্খলা ৰক্ষা কৰাও কঠিন হৈ পৰে। আজি পুলিচ বাহিনীয়ে মাত্ৰ নিজৰ ক্ষমতাহে ৰক্ষা কৰিছে। তেওঁলোকে সেনচৰাইৰ দৰে গৈ নিৰস্ত্ৰ জনসাধাৰণৰ ওপৰত জপিয়াই পৰে। মাটি দখল কৰাৰ ক্ষেত্ৰটো দেখা গৈছে যে, নিজৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে পুলিচ ব্যৱহাৰ কৰিব লগীয়া হয়। উদাহৰণ স্বৰূপে মই কওঁ যে, ব্ৰহ্মপুত্ৰৰ ওচৰতে ৫০ হাজাৰ বিঘা পৰিমাণৰ মাটি আছে। এই মাটিত আজি অসম চৰকাৰে ৰাজহ কৰিছে, নেপালীৰ খুটি আছে। তেওঁলোকে তাত খেতি-বাতি কৰিছে—অথচ পুলিচৰ সহায়ত তেওঁলোকক উচ্ছেদ কৰা হৈছে তেওঁলোকৰ ঘৰ-দুৱাৰ জ্বলাই দিয়া হৈছে।

সভাপতি মহোদয়, আপুনি শুনিলে আচৰিত হ'ব ব্ৰহ্মপুত্ৰৰ চৰ কিছুমানত মানুহে সৰিয়হ আদিৰ খেতি কৰিছিল। কিন্তু চৰকাৰে পুলিচ লগাই সেই মানুহ বিলাকৰ কেইবা হাজাৰ ঘৰ জ্বলাই দিছে আৰু মাৰ-পিট কৰি উচ্ছেদ কৰিছে। তাৰ পিছত কিছুমান মানুহ খেৰ কাটিব যাওঁতে নেপালীয়ে অত্যাচাৰ কৰিছে; কিন্তু তাত পুলিচ উপস্থিত থাকিও নিষ্ক্ৰিয় হৈ বহি আছে। উদাহৰণস্বৰূপে লামডিং, লঙ্কা আদিত ঘৰ জ্বলোৱাৰ পিচতো পুলিচ নিষ্ক্ৰিয় হৈ আছে। বদৰপুৰ পুলিচ থানাত পুলিচ উপস্থিত থকা স্বত্বেও নানা ধৰণৰ ঘটনা হৈ গ'ল, কিন্তু পুলিচে নিজৰ জীৱন বিপদাপন্ন কৰি মানুহক ৰক্ষা কৰিব নোৱাৰিলে। যদি পুলিচে নিজৰ জীৱন বিপদাপন্ন কৰি মানুহক ৰক্ষা কৰিলেহেঁতেন তেন্তে পুলিচ বাহিনীক বাহবাহ দিলোহেঁতেন, কিন্তু সেইটো কৰা নাই। পুলিচে হাঙ্গামাৰ ক্ষেত্ৰত কেৱল অনুসন্ধান কৰে আৰু ৰাইজৰ আন্দোলন দমন কৰিবলৈ আগবাঢ়ি আছে। পুলিচক এজাহাৰ দিলে তৎক্ষণাত এজাহাৰ

দিয়াজনক আচামী কৰিবলৈ যায়, এইটো পুলিচৰ নীতিত পৰিণত হৈছে। মই নগাওঁ জিলাৰ কথা কব পাৰো—তাত এটা খুনী কেচ হ'ল, এজাহাৰ দিয়া হ'ল কিন্তু আচামীক গ্ৰেপ্তাৰ কৰা নহ'ল। তাৰ পিছত এটা ঘৰ জ্বলোৱা Case হৈছিল তাৰ কাৰণে S. S. P.-ক মাতি নিব লগা হৈছিল। এই সম্পৰ্কে S. S. P.-ক ক'লো. তেখেতে ক'লে Cercit দিব লাগে, তেতিয়াহে আচামীক গ্ৰেপ্তাৰ কৰিব পাৰো। প্ৰকৃততে আচামীক গ্ৰেপ্তাৰ কৰিব লাগিছিল; কিন্তু গ্ৰেপ্তাৰ কৰা নাই। ঢিংত মোমায়েক ভাগিনৰ মাজত খোনা-খোনী হ'ল, কিন্তু ২৫ মাৰ্চলৈকে গ্ৰেপ্তাৰ কৰা নাই। আজি এমাহ দুমাহ হ'ল আচামীক গ্ৰেপ্তাৰ কৰা নাই। কেচবিলাক এবছৰ দুবছৰ হৈ যায় Cercit নহয়। ঠিক সেই ধৰণে বৰদোৱাত হতাহতি হ'ল কিন্তু আজিলৈকে Final Report দিয়া নাই। এই ধৰণে পুলিচে শান্তি শৃঙ্খলা ৰক্ষা কৰিব পৰা নাই। ৬ মাহ এবছৰেও দোষীক গ্ৰেপ্তাৰ নকৰে। যদি এই ধৰণে কৰা হয় তেন্তে দেশৰ সমাজবিৰোধী শক্তিসমূহক প্ৰশ্ৰয় দিয়া হয়। মন্ত্ৰী মহোদয়ে একোটা কমিচন বহুৱাই এইবিলাক তদন্ত কৰক।

আৰু এটা কথা হৈছে পুলিচৰ অভিযোগ বিলাক তদন্ত কৰিবৰ কাৰণে পুলিচক দিয়াৰ ফলত যিসকল সাক্ষী থাকে তেওঁলোকক ধৰি আনি মাৰপিত কৰে। ঠিক সেই ধৰণে চুৰি ডকাইতিৰ কেচ বিলাকো তেওঁলোকে তদন্ত কৰে। যদি পুলিচ বিভাগটো নিয়াৰিকৈ চলাব বিচাৰিছে তেন্তে দোষী বিষয়াক শাস্তি দিবৰ কাৰণে এটা বেলেগ বিভাগ খুলিব লাগে। আমাৰ ৰাজ্যৰ শান্তি শৃঙ্খলা ৰক্ষা কৰিবৰ কাৰণে পুলিচক নিয়োগ কৰা হৈছে; কিন্তু পুলিচ বিভাগ নিষ্ক্ৰিয় হৈ থকাৰ প্ৰমাণ আমি দেখিবলৈ পাইছো। কেন্দ্ৰীয় চৰকাৰৰ পৰা শান্তি শৃঙ্খলা ৰক্ষা কৰিবৰ কাৰণে C. R. P. আনে। ইয়াৰ পৰা দেখা যায় যে আমাৰ চৰকাৰে অসমৰ পুলিচ বাহিনীক বিশ্বাস কৰিব পৰা নাই। মই কওঁ যে আমাৰ বিভাগৰ সংস্কাৰ সাধন কৰা আৰু C. R. P. অনাটো বন্ধ কৰক। আমাৰ দেশৰ শান্তি শৃঙ্খলা ৰক্ষা কৰিবৰ কাৰণে আমাৰ দেশৰ ডেকা ল'ৰাক নিয়োগ কৰক। এই C.R.P.-ৰ পৰিবৰ্তে আমাৰ ল'ৰাক নিয়োগ কৰিলে নিবনুৱা সমস্যা সমাধান কৰাত সহায় হব।

তাৰ পিছত দেখা যায় Police বিভাগৰ বেটেলিয়ানত দুৰ্নীতি সোমাই আছে। নগাওঁ জিলাৰ ব্ৰহ্মপুৰত যোৱা বছৰ ৩৮ টা খালি বোলেটৰ বাকচ চুৰ হৈছে। নগাওঁৰ চিপাহী লৈ যোৱাত Case টো Dismiss কৰিছে। যদি এই ধৰণে হয় তেন্তে চোৰাং বেপাৰী সকলে বোলেট বিক্ৰি কৰিবলৈ সুবিধা পাব। গতিকে এইবিলাক দূৰ কৰিবৰ কাৰণে বিহীত ব্যৱস্থা কৰিব লাগে। কিছুমান ঠাইত ঘৰ-দুৱাৰ আদি মেৰামত বা Furniture-ৰ বাবে টকা মঞ্জুৰ কৰে, কিন্তু আজিলৈকে সেইবিলাক বস্তু অনা দেখা নাই অথচ টকা Draw কৰি খাই আছে।

পুলিচ প্ৰশাসন V. D. P.-ৰ ওপৰতো নিৰ্ভৰ কৰে। V. D. P.-ক পহৰা দিয়াৰ কাৰণে লাঠি আদিৰ বাবে কিছু টকা অনুমোদন কৰা হয়। এই V. D. P.-ক সংস্কাৰ সাধন কৰিব লাগিব। কোনো কোনো ক্ষেত্ৰত অভিযোগ দিয়া হয়, কিন্তু পুলিচে ঘোচ খাই কেচটো নষ্ট কৰে। তাৰোপৰি যিবিলাকে অভিযোগ দিয়ে, তেওঁলোকৰ ওপৰতহে অত্যাচাৰ কৰে। তাৰ পিছত কোৱা হৈছে যে মহিলা পুলিচ নিয়োগ কৰি এই বিভাগটো আৰু শক্তিশালী কৰা প্ৰয়োজন। তেতিয়াহ'লে মহিলা পুলিচৰ পৰা ভাল Service পোৱা হ'ব।

Mr. Speaker—The debate is closed. The Chief Minister will reply 17th.

## Calling Attention To A Matter of Urgent Public Importance
## Irregularity in Employment Exchange

Shri Maneswar Boro—Mr. Speaker, Sir, I call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item apprearing in the Dainik Asom dated the 7th April 1971 under the caption "নিয়োগ বিনিময় কেন্দ্ৰৰ কাণ্ড।"

Shri Mahendra Mohan Choudhury (Chief Minister)—The Regional Manager, State Bank of India, Shillong, notified vacancies of Clerk-cum-typist to all the Employment Exchanges, in he State including 20 vacancies notified to the Employment Exchange, Shillong in February 1971.

Immediately on receipt of the vecancies by the Employment Exchanges, the Directorate of Employment and Craftsmen Training, Assam issued advertisement in the local daily requesting the candidates interested for the posts to register their names with the Employment Exchanges. All the Employment Exchanges submitted candidates against the vacancies. The . mployment Exchange, Shillong submitted as many as 136 candidates of whom 55 were Assamese speaking, 10 Khasis, 6 Mizos and the rest 66 whose places of birth are within Assam except a few displaced persons.

Shillong being a cosmopolitan town, the Live Register of the Shillong Exchange consists of candidates speaking various languages. Number of Assamese speaking candidates is comparatively less in the Exchange in relation to other Exchanges in the Brahmaputra Valley The Employment Exchange, Shillong submitted all the Assamese speaking candidates who had requisite qualifications and who were in the Register of the Exchange on that date without any exception.

No discrimination was thus made by the Employment Exchange, Shillong in submission of candidates against the vacancy of clerk-cum-typists in the State Bank of India.

There are special Committees attached to all the Employment Exchanges in the State. These Committees were constituted by the members of the State Committee on Employment and District Committees on Employment. The function of these Committees is to see the fairness of submission of candidates against notified

Vacancies by the Employment Exchanges with reference to the rules laid down in the National Employment Service Manual.

Shri Dulal Chandra Barua—Only in paper these Committees exist but actually they do not function.

Shri Mahendra Mohan Choudhury—The Special Committee attached to the Employment Exchange, Shillong visited the Exchange on 14.7.70 and 25.7.70 to examine the fairness of submission by the Exchange. The Committee examined the details of submission of applicants made by Exchanges in respect of three vacancies. The allegation in the paper that only one candidates was sponsored by the Exchange against these vacancies is not correct. All the candidates submitted by the Exchange possessed the employer. The Committee nowhere in the report pointed out that any of the candidates sponsored by the Exchange against the vacancies was related to the Officer concerned. Irregularities pointed out were of procedural defect in the maintenance of a few Registration Cards in the filing cabinet. The Officer concerned was instructed to avoid such irregularities in future. This irregularity committed by the officer in observing certain official procedure was not the reason of his transfer. As the Officer was in the same station for more than five years, he was transferred to another Employment Exchange.

Regarding recruitment of staff by the United Bank of India, it may be stated that the Bank authorities, while notifying their vacancies to the Employment Exchanges under the provisions of the Employment Exchange ( C.N.V ) Act, 1959 do not desire any submission from the Employment Exchanges as they recruit their staff from the penal of names maintained by them. This recruitment procedure, which has been a very old practice with them, is not influenced by what has been stated to be due to the allegation against the Employment Exchanges. Mention may be

made that in November, 1970 the Bank authorities advertised various types of clerical posts in local press and endorsed copies of the advertisement to the Employment Exchanges with the request to sponsor suitable applicants for forming panels of selected applicants. Accordingly, the Employment Exchanges in Assam sponsored a good number of applicants against the vacancies in the Bank. The Govt. of Assam have been requested to take up with the Bank authorities the matter of recruitment of staff in the Bank through Employment Exchanges on a regular basis. Similar request was also made to Govt. of India, who have since informed that the question of recruitment of staff by all nationalised banks through Employment Exchanges has been taken up with the appropriate authority in the Central Government.

As regards vacancy of a Telephone operator in a firm as published in the news item of the paper, it may be mentioned that the Manager, Pinewood Hotel, Shillong notified a vacancy of Telephone Operator in his establishment to Employment Exchange, Shillong. In the notification, the employer specifically stated that the candidates must have thorough knowledge in Telephone Operating and typing. As there was only one candidate having requisite qualification in the Live Register of the Exchange on that day, the Employment Exchange Shillong submitted this candidate to the employer on 10.9.70. Subsequently, however, the employer desired more applicants for interview and selection as the previous submission could not meet this requirements. This time the employer desired candidates with good typing speed only. The text of the letter of the employer addressed to the Employment Exchange indicated that he proposed to impart training on telephone operating to the selected candidates. Accordingly the Employment Exchange. Shillong submitted 10 local candidates having typing speed of 34 words and above on 24.9.70 The Employment Exchange Shillong considered all the Matriculate

candidates having typing speed of 34 words per minute or more according to seniority of Registration in respective groups on the date of submission The places of birth of all the candidates submitted by the Exchange were within Assam.

It has been stated in the last paragraph of the news item that many commercial establishments are not inclined to follow the Govt. instructi ns regarding recruitment of personnel through Employment Exchanges for doubtful activities of the Exchanges. This is not corroborated by facts and figures available with the Employment Services. It has been observed that progressively more and more employers in the private sectors are utilising the services of the Employment Exchanges in the matter of recruitment of their staff. With the increase in the coverage of the Employment by the organisation to the employment seekers, the register of the Employment Exchanges now contain applicants of all categories ranging from higher professional and executive to unskiled workers. The allegation that the Employment Exchanges take to u fair means while sponsoring applicants to employers have been found to be baseless whenever enquiries were made against specific allegations

Since some times past various news items and letters to the Editors on the activities of the Employment Exchanges have been coming out in the daily news papers in the State. All the allegations, that appeared in the papers were enquired into, and the cases found not to be true.

## Adjournment

শ্ৰীপ্ৰেমধৰ বৰা—মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিবৃতিৰ পৰা জানিব পৰা মতে Employment Exchange-ৰ কাৰ্য্যকলাপে চৰকাৰৰ ৮০ ভাগ থলুৱা লোকক নিযুক্তি দিয়াৰ যি নীতি আছিল সেই নীতি উলংঘা কৰিছে। সেই বিচাৰে। সেই হিচাবে এই কৰ্মচাৰী সকলৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ

দিহা কৰিবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মোৰ বিবৃতিত তেনে কোনো প্ৰমাণ পোৱা নাই বুলি কৈছোঁ। যদি খবৰ পাওঁ তেনেহ'লে চোকা দৃষ্টি দিব লাগিব।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃতি ইয়াত দাঙি ধৰিছে সেইটো অনুসন্ধান কৰা তথ্যপাতিৰ ওপৰতে দিছে যদিও সেইটো পুনৰ অনুসন্ধান কৰি এই সম্পৰ্কত ভুল তথ্যপাতি দিয়া অফিচাৰ সকলৰ ওপৰত বিহিত ব্যৱস্থা লবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যদি খবৰ পাওঁ তেনেহ'লে ব্যৱস্থা কৰিম।

The Assembly then Adjourned till 10 A.M. on Monday, the 17th May 1971.

Shillong
The 6th May 1971

**U. TAHBILDAR**
*Secretary*
Legislative Assembly, Assam